সোণাৰি মহাবিদ্যালয় বাৰ্ষিক মুখ পত্ৰ - ১৯৯১-৯২

সোণাৰি মহাবিদ্যালয়

তেজস্বি নাবধীতমস্তু

SONARI COLLEGE

# সোণালী



পাদক : শ্ৰীমণিদীপ মহন

প্ৰতি

অধ্যাপক গণেশ বৰুৱা

ৰাজনীতি বিভাগ

সশ্ৰদ্ধ প্ৰীতি আৰু শুভ-ইচ্ছাৰে
আপোনাৰ হাতত 'সোণালী'ৰ
এই সংখ্যাটি তুলি দিলো ।

সম্পাদনা সমিতি
'সোণালী'
( ১৯৯১-৯২ )

# সোণালী

## সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

( ১৯৯১-৯২ )

সম্পাদক — শ্ৰীমণিদীপ মহন ।

## সম্পাদনাৰ নেপথ্যত


পৃষ্ঠপোষক ঃ— শ্ৰীযুত গোলাপ বৰগোহাঁই : অধ্যক্ষ
শ্ৰীযুত সুৰেশ দাস : উপাধ্যক্ষ

উপদেষ্টা ঃ— শ্ৰীযুত ৰবিন কোঁৱৰ : অধ্যাপক
শ্ৰীযুক্ত বিনন্দ মহন : অধ্যাপক
শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ : অধ্যাপিকা

সম্পাদক ঃ— শ্ৰীমনিদীপ মহন


সদস্য ঃ— শ্ৰীৰ'জকমল মহন
শ্ৰীঅনন্ত বৰগোহাঁই
শ্ৰীজ্যোতিৰেখা শইকীয়া

বেটুপাতৰ শিল্পী ঃ— শ্ৰীঅৰুণ বৈৰাগী
স্নাতক ২য় বাৰ্ষিক ।

প্ৰকাশক ঃ— ছাত্ৰ একতা সভা ০ ১৯৯১-৯২
সোণাৰি মহাবিদ্যালয়, সোণাৰি ।

মুদ্ৰণশালা ঃ—
চৰাইদেউ প্ৰিন্টাৰ্ছ
সোণাৰি, ( শিৱসাগৰ ) ।
ফোন-৫০৬৭


# উছৰ্গা



ইতিহাসৰ জন্মলগ্নৰ পৰা বিংশ শতিকাৰ
শেষভাগলৈকে যিসকল পূণ্যাত্মাৰ চৰম ত্যাগে অসমীয়া
জাতি গঠন প্ৰক্ৰিয়াত অৰিহনা যোগালে
সেইসকলৰ পৱিত্ৰ সোঁৱৰণত
আমাৰ 'সোণালী' উছৰ্গা কৰিলোঁ ।

—সম্পাদক

"জননী পূজাৰ মন্দিৰ শুদা
নজ্বলোৱা কিয় বন্তি ?
আপোন পাহৰি হ'লা তন্দ্ৰা অলস
অ' মোৰ দেশৰ পূজাৰী"

—ৰূপকোঁৱৰ

"সকলো দেশতে মধ্যাহ্ন আলোক
চোঁৱা অসমত আজিও নিশা,
সকলো দেশতে বসন্ত হাঁহিছে
চোঁৱা অসমত ঘোৰ বাৰিষা।"

—হেমচন্দ্ৰ গোস্বামী

## কৃতজ্ঞতাৰ শৰাই

- মহাবিদ্যালয়ৰ অধ্যক্ষ গোলাপ বৰগোহাঁই
  উপাধ্যক্ষ সুৰেশ দ.স
  অধ্যাপক ৰবীন কোঁৱৰ
  অধ্যাপক বিনন্দ মহন
  অধ্যাপিকা ৰতিপ্ৰভা গগৈ
  অধ্যাপিকা সোণমাই বড়া
  অধ্যাপিকা জ্যোতিমা ফুকন
  অধ্যাপিকা বীণা বৰঠাকুৰ
  অধ্যাপিকা জয়ন্তী গগৈ
  অধ্যাপিকা ৰাণু মহন
  অধ্যাপক গিৰিণ গগৈ
  অধ্যাপক বুধিন গগৈ
  অধ্যাপক দিলীপ ৰঞ্জন বৰুৱা
  গ্ৰন্থগাৰিকা বাণী দেবী
- মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা কৰ্মচাৰীবৃন্দলৈ …………
- আলোচনী সম্পাদনা সমিতিৰ সদস্য / সদস্যা —
  ৰ'জকমল মহন
  অনন্ত বৰগোহাঁই
  জ্যোতিৰেখা শইকীয়া
- বেটুপাতৰ শিল্পী ঃ— অৰুণ বৈৰাগী
- আলোচনীৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰা মহাবিদ্যালয়ৰ সমূহ লেখক-লেখিকালৈ —
- বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা বন্ধু-বান্ধৱীসকল ঃ—
  ঠানু মহন, জগত চেতিয়া, পূৰ্ণানন্দ ফুকন, তপন গগৈ, ৰূপজ্যোতি শইকীয়া, পূৰ্ণকান্ত গগৈ, গোপাল দে, হৰেণ দৈমাৰী, পৰেশ বৰুৱা, চৰিত্ৰ চেতিয়া, জিতু চুতীয়া, দিব্যজ্যোতি কোঁৱৰ, অজিত কোঁৱৰ, দিগন্ত বৰুৱা, বাইদেউ গীতিমণি চুতীয়া, উমা আচাৰ্য্য, দিপীকা গগৈ, জুৰি সন্দিকৈ, ননী সোনোৱাল, ৰূপামণি বৰা, ভন্তী মৌচুমী, ৰূপজ্যোতি, বিজয়লক্ষী, ববিতা, ৰিজুমণি, আজমীৰা, হিৰণ্য, ভাইটি নোমল, শুভকান্ত, খৰ্গেশ্বৰ, যদু, উৎপল, সুশান্ত, অমৃত আৰু বহুতো ছাত্ৰ বন্ধু-বান্ধৱীলৈ—
- অন্যান্য ঃ—
  চৰাইদেউ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী ইন্দ্ৰজিত গগৈ আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ —
  লগতে —
  শত-সহস্ৰ 'সোণালী'ৰ শুভাকাংক্ষীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

— সম্পাদক —

## : সূচী-পত্ৰ :-


| | | পৃষ্ঠা |
|---|---|---|
| o সম্পাদকীয় ... | ... | ১ |
| **প্ৰবন্ধ ঃ—** | | |
| o মহাপুৰুষ মাধৱদেৱৰ বৰগীত | —অধ্যাপিকা সোণমাই বড়া | ৩ |
| o দক্ষিণ ভাৰতত এভূমুকি | —শ্ৰীৰ'জকমল মহন | ৬ |
| o উদ্যোগীকৰণ আৰু অসম | —শ্ৰীঅনুপ চেতিয়া | ১১ |
| o আধুনিক অসমীয়া সংস্কৃতি পৰিবৰ্ত্তনৰ সংস্কৃতি | —শ্ৰীঅনন্ত বৰগোহাঁই | ১৫ |
| o নপঢ়া শুশুনা সেই মানুহজন | —প্ৰবক্তা ৰীণা বৰঠাকুৰ | ১৯ |
| o বুদ্ধদেৱ আৰু ৰবীন্দ্ৰনাথ | —শ্ৰীপ্ৰশান্ত শ্যাম | ২০ |
| **কবিতা কুঞ্জ ঃ—** | | |
| o মোৰ দেশ | —অধ্যাপিকা জয়ন্তী গগৈ | ২৫ |
| o আইৰ চকুত তেওঁ | —শ্ৰীদেৱজ্যোতি ফুকন | ২৬ |
| o শ্ৰদ্ধাঞ্জলি | —শ্ৰীবিশ্বজিত শইকীয়া | ২৭ |
| o মৃত্যু আখৰা | —শ্ৰীজয়ন্ত দেওঘৰীয়া | ২৭ |
| o মনত আছেনে ? | —শ্ৰীজগত গগৈ | ২৮ |
| o অখ্যাত স্পৰ্শ | —শ্ৰীৰঞ্জীত হাতীমুৰীয়া | ২৮ |
| o যৌৱন আহে এনেকৈয়ে | —শ্ৰীজীতেন গগৈ | ২৯ |
| o দুঃসময় | —শ্ৰীমণিদীপ মহন | ২৯ |
| o দুঃসময় | —মিচ্ বিজুমণি গগৈ | ৩০ |
| ● গতি | —জ্যোতিমা ফুকন | ৩০ |
| **গল্পাঞ্জলি ঃ—** | | |
| o বৰষাৰ বেদনা | —কুমাৰ প্ৰণৱ | ৩১ |
| o অস্তগামী সূৰুজৰ ৰাঙলী আভা | —মিচ্ ৰীতামণি গগৈ | ৩৫ |
| **সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ—** | | ৪০ |
| o **সোণালী ১৯৯০-৯১ চন** | | ৪৫ |


বিঃ দ্ৰঃ— বিভিন্ন কাৰণবশতঃ অপ্ৰকাশিত হৈ থকা ১৯৯০-৯১ চনৰ শ্ৰীদিব্যজ্যোতি কোঁৱৰৰ সম্পাদিত "সোনালী" খণ্ডটি লগতে সংলগ্ন কৰি প্ৰকাশ কৰা হ'ল।

## অশ্ৰু অঞ্জলি



কালে অকালতে আমাৰ মাজৰ পৰা কাঢ়ি নিয়া—

* মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, সমাজকৰ্মী ঃ ললিত বৰুৱা, এম, এ, ।

* আমাৰ অতি মৰমৰ ছাত্ৰ-বন্ধু, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক, ছাত্ৰনেতা, উদীয়মান খেলুৱৈ ঃ শশী দেউঘৰীয়া ।

* মহাবিদ্যায়লয়ৰ ছাত্ৰী ঃ বিভা বৰা আৰু লুকুমণি বৰঠাকুৰ ।

* লগতে দেশ-বিদেশে প্ৰাকৃতিক-বিপৰ্যয়, দুৰ্ঘটনা আৰু নীতিহীন সন্ত্ৰাসৰ বলি হোৱা শত-সহস্ৰ জনগণলৈ আমাৰ অশ্ৰুসজল পুষ্পাৰ্ঘ অৰ্পণ কৰিছোঁ ।
তেওঁলোকৰ বিদেহী আত্মাই চিৰ প্ৰশান্তি, লাভ কৰক ।

সম্পাদক
সোণালী ( ১৯৯১-৯২ )

## সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
## Sonari College Students' Union

স্থাপিত ১৯৭০ চন
কাৰ্য্যকাল ১৯৯১-৯২ চন

সভাপতি
শ্ৰীগোলাপ বৰগোহাঁই
উপ-সভাপতি
শ্ৰীৰ'জকমল মহন
সাধাৰণ সম্পাদক
শ্ৰীঅনন্ত বৰগোহাঁই
সহকাৰী সাধাৰণ সম্পাদক
শ্ৰীপবিত্ৰ গগৈ
গুৰু খেল বিভাগৰ সম্পাদক
শ্ৰীশশী দেওঘৰীয়া
লঘু খেল বিভাগৰ সম্পাদক
শ্ৰীজ্যোতিপ্ৰসাদ বৰুৱা
সংগীত বিভাগৰ সম্পাদক
শ্ৰীতবুল বৰুৱা

সাংস্কৃতিক ৰিভাগৰ সম্পাদক
শ্ৰীৰিলেশ্বৰ চেতিয়া
সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদক
শ্ৰীজিতেন গগৈ
আলোচনী বিভাগৰ সম্পাদক
শ্ৰীমণিদীপ মহন
শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক
শ্ৰীজগত চেত্তিয়া
সমাজসেৱা বিভাগৰ সম্পাদক
শ্ৰীমনোৰঞ্জন গগৈ
ছাত্ৰ জিৰণী চ'ৰাৰ সম্পাদক
শ্ৰীমনোজ গগৈ
ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা
শ্ৰীবিজয়লক্ষ্মী গগৈ

## ।। 'সোণালী'ৰ সম্পাদনা সমিতি ।।



বাওঁফালৰ পৰা ক্ৰমে (চকীত বহি) — অধ্যাপক বিনন্দ মহন (উপদেষ্টা) অধ্যক্ষ গোলাপ বৰগোঁহাই ( পৃষ্ঠপোষক), অধ্যাপক ৰবীন কোঁৱৰ (উপদেষ্টা), অধ্যাপিকা ৰতিপ্ৰভা গগৈ (উপদেষ্টা) ।

বাওঁফালৰ পৰা ক্ৰমে (থিয় হৈ) — শ্ৰীমণিদীপ মহন (সম্পাদক), শ্ৰীঅনন্ত বৰগোঁহাই (সদস্য), ৰ'জকমল মহন (সদস্য) ।


(ফটোত 'সোণালী'ৰ সম্পাদনা সমিতিৰ সদস্যা জ্যোতিৰেখা শইকীয়া অনুপস্থিত ।)

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা


### কাৰ্য্যকাল - ১৯৯১-৯২




বাওঁফালৰ পৰা চকীত বহি (প্ৰথম শাৰী )—অধ্যাপিকা ৰতিপ্ৰভা গগৈ, অধ্যাপক ৰবীন কোঁৱৰ, অধ্যক্ষ গোলাপ বৰগোঁহাই, অধ্যাপক তুলসী গগৈ, অধ্যাপক গিৰিণ গগৈ।
বাওঁফালৰ পৰা চকীত বহি ( দ্বিতীয় শাৰী ) অধ্যাপক বিনন্দ মহন, অধ্যাপক ভূপেন দিহিঙ্গীয়া, অধ্যাপক ৰাজীৱ কটকী, অধ্যাপক দিলীপ ৰঞ্জন বৰুৱা, অধ্যাপক অমৃত বৰপূজাৰী, অধ্যাপক উৎপল কোঁৱৰ, অধ্যাপক পন্টু পাল ।
বাওঁফালৰ থিয় হৈ – বিজয়লক্ষ্মী গগৈ (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), ৰবিজিৎ শইকীয়া (শ্ৰেণী প্ৰতিনিধি), ৰীতামণি গগৈ (শ্ৰেণী প্ৰতিনিধি), মণিদীপ মহন (আলোচনী সম্পাদক), ৰ'জকমল মহন (উপ-সভাপতি), অনন্ত বৰগোঁহাই (সাধাৰন সম্পাদক), জ্যোতিপ্ৰসাদ বৰুৱা (সম্পাদক, খেল বিভাগ)



কুশল ৰাজকোঁৱৰ
শ্ৰেষ্ঠ দৌৰবীৰ
(১৯৯১-৯২)




অঞ্জনা গগৈ
শ্ৰেষ্ঠ গায়িকা
(১৯৯১-৯২)
(তেজপুৰ অগ্নিগড় যুৱ সমাজৰ সৌজন্যত আয়োজিত সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী)




প্ৰবীন গগৈ
শ্ৰেষ্ঠ অভিনেতা
(১৯৯১-৯২)




অৰুণা পাটমাউত
শ্ৰেষ্ঠ অভিনেত্ৰী
(১৯৯১-৯২)




জ্যোতিপ্ৰসাদ বৰুৱা
ষ্ট্ৰং মেন অৱ দা সোণাৰি কলেজ
(১৯৯১-৯২)




শ্ৰীঠানু মহন
সাধাৰণ সম্পাদক
(১৯৯০-৯১)



শ্ৰীঅনন্ত বৰগোহাঁই
সাধাৰণ সম্পাদক
(১৯৯১-৯২)



শ্ৰীদিব্যজ্যোতি কোঁৱৰ
আলোচনী সম্পাদক
(১৯৯০-৯১)



শ্ৰীমণিদীপ মহন
আলোচনী সম্পাদক
(১৯৯১-৯২)

## সম্পাদকীয়

# ॥ চিন্তাৰ তৰংগ ॥

(ক)

অসমীয়া জাতি বুলিলে আমি এক সমন্বয়ৰ কৃষ্টিক বুজোঁ। ই কোনো জাতি-উপজাতিৰ বাপতি-সাহোন নহয়। বৃহৎ অসমীয়া জাতিক গঢ় দিয়া সকলো ক্ষুদ্ৰ জাতি-উপজাতিয়ে তেওঁলোকৰ নিজ নিজ কৃষ্টিৰ বিকাশ ঘটাবলৈ বিচাৰিলে অসমীয়া কৃষ্টিৰ বিনাশ নহয়— ই চহকীহে হ'ব। কিন্তু এই ক্ষেত্ৰত ৰাজনৈতিক উদ্দেশ্য জড়িত হ'লে সি দুষ্কৃতিও হ'ব পাৰে। কৃষ্টি জীয়াই থাকিবলৈ হ'লে সমন্বয়ৰ দিশত গতিশীল হ'ব লাগিব। সমন্বয়ৰ বান্ধোনে পৃথিবীত এক 'মানৱ কৃষ্টি'ৰ গঠন কৰিব লাগিব। ই কোনো ৰাজনৈতিক প্ৰক্ৰিয়া নহয়; ই সামাজিক প্ৰক্ৰিয়াহে। বিশ্বত মানৱতাৰ অস্তিত্ব নিৰ্ভৰ কৰিছে এই প্ৰক্ৰিয়াতহে।

(খ)

ৰাজনৈতিক সামাজিক আৰু শৈক্ষিক সুস্থিৰতাই এখন দেশৰ সামগ্ৰীক সুস্থিৰতাক বুজায়। তেনে এক পৰিবেশেহে দেশৰ কাম্য ও প্ৰগতিৰ উৎস। কিন্তু সাম্প্ৰতিক ভাৰতবৰ্ষত প্ৰতিফলিত হৈছে ইয়াৰ বিপৰীত প্ৰতিচ্ছবিহে। চৰম দুৰ্ভাগ্যজনক আৰু উদ্বেগৰ কথা যে ভাৰতবৰ্ষত আজি ব্যক্তিত্বৰ সংকট ঘটিছে আৰু দিনক দিনে এই সংকট গভীৰৰ পৰা গভীৰতৰ হৈ উঠিছে। উল্লেখ কৰাৰ নিষ্প্ৰয়োজন যে, ভাৰতীয় ৰাজনীতি, ভাৰতীয় সংস্কৃতি আদৰ্শৰ পৰা কক্ষচ্যুত হৈ ভ্ৰষ্টাচাৰ, মিথ্যাচাৰ নৈতিকতা-হীনতাত পৰিণত হৈছে। প্ৰবল ৰূপত মূৰ দাঙি উঠা বস্তুবাদী চিন্তাধাৰাই ৰাজনৈতিক নৈতিকতাৰ স্খলন ঘটাইছে। মানৱতাবোধৰো মৃত্যু ঘটাইছে। সামাজিক আৰু শৈক্ষিক জগতখনো এনে কু-প্ৰভাৱত পৰি কলুষিত হৈছে। শিক্ষাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত ব্যক্তিসকলৰ বহুতেই অনাচাৰ, অনীতিত লিপ্ত হৈ কলংক কঢ়িয়াই আনিছে। শিক্ষাই হ'ল এখন দেশৰ, এটা জাতিৰ মূল ভেটিস্বৰূপ। তেনেস্থলত শিক্ষাৰ লগত জড়িত ব্যক্তিসকল আদৰ্শভ্ৰষ্ট, নৈতিকতাহীন হ'বলৈ হ'লে ভৱিষ্যত বংশধৰ সকলে কোন বাটে বাট ল'ব তাৰ বহল ব্যাখ্যাৰ প্ৰয়োজন নাই।

অৱশ্যে এইক্ষেত্ৰত অতীত ভাৰত আছিল সুকীয়া। কেৱল ধৰ্মীয় জগতখনৰ কথা বাদেই, ৰাজনৈতিক, সামাজিক, শিক্ষা আদি সকলো ক্ষেত্ৰতেই নৈতিকতাই যিদৰে বিৰাজ কৰিছিল, ঠিক সেইদৰে আদৰ্শনীয় ব্যক্তিত্বৰ অধিকাৰী লোকৰ অভাৱ নাছিল। পণ্ডিত জৱাহৰলাল নেহেৰু, চৰ্দাৰ বল্লভভাই পেটেল, মৌলানা আবুল কালাম আজাদ, গোপীনাথ বৰদলৈ আদিকে ধৰি ৰাজনৈতিক দিশত গুৰি ধৰোতাসকলৰ ব্যক্তিত্বই জনসাধাৰণ তথা সমাজৰ ওপৰত গভীৰ চাপ বহুৱাব পাৰিছিল। শিক্ষাৰ জগতখনতো তেতিয়া সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ, ডঃ জাকিৰ হুচেইন, কৃষ্ণকান্ত সন্দিকৈৰ দৰে অসীম ব্যক্তিত্বৰ অধিকাৰী লোক সমাজৰ বাবে আদৰ্শৰ প্ৰতীক আছিল। কিন্তু অতিকৈ পৰিতাপৰ কথা যে আজিৰ সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলেই দুৰ্নীতিৰ কৰাল গ্ৰাসত। তেওঁলোকে এখন সুস্থ সমাজ গঢ়াৰ বিপৰীতে প্ৰাধান্য দিছে বস্তুবাদী চিন্তাধাৰাৰ প্ৰৱণতাক; আৰম্ভ হৈছে জাত-পাতৰ ৰাজনীতিৰে ক্ষমতা দখলৰ প্ৰচেষ্টা; আৰু তাৰেই ফলশ্ৰুতিত আত্মপ্ৰকাশ ঘটিছে ভাতৃঘাতী, বিচ্ছিন্নতাবাদী আন্দোলনৰ প্ৰবল জোৱাৰ। অযোধ্যা, পঞ্জাব, কাশ্মীৰ, অসম আদিক সূক্ষ্মভাৱে লক্ষ্য কৰিলেই দেখা যায় সেইয়া কিহৰ হুঙ্কাৰ।

সেয়েহে সাম্প্ৰতিক দেশৰ পৰিস্থিতিৰ ওপৰত গভীৰ চিন্তা-চৰ্চাৰ সময় সমাগত। আমাৰ বোধেৰে, নতুন পুৰুষৰ আগত জলন্ত লোকৰ জলন্ত আদৰ্শ দাঙি ধৰিব পৰাটোহে সকলোৰে কাম্য হোৱা উচিত। উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ বুলি যদি মানি লোৱা হয়, তেন্তে ৰাজনৈতিক, সামাজিক আৰু শৈক্ষিক দিশত জড়িত ব্যক্তিসকলে জীৱনত বাট বুলোতে পদ আৰু পদ-মৰ্য্যদাৰ কথা পাহৰি নগৈ অতি সাৱধানে খোজ দিয়াটো সমীচিন হ'ব, যাতে তেওঁলোকে নতুন পুৰুষৰ আগত নিজকে এজন আদৰ্শবান ব্যক্তি বুলি দাবী কৰিব পাৰে আৰু নতুন পুৰুষসকল তেওঁলোকৰ প্ৰতি আকৃষ্ট হ'ব পাৰে।


এইখিনিতে উল্লেখনীয় যে আজিৰ সমাজ তথা দেশ গঢ়াত আমাৰ যুৱ-সমাজৰো দায়িত্ব অপৰিসীম; আৰু তাৰ বাবে প্ৰয়োজন হৈ পৰিছে মুকলি মনৰ, মুকলি চিন্তাৰ। পুৰণি মতান্ধতা এৰি ব্যৱহাৰিক দিশত কাৰ্য্য পন্থা গ্ৰহণ কৰাটোহে সৰ্ব্বোকৃষ্ট উপায়। পণ্ডিত জৱাহৰলাল নেহেৰু, গোপীনাথ বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ প্ৰভৃতিৰ ত্যাগ আৰু আত্মোৎসৰ্গীৰ মনোভাৱেৰে অনুপ্ৰাণিত হৈ একোজন সু-নাগৰিক হ'বলৈ যত্নপৰ হ'ব লাগিব। কেৱল অনুভূতিৰ তাড়নাত নিমজ্জিত হৈ অথবা কাৰোবাৰ ৰচিত বাক্যকেই সত্য বুলি ভবাৰ দিন নাই। আজিৰ প্ৰতিজনে যুক্তি বিশ্লেষণেৰে এক স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰি অগ্ৰসৰ হ'লেহে এখন সুস্থ সৱল সমাজ গঢ়াত ফলপ্ৰসু হ'ব।

## ॥ সংকলনটি সম্পাদনা কৰোতে ॥

এখন শিক্ষানুষ্ঠানৰ বাৰ্ষিক প্ৰকাশিত মুখপত্ৰখন সেই কালছোৱাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক উত্তৰণৰ লগতে সামাজিক প্ৰতিচ্ছবিৰ জীৱন্ত দলিল। তেনে এক সংকলন সম্পাদনাত যথেষ্ট গভীৰ জ্ঞান, চিন্তা-চৰ্চাৰ প্ৰয়োজন যিটো আমাৰ ক্ষেত্ৰত অভাৱ। তথাপি আমাৰ তৰাং চিন্তাধাৰাই সংকলনটি সৰ্বাঙ্গসুন্দৰ কৰাত গাফিলতি কৰা নাই। অৱশ্যে এইক্ষেত্ৰত আৰ্থিক দিশটোৱেও কিছু নিৰাশ কৰিছে। মহাবিদ্যালয়ৰ নবীন লেখক-লেখিকাৰ হাতৰ পৰশত আলোচনীখন কিমান উচ্চ বা নিম্ন মানদণ্ডৰ হৈছে এইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

শেষত, আমাৰ সম্পাদনাত অনিচ্ছাকৃতভাৱে বৈ যোৱা অনেক ভুল ক্ৰুটিৰ বাবে কৰযোৰে মাৰ্জনা বিচাৰিলোঁ। আশা ৰাখিছোঁ মহাবিদ্যালয়ৰ ভৱিষ্যতৰ নবীনতম পুৰুষ হাতত 'সোণালী'ৰ উজ্জলতা দুগুণে চৰিব।

—মণিদ্বীপ মহন



## প্ৰবন্ধৰ শৰাই



আমি কেতিয়াবা উন্নাসিক হৈছোঁ— কেতিয়াবা হীনমন্যতাত ভুগিছোঁ— কেতিয়াবা অনুকম্পা বিচাৰিছোঁ বা আনলৈ বুলি অনুকম্পা বা পুতৌ নিক্ষেপ কৰিছোঁ— কেতিয়াবা অবৈজ্ঞানিক নেতিবাচক আবেগৰ দাস হৈছোঁ— কেতিয়াবা ক্ষমতালোভী শাসকৰ ৰাজনীতিৰ ক্ৰীড়নক হৈ বৈজ্ঞানিক প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা সম্বন্ধত প্ৰচণ্ড আঘাত কৰিছোঁ, নেতিবাচক উগ্ৰজাতীয়তাবাদক কোনোবাই সাবটিছোঁ, কোনোবাই সাহিত্যৰ বিশ্বজনীনতাক ঠেক ৰাজনীতিৰ মুখা পিন্ধাই সীমিত কৰিব খুজিছোঁ— এই আটাইবোৰ কামেই আমি কৰিছোঁ— মাথোঁ এটা কাম কৰা নাই, সেইটো হ'ল যুগজয়ী সাহিত্য সৃষ্টিৰ নিমিত্তে আজীৱন সাধনা কৰিবলৈ পাহৰি গৈছোঁ— কিম্বা এনে সাহিত্য সৃষ্টিৰ বাবে পৰিবেশ সৃষ্টি কৰিবলৈ দুঃখজনকভাৱে অপাৰগ হৈছোঁ॥

ডঃ ভূপেন হাজৰিকা

গতিকে ভগৱানৰ ওচৰত দাস্যভাৱে আত্মসমৰ্পনৰ বাহিৰে আন কোনো উপায় নাই। ভক্তকবিৰ অনুনয়সূচক এটি গীত হৈছে "মোৰ পতিত পাৱন প্ৰভু, হৰি হৰৱে বাপ, কিনো গতি হইল হামাৰে" ইত্যাদি।

গীতসমূহক মূল ভাৱ দাস্য তেওঁ সকলো প্ৰাৰ্থনা উপাসনাত বিষ্ণু কৃষ্ণৰ গুণ তথা নামৰ মহত্ব নিৰূপন আৰু নিজৰ দীনহীন ভাৱ প্ৰকাশ পাইছে। বিভিন্ন পদত আৰাধ্য দেৱৰ মাহাত্ম্য কীৰ্ত্তন কৰাৰ লগতে ভক্ত মাধৱে নিজৰ দৈন্য ভাৱবো বহলভাৱে বৰ্ণনা কৰিছে। দৈন্যভাৱ প্ৰকাশৰ কাৰণেই নিজকে দীন, পৰমপুৰুষ, দাস, অধম আদি বিশ্লেষণৰ প্ৰয়োগ কৰিছে।

বিনয় আৰু প্ৰাৰ্থনাসূচক গীতসমূহত ভক্ত মাধৱৰ মুখ্যকাম্য শ্ৰীকৃষ্ণৰ শৰণাগতি। মন জয় কৰিব পাৰিলেহে শৰণাগতি লাভ কৰিব পাৰি। সেইকাৰণে তেওঁ ভালেমান গীতত মনকে সম্বোধন কৰা পোৱা যায়। কাৰণ জীৱৰ বন্ধন মনৰ কাৰ্য্যৰ পৰাই হয়। এই মনক সংযত কৰি যদি হৰি সেৱাত লগাব নোৱাৰে তেনেহ'লে সংসাৰ বন্ধনৰ পৰা মানুহ মুক্ত হব নোৱাৰে। সেই কাৰণেই তেওঁৱ মনক বিভিন্ন প্ৰকাৰে বুজাব খুজিছে। বাৰে বাৰে বুজোৱা স্বত্বেও যেতিয়া কোনো প্ৰকাৰে প্ৰভাৱিত নোহোৱা দেখে, তেতিয়া তেওঁ ভাগৰি পৰি ভগৱানকে কিবা এটি উপায় কৰিবলৈ নিবেদন জনায়, আন সকলোবিলাক ত্যাগ কৰি একমাত্ৰ ভগৱানতে ভৰসা কৰে। বিনয়সূচক বৰগীত সমূহৰ আন এটা বৈশিষ্ট্য হ'ল যে তাত সংসাৰ আৰু সাংসাৰিক সম্বন্ধৰ মিথ্যাত্ব সম্পৰ্কে সৰলভাৱে আলোচনা কৰিছে। ইয়াক অবিদ্যা মায়াৰ নানান ৰূপ বুলি ঘোষিত কৰি কবিয়ে তেনেবোৰৰ পৰা সদায় দূৰত থকা উপদেশ দিছে। তেওঁ ভাৱে বিষয় সুখ সকলো জীৱই লাভ কৰে, কিন্তু মানৱ জন্মৰ সাৰ্থকতা হৰিৰ চৰণ সেৱাতহে লাভ হয়। এই গীতবিলাকৰ পৰা অনুমান কৰিব পাৰি যে মাধৱদেৱৰ দাস্য ভক্তিৰ পূৰ্ণ পৰিপাক হৈছে, এই বৰগীতবোৰত তেওঁৰ আত্ম নিবেদনাত্মক ভক্তিৰ মৰ্মস্পৰ্শী ৰূপ প্ৰকাশ পাইছে।

মাধৱদেৱৰ বৰগীতৰ দ্বিতীয় বিশেষত্ব হ'ল শ্ৰীকৃষ্ণৰ সৌন্দৰ্য্য বৰ্ণনা শ্ৰীকৃষ্ণৰ দুটা ৰূপ দেখিবলৈ পোৱা যায় — পাৰ্থিৱ আৰু আধ্যাত্মিক, কিন্তু এই দুয়োটা ৰূপে এনে ওতঃপ্ৰোত ভাৱে জড়িত যে এটাক বাদ দি আনটোৰ অস্তিত্ব উপলব্ধি কৰিব নোৱাৰি। কিন্তু মাধৱদেৱে যিমান কৃষ্ণৰ বৰ্ণনা কৰিছে তাতোকৈ তেওঁৰ লীলা মালাহে অধিক বৰ্ণনা কৰিছে। কৃষ্ণৰ ৰূপৰ বৰ্ণনা বিভিন্ন উপমাৰে বৰ্ণনা কৰিছে। তেওঁ বৰ্ণনা কৰা প্ৰায়বোৰ উপমা পৰম্পৰামূলক। কিন্তু কবিয়ে যেতিয়া কৃষ্ণৰ স্থিৰ আৰু গতিশীল ছৱিক একান্ত বৰ্ণনা কৰিছে তেতিয়াই তেওঁ দৰ্শকক বিস্ময়াবিভূত গতিহীন আৰু কিংকৰ্ত্তব্য বিমূঢ় কৰি তোলে। কৃষ্ণৰ সৌন্দৰ্য্য দৰ্শনৰ লগে লগে দৰ্শকৰ মন আনন্দাপ্লুত হৈ উঠে আৰু শৰীৰ সমাধিস্থ হৈ পৰে। দৰ্শকৰ মনৰ বিভিন্ন প্ৰতিক্ৰিয়াবোৰ বিভিন্ন গোপী মাধ্যমেদি ব্যক্ত কৰিবলৈ সমৰ্থ হৈছে। নাৰীসকলৰ মাধ্যমেদি এই প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ উদ্দেশ্য হ'ল যে পুৰুষসকলৰ মইমতীয়া ভাৱ থকা কাৰণে তেওঁলোক কৃষ্ণৰ ৰূপ-মাধুৰীত নিমজ্জিত হব নোৱাৰে। দৰাচলতে ভক্তিত নাৰীভাৱ নিহিত হৈ আছে যাৰ বৈশিষ্ট্য হৈছে সমৰ্পনতা, নিহঙ্কাৰিতা আৰু প্ৰতিদান শূন্যতা। গতিকে তাত্বিক দৃষ্টিৰে চালে মাধৱদেৱৰ বৰগীতত বৰ্ণিত গোপীসকল কেৱল ভা[illegible] নাৰীহে। শৰীৰ নাৰী নহয়। এই কাৰণে এ[illegible] বৰগীতবোৰত গোপীসকলৰ উক্তিবোৰ আসক্তজনিত নহয় বৰং সেইবোৰত শুদ্ধ আৰু যান্ত্ৰিক উল্লাস দেখিবলৈ পো[illegible] যায়। তাত লৌকিক ৰূপৰ অলৌকিক বৰ্ণনা আ[illegible] যাৰ উদ্দেশ্য মনক সংশয়গ্ৰস্থ কৰা নহয়, মুক্ত কৰাহে ভক্ত[illegible] বাবে শ্ৰীকৃষ্ণৰ আৰু তেওঁৰ প্ৰত্যেকটি লীলা সৌন্দৰ্য[illegible] আকৰ।

মাধৱদেৱৰ বৰগীতৰ তৃতীয় বৈশিষ্ট্য হ'ল কৃষ্ণলী[illegible] আৰাধ্যদেৱৰ নাম, ৰূপলীলা কীৰ্ত্তন স্মৰণ বৈষ্ণৱ ভ[illegible] প্ৰিয় বিষয়। লীলা বিষয়ক গীতৰ ভিতৰত চলন না[illegible] খেলন, জাগন বন্ধন, ভোজন ইত্যাদি। কৃষ্ণই গোৱাল[illegible] লগত মুখত মধুৰ হাঁহি বিৰিঙাই নাচিছে। গোপীস[illegible] লাজত চেনি দি মৰম কৰিছে। বৃন্দাবনত গোপবা[illegible] সকলৰ লগত গৰু চৰিছে। বিভিন্ন খেল ধেমালি কৰি[illegible] বাঁহী বজাই বাঁহীৰ সুৰেৰে গৰুবোৰক মাতি আনি[illegible] বৃন্দাবনলৈ যাওঁতে দুপৰীয়া মাজৰ যোগাৰ ক্ষীৰ [illegible]





[illegible]দে ভাত লৈ গৈছে আৰু সকলোৱে মিলি আহাৰ খাইছে। [illegible]নৰ মাজত গৰখীয়াবোৰৰ লগত যদিও শ্ৰীকৃষ্ণই এনেকৈ ভোজন কৰে তথাপি তেওঁ সাধাৰণ শিশু নহয়; তেওঁ [illegible]হেশ্বৰ। ইয়াৰ নিৰ্দেশ মাধৱদেৱে বৰগীতত দিছে, মাধৱদেৱৰ লীলাবোৰৰ বৰ্ণনা শ্ৰীকৃষ্ণৰ জন্মৰ সময়ৰ পৰাই আৰম্ভ কৰিছে। তেওঁৰ স্পষ্ট মত হ'ল যে শুদ্ধ পৰম [illegible]হ্মাইহে "ত্ৰিভুৱন তাৰণ হেতু" গোপ বালক ৰূপধাৰণ কৰিছে। জগত-জন তাৰণৰ বাবেই তেওঁ এই অৱতাৰ [illegible]লৈছে।

কৃষ্ণ লীলা বৰ্ণনাত মাধৱদেৱে কৃষ্ণৰ কৈশোৰ লীলাতকৈ বাল্য লীলাৰ বৰ্ণনা বেছি কৰিছে। মাধৱদেৱৰ বালক কৃষ্ণ আৰু মাতৃ যশোদাৰ মাজত সকলো প্ৰকাৰৰ বিশেষত্ব দেখিবলৈ পোৱা যায় যাৰ কাৰণে বালক বালক হৈয়ে থাকে আৰু মাক মহিমাময়ী হৈ পৰে। কবিয়ে বালক কৃষ্ণৰ কেৱল বাহ্যিক ৰূপৰ বৰ্ণনাই কৰা নাই বৰং তেওঁৰ আভ্যন্তৰিক বুদ্ধি-চাতুৰী আৰু বাক্-পটুতাৰো বৰ্ণনা কৰিছে। বাৎসল্য ভাৱৰ সূক্ষ্মাতিসূক্ষ্ম প্ৰচেষ্টাবোৰ। খেলা-ধূলাৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ বৰ্ণনা কৰাত মাধৱদেৱে যথেষ্ট সফলতা লাভ কৰিছে।

মাধৱদেৱৰ বৰগীতৰ আন এটা বিশেষত্ব হ'ল এই বোৰ সঙ্গীতময়। সকলো বিলাক বৰগীত ৰাগবদ্ধ বৰগীতবোৰৰ আৰম্ভণীতে তাৰ ৰাগবোৰ উল্লেখ আছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মাধৱদেৱ কেৱল কীৰ্ত্তনকাৰ আৰু কবিয়ে নাছিল বৰং এজন সঙ্গীতজ্ঞও আছিল। বৰগীতবোৰত সঙ্গীতৰ সংযোগে তেওঁৰ কাব্যক অধিক আকৰ্ষণীয় কৰি তুলিছে। শঙ্কৰদেৱে বৰগীতৰ ৰচনা যি ব্ৰজাৱলী ভাষাত কৰিছে সেই ব্ৰজাৱলী ভাষা মাধৱদেৱেও কৰিছে। কিন্তু মাধৱদেৱে সকলোবিলাক বৰগীত ব্ৰজাৱলীত ৰচনা কৰা নাই। ব্ৰজাৱলীতকৈ অসমীয়াৰ প্ৰভাৱ বেছি। অলঙ্কাৰৰ ক্ষেত্ৰত তেওঁ উপমা আৰু ৰূপক অলঙ্কাৰ ব্যৱহাৰ কৰিছে।

সামৰণিত ইয়াকে কব পাৰি যে বৰ্ণ্য-বিষয়, ভাৱ ভাষা, শৈলী ভক্তিৰ উদাত্ত মনোভূমিৰ প্ৰকাশ, আধ্যাত্মিকতাৰ উদযোৱণি আদিৰ দৃষ্টিৰে মাধৱদেৱৰ বৰগীত অসমীয়া সাহিত্যৰ এক অনন্য সম্পদ। মাধৱদেৱৰ বৰগীত সমূহ হিন্দী সাহিত্যৰ ভক্ত শিৰোমণি কবি সুৰদাসৰ ভজন সমূহৰ সৈতে একে সন্মানীয় উচ্চাসনৰ অধিকাৰী।

# দক্ষিণ ভাৰতত এভূমুকি

শ্ৰীৰঞ্জ কমল মহন
স্নাতক ৩য় বাৰ্ষিক অৰ্থনীতি বিভাগ

নতুনক দেখাৰ, নোপোৱাক পোৱাৰ, নজনাক জনাৰ দুৰ্বাৰ হাবিয়াস প্ৰতিজন মানুহৰ অন্তৰত জন্ম লোৱাতো এটা চিৰন্তন সত্য। সেয়েহে হবলা এই সত্যক উপলব্ধি কৰি মানৱ জাতিৰ সভ্যতাৰ পাতনিৰে পৰা যুগে যুগে মানুহে নানা ঠাই ভ্ৰমণ কৰি নতুন নতুন সভ্যতা সংস্কৃতিৰ সৈতে চিনাকি হৈ সমন্বয় আৰু মিলা-প্ৰীতি গঢ়ি তুলিছে। বিভিন্ন ঠাই আৰু দেশৰ বিভিন্ন জাতিৰ সংস্কৃতি সদায়ে স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ। ভিন ভিন ঠাইৰ সামাজিক ৰীতি-নীতি, প্ৰাকৃতিক পৰিবেশ আৰু ঐতিহাসিক ঘটনাৱলী স্বচক্ষুৰে চাই প্ৰত্যক্ষ অভিজ্ঞতাৰে জ্ঞানৰ ভঁৰাল চহকী কৰিব পাৰি। বিশেষকৈ ছাত্ৰ অৱস্থাত পাঠ্যপুথিৰ জ্ঞানৰ উপৰিও শিক্ষামূলক ভ্ৰমণৰ যোগেদি এনে প্ৰত্যক্ষ জ্ঞান আহৰণ কৰাটো উচিত।

কিছুদিনৰ আগতে যোৱা অক্টোবৰ মাহত এক মহান উদ্দেশ্য লৈ মহাবিদ্যালয়ৰ পৰা আমি একত্ৰিছ জনীয়া এটি দলে বিদেশলৈ নহলেও দেশৰ ভিতৰতে কলিকতা মহানগৰী আৰু দক্ষিণ ভাৰত চাবলৈ ওলালো। আমাৰ লগত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, বিমলা ফুকন চাৰ, সোণমাই বড়া বাইদেউ, দিলীপ ৰঞ্জন বৰুৱা চাৰ অভিভাৱক হিচাবে আছিল। অসমৰ সাম্প্ৰতিক অনিশ্চিত ৰাজনৈতিক বাতাবৰণত আমাৰ ভ্ৰমণ কাৰ্যকৰী কৰিব লগাত মনত কিছু দ্বিধাবোধৰ উদ্বেগ হৈছিল। কিন্তু নিৰ্দিষ্ট ঠাইসমূহত অৱতৰণ কৰিয়েই সেই দ্বিধাৰ সামান্যতম ভাৱো আমাৰ মনত নাথাকিল। তেতিয়া মাথোন নতুন ঠাইখন দেখাৰ স্বাভাৱিক উত্তেজনাইহে আমাৰ মন পুলকিত কৰিছিল।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, বিষয়-ববীয়া আৰু আমাৰ অভিভাৱক সকলে ১৮ অক্টোবৰৰ আবেলি ৫-১৫ বজাত ভ্ৰমণ শুভ হোৱাৰ কামনাৰে শুভেচ্ছা জনাই বিদায় দিয়াত আমাৰ যাত্ৰা আৰম্ভ হয়। সোণাৰিৰ পৰা নৈশ বাছেৰে শিমলুগুৰি জংচনলৈ। নিৰ্দিষ্ট সময়মতে ৭-৪৫ বজাত শিমলুগুৰিৰ পৰা ৰেলেৰে আমাৰ যাত্ৰা আৰম্ভ হয় যদিও ডিফুৰ ওচৰত ৰেলৰে পথত হোৱা বোমা বিস্ফোৰণৰ বাবে মৰিয়নি জংচনত প্ৰায় ১০ ঘণ্টা সময় অতিবাহিত কৰিব লগা হয়। অন্যহাতেদি সেই সময়ত নামনি অসমত হৈ থকা প্ৰৱল বানপানী আৰু ১৯ অক্টোবৰৰ ক.বি আংলং বন্ধৰ প্ৰভাৱে বাৰুকৈয়ে ৰেলৰ যাত্ৰাত ব্যাঘাত জন্মালে। তাৰ ফলতেই কাৰ্য্যসূচী অনুসৰি ১৯ অক্টোবৰৰ পৰিবৰ্ত্তে ২০ অক্টোবৰ তাৰিখেহে গুৱাহাটী জংচন পালোগৈ। গুৱাহাটীত দিনটো জিৰণি লৈ সন্ধিয়া ৮-৪৫ বজাৰ কলিকতা অভিমুখী ৰেলত পুণৰ যাত্ৰা কৰিলো। এক দীঘলীয়া যাত্ৰাৰ শেষত সম্পূৰ্ণ ২৪ ঘণ্টাৰ মূৰত ২১ অক্টোবৰ সন্ধিয়া ৮ ৪৫ বজাত হাওড়া জংচনত উপস্থিত হ'লোগৈ। ওচৰৰে এখন হোটেলত থকা মেলাৰ ব্যৱস্থা কৰি নিশাটো কটোৱাৰ পিছত পিছদিনাখন ৰাতিপুৱাই চাবলগীয়া ঠাইবিলাক চাবলৈ ওলালো।

কলিকতা ভাৰতৰ এখন ব্যস্ততাপূৰ্ণ জনবহুল মহানগৰ। ব্যৱসায় বাণিজ্যৰ কেন্দ্ৰস্থল। ইয়াত হিন্দী ভাষাতেই সকলো ক্ষেত্ৰত মত বিনিময় কৰিব পাৰি আমাৰ অসমতকৈ প্ৰায় বিলাক সামগ্ৰী যথেষ্ট কম দামত পোৱা যায়। মহানগৰীত স্থানীয় ৰেল আৰু বাচ যাতায়ত কিছু সস্তা। কলিকতাত আমাৰ ইয়াত নচলা দুইমহলীয়া বাচো চলে। মূল পথৰ উপৰিও বাকী পথবিলাকে আহল-বহল আৰু শাৰী শাৰী গাড়ী মটৰ এক নিয়ন্ত্ৰিত গতিৰে অহৰহ চলি থাকে। চহৰখনৰ মাজে মাজে যথেষ্ট পৰিমাণে অপৰিস্কাৰ দেখা গৈছিল। খোৱা- বোৱা আমাৰ অসমৰ লগত প্ৰায়ে একে। অৱশ্যে একাপ সাধাৰণ চাহৰ দাম দুটকা। ইয়াৰ পানী লোণযুক্ত। ইয়াৰ হাওড়া দলং, মেট্ৰো ৰেল, ইডেন গাৰ্ডেন, ভিক্টোৰিয়া মেমৰিয়েল হল আৰু যাদুঘৰ আদি চাবলগীয়া। ভাৰত তথা বিভিন্ন দেশৰ আচৰিত ধৰণৰ বস্তু সংগ্ৰহ কৰি ৰখা কলিকতাৰ নেচনেল মিউজিয়াম পৃথিবীৰ এটা অন্যতম যাদুঘৰ। আমাৰ দীঘলীয়া কাৰ্য্যসূচী থকাৰ কাৰণে ২২ অক্টোবৰৰ সন্ধিয়াই কলিকতাৰ পৰা মাদ্ৰাজ অভিমুখী ৰেলত পুণৰ যাত্ৰা আৰম্ভ কৰিলো। কলিকতাৰ পৰা মাদ্ৰাজলৈ উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশ পাৰ হৈ যাব লাগে। উৰিষ্যাত ধানখেতি ...ৰ ভাল নহয় যেন লাগিল। অন্যহাতে আকৌ অন্ধ্ৰপ্ৰদেশৰ ধানখেতি আমাৰ অসমতকৈয়ো উন্নত দেখা গ'ল। তদুপৰি পথাৰ সদৃশ চিৰ সেউজীয়া কলৰ বাৰীবিলাকৰ দৃশ্যৰাজি চাই চাই মনত অন্ধ্ৰপ্ৰদেশ কৃষিৰ ক্ষেত্ৰত থকা আত্মনিৰ্ভৰশীলতাৰ অকণো সন্দেহ নাথাকিল।

একেৰাহে ৰেলত ভ্ৰমণ কৰাতো আমনিদায়ক আছিল যদিও প্ৰাকৃতিক শ্যামলিমা সৌন্দৰ্য্য উপভোগ কৰি ২৪ অক্টোবৰত মাদ্ৰাজ জংচনত পদাৰ্পণ কৰিলো। মাদ্ৰাজ, সাগৰৰ উপকূলত গঢ়ি উঠা ভাৰতৰ এখন প্ৰধান মহানগৰ। ই বৰ্ত্তমান তামিলনাডুৰ ৰাজধানী। ইয়াৰ হোটেল আৰু দুই-এখন বজাৰত ঘূৰি দেখা গ'ল যে সকলোৰে মাদ্ৰাজী ভাষাত কথা-বতৰা পাতে। ইয়াৰ পৰা বুজা গ'ল যে তেওঁলোকে আঞ্চলিক ভাষাক গুৰুত্ব দিব খোজে। আমাৰ অসুবিধা হৈছিল যদিও বাহিৰৰ পৰা যোৱা বাবে হিন্দী আৰু ইংৰাজী ক'লেও বুজি পাইছিল। বয়-বস্তুৰ দাম কিছু বেছি যেন অনুভৱ হৈছিল। অৱশ্যে প্ৰায় দোকানতে নিৰ্দিষ্ট দাম কৈছিল। হোটেলত আমাওতে আমি অসমৰ পৰা অহা বুলি গম পাই দুই-এজনে অসমৰ উগ্ৰপন্থীৰ কথা বিশেষকৈ আলফাৰ বিষয়ে সুধিছিল। আমাৰ ৰাজ্যৰ বৰ্ত্তমান পৰিস্থিতি কিবা কেও জানিব বিচাৰিছিল। কথোপকথনৰ পৰা ধাৰণা হৈছিল যে তেওঁলোকে অসমখন উগ্ৰপন্থীৰ ৰাজ্য বুলিয়েই ভাবি লৈছিল। প্ৰাকৃতিক আৰু ভৌগলিক পৰিবেশৰ লগত বিভিন্ন ঠাইৰ মানুহৰ খাদ্যাভ্যাস ৰুচি আদি বিভিন্ন। মাদ্ৰাজৰ হোটেলবিলাকৰ খাদ্য বৰ সুস্বাদু আছিল যদিও মছলা বেছি দিয়া বাবে আমাৰ কাৰণে গ্ৰহণযোগ্য নহ'ল। মাছ মাংস যথেষ্ট উভৈনদী, কিন্তু এদিনীয়াকৈ সাগৰীয় মাছ খাব নোৱাৰি। আমাৰ দুই-এজনৰ হজমেই নহ'ল। কিন্তু ইয়াৰ মানুহবিলাকৰ বাবে মাছ বৰ প্ৰিয় খাদ্য। মাদ্ৰাজত চাবলগীয়া বহুতো বস্তু আৰু ঠাই আছিল যদিও সময়ৰ অভাৱত সেইয়া চাব পৰা নহ'ল। পৰ্যটকৰ আকৰ্ষণীয় উপকূল অঞ্চলত গঢ়ি উঠা মহাৱলীপুৰম্ গ্লোল্ডেং বীচ্চ, মেৰিনা বীচ্চ আৰু গান্ধী বীচ্চত সাগৰৰ মনোৰম দৃশ্যৰাজি হেপাহ পলোৱাই উপভোগ কৰিব পাৰি। ভ্ৰমণত আমি বহু ঠাই দেখিবলৈ পালেও সাগৰৰ দৃশ্য চাই পোৱা আনন্দ আগতে পোৱা নাছিলো। সাগৰ দেখাৰ আনন্দ কি নেদেখাজনক বুজাই কব নোৱাৰি। নীলা জলৰাশিয়ে যেন আকাশখন চুই আছে। বিশাল সমুদ্ৰৰ পৰা এটাৰ পিছত এটাকৈ উঠি অহা ঢৌবোৰলৈ চালে দৃষ্টি ঘূৰাই আনিব নোৱাৰি। ঢৌবোৰৰ ভীষণ গৰ্জন শুনি ভয় লাগে অথচ মধুৰ কল্লোল জাগি উঠে। সাগৰৰ পাৰত ৰৈ থাকিব নোৱাৰি মানুহবিলাক নামি যায় আৰু আমিও পানীত নামি অনাৱিল আনন্দত আত্মহাৰা হওতে কৱিৰ এফাঁকি কবিতালৈ মনত পৰিছিল।

অফুৰন্ত আনন্দৰ উৰ্মিমালা গাঁথি
ৰবি কৰে জলমল ৰূপলীলা পাতি—
দীনহীন সেৱকক দিছা সমিধান
হে অনন্ত সিন্ধু ! ই যে অপাৰ্থিৱ দান।

সাগৰৰ এই দৃশ্যৰাজি অধিক আকৰ্ষণীয় কৰি তুলিছে বীচ্চসমূহত গঢ়ি উঠা মঠ-মন্দিৰত বিভিন্ন কাৰু-কাৰ্যৰ শিল্প ক'লাই। গ্লোল্ডেং বীচ্চৰ কাৰু-কাৰ্য চালে চকুৰোৱা। ইয়াত এখনি মিনি চিৰিয়াখানা আৰু কেইবাখনো পাৰ্ক আছে। তদুপৰি ইয়াৰ আন্না মেমৰিয়েল, ৰ'কাৰচ ষ্টেটিউ, মিউনিচিপাল অফিচ দৰ্শন কৰি পাৰ্যমানে আনন্দ উপভোগ কৰিলো। এনেদৰে দিনটো কটাই সন্ধিয়া বাঙ্গালোৰলৈ যোৱা ৰেলত উঠি ২৬ অক্টোবৰ পুৱা ৫ বাজি ৩০ মিনিটত সৌন্দৰ্যশালী বিতোপন নগৰ বাঙ্গালোৰত প্ৰৱেশ কৰিলো।

বাঙ্গালোৰ সজাই পৰাই তোলা ভাৰতৰ এখন চাবলগীয়া নগৰ। ইয়াৰ বাট-পথ অত্যন্ত পৰিষ্কাৰ আৰু

 সোণালী



নগৰখনো পৰিপাটীকৈ সজোৱা । শাবলৈ বৰ ধুনীয়া লাগে । ইয়াৰ লালবাৰ্গ গাৰ্ডেনৰ বিভিন্ন বাগিছাৰ বিশেষকৈ গোলাপৰ বাগিছাৰ ৰঙা, বগা, নীলা ফুলবোৰে সকলোকে বিমোহিত কৰি আদৰ সম্ভাষণ জনায় । সম্পূৰ্ণ গ্লাছেৰে নিৰ্মিত গ্লাছহাউচ চাবলগীয়া । এই বাগিছাতে মাটিৰ লগত সংযোজিত এটা ঘড়ী আছে । বৃন্দাবন গাৰ্ডেন সবাতোকৈ ধুনীয়াই নহয় প্ৰাকৃতিক আৰু কৃত্ৰিমভাৱে সজাই তোলা এখন স্বৰ্গৰাজ্যহে । অৱশ্যে ওচৰৰ পৰা দৰ্শন কৰাৰ সামৰ্থ্য আমাৰ নহ'ল । এইবিলাক বাগিছাত দেশী-বিদেশী অসংখ্য পৰ্যটক অনবৰত থাকেই । বাঙ্গালোৰৰ পৰা টিপু চুলতানৰ ৰাজধানী চিৰঙ্গপটনম (বৰ্তমানৰ বুৰঞ্জী প্ৰসিদ্ধ স্মৃতিচিহ্নৰে ভৰপুৰ মহীশূৰ) মাত্ৰ ৮০ কিলোমিটাৰ দূৰত্বত । আমি টৰিষ্ট বাচেৰে মহীশূৰ চাবলৈ ওলালো । চকুৰে নমনালৈকে হুয়োকাষৰ প্ৰাকৃতিক দৃশ্যৰে ভৰপুৰ সেউজ ঘাঁহনি আৰু সৰু সৰু পাহাৰ-মালাত দৃষ্টি পেলাই মহীশূৰ পালোগৈ । আমাৰ লগত যোৱা গাইডজনৰ ভাষণ আৰম্ভ হোৱাৰ লগে লগে আমাৰ মনবিলাক কৌতুহলেৰে ভৰি পৰে । মহীশূৰত টিপু চুলতানে ১৭৮২ খ্ৰীঃত ১৭ বছৰ ৰাজত্ব কৰিছিল । ইয়াৰ নিৰ্মিত মঠ মন্দিৰ, ৰাজপ্ৰাসাদ আদি কীৰ্তিচিহ্নসমূহে ইয়াৰ স্বাক্ষৰ বহন কৰি আছে । আমাৰ পাঠ্যপুথি অধ্যয়ন কৰি টিপু চুলতানৰ বিষয়ে যি ধাৰণা আছিল, তাত গৈ নিজ চকুৰে তেওঁৰ কাৰুকাৰ্য্য দেখাৰ পিছত ধাৰণা হৈছিল যে আমাৰ অসমত আহোম সকলৰ ৬০০ বছৰ ৰাজত্বৰ লগত তুলনাই কৰিব নোৱাৰি । মাত্ৰ কেইটামান বছৰতে টিপু চুলতানে ভাৰত বুৰঞ্জীত চিৰস্মৰণীয় নাম ৰাখি থৈ গৈছে । তদুপৰি খোদিত কৰা চিত্ৰকলা, শিল্পীৰ কাৰুকাৰ্যই যুগ যুগ ধৰি সোঁৱৰাই থাকিব । এই স্মৃতিচিহ্নৰ অকৃত্ৰিম সৌন্দৰ্যই বিদেশী পৰ্যটকক অধিক আকৰ্ষণ কৰিছে । ৰাজপ্ৰাসাদ আৰু মন্দিৰসমূহৰ ভিতৰত জগমোহন ৰাজপ্ৰাসাদ, মহাৰাজাৰ ৰাজপ্ৰাসাদ, ফিল মেনাৰ চাৰ্চ, ললিতামহল ৰাজপ্ৰাসাদ, চামোন্দেশ্বৰী গৰ্ডেচ, পাহাৰৰ পাদদেশত অৱস্থিত চামোন্দেশ্বৰী মন্দিৰে সকলোতকৈ বেছি আকৰ্ষণ কৰে । মহাৰাজা ৰাজপ্ৰাসাদৰ ভিতৰখনৰ স্থাপত্যশিল্পৰ শ্ৰেষ্ঠ নিদৰ্শন পোৱা যায় । ইয়াৰ অপূৰ্ব কাৰুকাৰ্যই চকুত চাট মাৰি ধৰে । ভিতৰত টিপু চুলতানে পৰিধান কৰা সোণেৰে খটোৱা চোলা-পায়জামা আৰু তৰোৱালখন এতিয়াও সযত্নে ৰাখিছে । তেওঁ ৰাজধানী চিৰঙ্গপটনম ৰক্ষা কৰিবলৈ গৈ ইংৰাজৰ লগত হোৱা চতুৰ্থ মহীশূৰৰ যুদ্ধত ১৭৯৯ খ্ৰীঃত বীৰৰ দৰে মৃত্যুবৰণ কৰে । তেওঁক নিৰ্মমভাৱে হত্যা কৰা এই ঠাইখন সংৰক্ষণ কৰি ৰাখিছে । এই স্থানে পৰিদৰ্শন কৰিলে টিপুৰ সাহসৰ আৰু ভাৰতীয়সকলৰ মাতৃভূমিৰ প্ৰতি থকা শ্ৰদ্ধাৰ প্ৰতি সজাগ কৰি তোলে । চাৰিওফালে সৰু সৰু পাহাৰমালাৰে আৱৰি থকা মাজত আলফুলে আশ্ৰ[illegible] লোৱা মহীশূৰ । ইয়াৰ প্ৰাকৃতিক দৃশ্যৰাজিও বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি । সেয়ে প্ৰকৃতিপ্ৰেমী পৰ্যটকৰ বাবে এই মহীশূৰে অনন্য প্ৰশান্তিৰ স্থল হিচাবে পৰিগণি[illegible] হৈ আহিছে । ইয়াত চন্দন গছ সৰ্বাধিক । আমাৰ বহুতে চন্দন কাঠৰ টুকুৰা যথেষ্ট দাম দি সংগ্ৰহ কৰিলে ।

মনে নামানিলেও সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি[illegible] ২৭ অক্টোবৰৰ বিয়লি বাঙ্গালোৰ জংচনৰ পৰা গোৱা[illegible] অভিমুখে ৰাওনা হ'লো । এই যাত্ৰাত কেইবাটাও আকৰ্ষণী[illegible] দৃশ্যই আমাৰ মন ব্যাকুল কৰিছিল । ১৬ টা গুহাঁ অতিক্ৰ[illegible] কৰি আমাৰ কল্পনাতীত আনন্দই উপচি পৰিছিল । আমাৰ ৰেলগাড়ীখন প্ৰায় পাহাৰৰ ওপৰেৰে চলিছিল তললৈ চালে অনুপম প্ৰাকৃতিক দৃশ্যৰাজি অথচ অ[illegible] ভয়লগা । পাহাৰৰ পৰা জিৰ্ জিৰ্ শব্দ কৰি ওলো[illegible] কেইবাটাও জলপ্ৰপাতৰ দৃশ্যই আমাৰ মনত আনন্দ[illegible] পাৰ ভাঙি পেলাইছিল । প্ৰকৃতিৰ কি অপূৰ্ব সৃষ্টি[illegible] বিশেষকৈ গাখীৰৰ সাগৰ ( Doot Sagar ) নামৰ জ[illegible] প্ৰপাতটি কোনেও পাহৰিব নোৱাৰে । এই জলপ্ৰপা[illegible] দূৰৰ পৰা গাখীৰৰ দৰে বগা দেখি । এই দৃশ্যবিল[illegible] উপভোগ কৰি থাকিলে খোৱা-বোৱাৰ কথা পাহৰি থাকি[illegible] পাৰি । অৱশ্যে ৰেলত পেকেট লান্স, চাহ আদি বিচাৰি[illegible] পোৱা গৈছিল । আমি সকলোৱে প্ৰকৃতিৰ এই বিনন্দ[illegible] দৃশ্যৰাজি চাই আত্মহাৰা হৈ থাকোতে গোৱাৰ ভা[illegible] ডা গামা জংচনত ওলালোগৈ ।

গোৱা, মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ মাজত আ[illegible] সাগৰে চুই থকা উপকূল অঞ্চলক লৈ গঢ়ি উঠা এ[illegible] [illegible]ৰাজ্য । তাত নামিয়েই অনুভৱ হৈছিল এসময়ৰ পৰ্টু-গীজসকলৰ ঔপনিবেশীক । ৰাজধানী পানাজী আৰু নগৰ-সমূহত আজিও পৰ্টুগীজৰ প্ৰভাৱ বিৰাজমান । দোকান-পোহাৰৰ নাম ফলকবোৰ পৰ্টুগীজ ভাষাত লিখা আৰু ৰঙামাটিৰ টাইলছ ব্যৱহাৰ কৰা ছুমহলীয়া ঘৰবোৰৰ বেছিভাগেই পৰ্টুগীজৰ দিনৰ । এই ৰাজ্যখন ভাৰতৰ অধীনলৈ অহা বেছি বছৰ হোৱা নাই । গোৱাৰ প্ৰধান গুৰুত্বপূৰ্ণ ব্যৱসায় হ'ল পৰ্যটক ব্যৱস্থা, মাছ আৰু নাৰিকলৰ খেতি । তদুপৰি মেঙ্গানিজ যথেষ্ট পৰিমাণে উৎপাদন কৰে । পৰ্যটকৰ মূল আৰ্কষণ হ'ল উপকূল অঞ্চলৰ সোণালী আৰব সাগৰীয় বীচ্চসমূহ । পশ্চিমীয়া দেশসমূহৰ ভিতৰত বৃটেইন, ইটালী, ফ্ৰান্স, আৰু আমেৰিকাৰ পৰা অহা ৰঙা বগা মানুহবোৰে গোৱালৈ আহিয়েই এই বীচ্চসমূহলৈ ঢাপলি মেলে । আমিও দক্ষিণৰ বীচ্চসমূহলৈ আনন্দৰ নিজৰা বোৱাই টৰিষ্ট বাচেৰে আগবাঢ়িলো । এই বীচ্চসমূহলৈ গ'লে ছুই-এঠাইত জাহাজেৰে পাৰ হব লাগে । এবাৰ আমিও বাছখনেৰে সৈতে জাহাজত পাৰ হ'লো । গোৱাৰ প্ৰধান বীচ্চসমূহৰ ভিতৰত ভাগাত'ৰ বীচ্চ, আনজুনা বীচ্চ, কালাঙ্গোটে বীচ্চ, ক'লভা বীচ্চ, মীৰামৰা বীচ্চ উল্লেখযোগ্য । ভাগাতৰ আৰু আনজুনা বীচ্চ ৰাজধানী পানাজীৰ পৰা ৩৫ কিলো-মিটাৰ উত্তৰে অৱস্থিত । অৰ্থাৎ মাপুছা চহৰৰ কাষত । এই মাপুছা চহৰৰ এখন হোটেলত বম্বে পুলিছে বিখ্যাত অপৰাধী চাৰ্লছ শোভৰাজক কৰায়ত্ত কৰিছিল । আমাৰ গাইডজনে শোভৰাজ ধৰা পৰা এই হোটেলখন দেখুৱাইছিল । ভাস্কো-ডা-গামাৰ পৰা বীচ্চসমূহলৈ যাবলৈ টেক্সি, বাছ আৰু ভাড়াত দিয়া মটৰ চাইকেলো পোৱা যায় । বীচ্চসমূহক কেন্দ্ৰ কৰিয়েই অঞ্চলসমূহত ব্যৱসায় গঢ়ি উঠিছে । বীচ্চসমূহৰ কাষত থকা লোৱাৰ সু-ব্যৱস্থা আছে । আনজুনা আৰু ভাগাতৰ কাষত থকা তাজ হলিডে ভিলেজ, [illegible]নিয়া ৰ'জিয়া ৰেছ'ট, তাজ হলিডে ৰেছ'ট আদি হোটেল [illegible] আড়ম্বৰপূৰ্ণ । তদুপৰি সস্তীয়া হোটেলো পোৱা যায় । কালাঙ্গোটে বীচ্চৰ সৌন্দৰ্য অতুলনীয় । ঢৌৰ আস্ফালন [illegible]নল, কঁকাল ভাঙি দিব খোজে । নতুন মানুহৰ বাবে [illegible]য়াত গা ধোৱা এটা সমস্যা । অৱশ্যে আমাৰ ছুই এজনে অন্য এটা বীচ্চত গা-ধুই আহিল । এই বীচ্চসমূহত আমাৰ বহুতে মনৰ হেপাঁহ পলুৱাই ঢৌৰ লগত খেলা কৰি আনন্দত মতলীয়া হৈ পৰিছিল । দূৰৰ পৰা চায়ো কল্পনাৰ ৰাজ্যত ভ্ৰমি ফুৰিব পাৰি । সাগৰৰ পানীয়ে কতযে অবিৰাম খেলা খেলি থাকে । সাগৰৰ কি বিচিত্ৰ ৰূপ-লাৱণ্য । এই দৃশ্যসমূহৰ মাজত সকলোৱে আনন্দত উৎফুল্লিত হৈ পৰিছিল । আমাৰ বাবে এই সময়বোৰ স্বৰ্গীয় হৈ পৰিছিল । সেই মুহূৰ্ত্তত আমি আমাৰ অস্তিত্ব আৰু চৌপাশ পাহৰি গৈছিলো । অনাবিল অপাৰ কল্পনাই হৃদয় উপচি পৰিছিল । এনেদৰে ভিন ভিন ঠাইৰ মানুহৰ লগত হাঁহি ধেমালিৰে দৃশ্যৰাজি উপভোগ কৰি সচাঁকৈয়ে কি বিৰল আনন্দ পোৱা যায় তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি । এই কাৰণেই এই বীচ্চসমূহত বিদেশী পৰ্যটকৰ ভীৰ বেছি । গোৱাৰ কেন্দ্ৰীয় কাৰাগাৰ চাবলগীয়া । এই কাৰাগাৰ সাগৰৰ কাষত অৱস্থিত । ৰাটৰ ছুয়োকাষে শাৰী শাৰী নাৰিকল গছবোৰে বতাহত হালি-জালি যেন সোণত সুৱগাহে চৰাইছে । গোৱালৈ ৰেলেৰে গ'লে ভাস্কো-ডা-গামা জংচনত নামিলে সকলো সুবিধা কৰি লব পাৰি । নমাৰ লগে লগে হোটেলৰ ঠিকনা কিছুমান মানুহে লৈ যায়হি । আমি থকা হোটেলখনৰ নাম আছিল— 'চালমান' । ইয়াত নিচাজাতীয় পানীয়ৰ প্ৰাহুৰ্ভাৱ অত্যন্ত বেছি আৰু চহৰ-নগৰৰ বেছিভাগ দোকানেই এনে ব্যৱসায় কৰে । কিন্তু মানুহবিলাক ভদ্ৰ আৰু হুলস্থুল নকৰে । নিজ নিজ কামত যেন সকলো ব্যস্ত । কেৱল সেয়েই নহয় গোৱাত নগৰৰ তিনি আলি, চাৰিআলিত ট্ৰেফিক পুলিচ নথকাতো তাৎপৰ্যপূৰ্ণ । গোৱাত ঘূৰি দেখা গ'ল যে প্ৰায়েই ইংৰাজী ভাষাতে ভাৱ আদান-প্ৰদান কৰাৰ চেষ্টা কৰে । এনেদৰে বজাৰৰ পৰা ছুই এপদ সামগ্ৰী লৈ গোৱাৰ পৰা বিদায় মাগি ৩১ অক্টোবৰ তাৰিখে ৰাতিপুৱা ৯-১৫ বজাত বম্বে ভিটি জংচনত উপস্থিত হলোগৈ ।

আৰব সাগৰৰ উপকূলত গঢ়ি উঠা ভাৰতৰ এখন জনপূৰ্ণ মহানগৰ 'বম্বে' । শত-সহস্ৰ আলোকেৰে সুশোভিত নিশাৰ বম্বেৰ তুলনা নাই । বিজুলী বাতিৰ পোহৰত ছয়া-ময়া ৰহস্য নগৰীনে সপোনপুৰী । ইয়াত হোটেলবিলাক

বেছ দামী। বয়-বস্তুবো দাম চায়েই সন্তোষ লভাৰ বাহিৰে উপায় নাই। অৱশ্যে জানিলে কোনো কোনো ঠাইত সস্তাতো পোৱা যায়। স্থানীয় ৰেল আৰু বাচ যাতায়ত সস্তা কিন্তু প্ৰাইভেট টেক্সিয়ে বৰ দাম লয়। ইয়াত ৰিক্সা পাবলৈ নাই। বাহিৰৰ পৰা অহা লোক বুলি গম পালে কোনো কোনো টেক্সিৱালাই ঠগিবলৈ বিচাৰে। শ শ শাৰী শাৰী গাড়ী মটৰে ভৰপুৰ পথবিলাক পাৰ হবলৈ বহু সময় ৰ'ব লগা হয়। অসংখ্য আলি-পদুলি থকা বম্বেত এদিনীয়া মানুহে অকলশৰে একো উমান নাপায়। বম্বেৰ পুৰণা ইণ্ডিয়া গেট চাবলগীয়া আৰু এই ঠাইত সাগৰীয় দৃশ্যও অতি মনোমোহা। দূৰৈৰ পৰা পাৰলৈ অহা বিৰাটাকায় জাহাজবোৰ চাবলৈ ভাল লাগে। প্ৰায় ২০০ বছৰ আগতে পানীৰ ওপৰত ২ ফুট ৬ ইঞ্চি মাটিৰে পৰিপূৰ্ণ কৰি সজোৱা ওলোমা বাগিছাৰ ফুলৰ গছেৰে সজোৱা বিভিন্ন জন্তুৰ আকৃতিৰ ফুলনিয়ে অপূৰ্ব শোভা বৰ্দ্ধন কৰিছে। ইয়াৰ বিপৰীতে থকা কমলা নেহৰু গাৰ্ডেন খনো চালে বাস্তৱৰ পৰা আতঁৰি অহা যেন লাগে। তাৰাপুৰীৱালা একুৰিয়াম, নেৰিমাণ্ট পইণ্ট চায়ো ভাল লাগিল। বম্বে মিউজিয়াম চাই বেছি ভাল লাগিল। ইয়াৰ পিছত নেহৰু চাইঞ্চ চেণ্টাৰত কিছু সময় কটালো। ইয়াতেই আটাইতকৈ আকৰ্ষণীয় বিজ্ঞানৰ কলা-কৌশল প্ৰত্যক্ষ কৰিব পাৰি। বিজ্ঞানৰ অভিনৱ সৃষ্টি, বৈজ্ঞানিক পদ্ধতিৰ সা-সজুলি সুন্দৰভাৱে সজোৱা আছে। বিশেষভাৱে শিশুৰ আৰু ছাত্ৰ-ছাত্ৰীৰ উপযোগী বিজ্ঞানৰ বিভিন্ন সূত্ৰ আৰু সৃষ্টি বিলাক ব্যৱহাৰিক ভাৱে প্ৰমাণ কৰি চাব পাৰি।

এনেদৰে বম্বে মহানগৰক বিদায় জনাই শিক্ষামূলক ভ্ৰমণ সমাপ্ত কৰি ২ নৱেম্বৰৰ নিশা ১১ বজাত বম্বে দাদৰ ষ্টেচনত উপস্থিত হ'লো। আমাৰ গুৱাহাটীলৈ অহা ৰেলগাড়ীখন ১১ ঘণ্টা পলম থকাত ৰাতিটো প্লেটফৰ্মতে কটাবলগীয়াত পৰো। এনে অভিজ্ঞতা হয়তো বহুতৰে বাবে নতুন আছিল। পিছদিনা ৩ নৱেম্বৰত বিয়লি ৩-৪৫ বজাত স্বৰাজ্য অভিমুখী ৰেলত ৰাওনা হ'লো। ৰেলত এই যাত্ৰাই আটাইতকৈ দীঘলীয়া আছিল। প্ৰায় দুটা দিন দুটা নিশা কটাই বাটৰ দুয়োকাষৰ মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু বিহাৰৰ পথাৰ আৰু গাৱঁৰ দৃশ্যৰাজি উপভোগ কৰি ৬ নৱেম্বৰ ৰাতিপুৱা ৭ বজাত ভজো ষ্টেচন পালোহি। ষ্টেচনত নামি প্ৰত্যেকেই নিজ নিজ গন্তব্য স্থানলৈ যোৱাৰ লগে লগে বিগত বিশদিনীয়া ভ্ৰমণৰ হাঁহি আনন্দ, ৰং ধেমালি আৰু দেখি অহা দৃশ্যৰাজিলৈ মনত পৰাত সেই মুহূৰ্তত আমাৰ মনবিলাক বিষাদেৰে ভৰি পৰিছিল। যেন এখন ঘৰৰ পৰা সকলো আতঁৰি আহিলো।



# উদ্যোগীকৰণ আৰু অসম

শ্ৰীঅনুজ চেতিয়া
স্নাতক তৃতীয় বাৰ্ষিক : অৰ্থনীতি বিভাগ

এখন দেশৰ সৰ্বাঙ্গীন উন্নতি আৰু স্বতন্ত্ৰতা বিভিন্ন ... আৰু ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। অৰ্থনৈতিক আৰু ...ণিজ্যিক দিশত উদ্যোগ সম্প্ৰসাৰণ আৰু উদ্যোগজাত ...গ্ৰীয়ে বৰ্ত্তমান যুগত এক বিশেষ স্থান অধিকাৰ ...ছে। উন্নয়নশীল দেশসমূহৰ আজি উদ্যোগিক উৎপাদনৰ ...দা দিনে দিনে বৃদ্ধি হ'ব ধৰিছে আৰু সম্পদৰ প্ৰতি ...ৰ অভিলাস ক্ৰমশঃ বাঢ়িব ধৰিছে। অত্যাধুনিক ...সৰঞ্জাম আৰু আচ্‌বাবৰ গৰাকী হ'ব পৰাটোৱে ...জিৰ যুগৰ সম্ভ্ৰান্ত আৰু আভিজাত্যৰ পৰিচায়ক। ...ৰ অপৰিসীম বস্তুবাদী অভিলাষ আৰু অত্যাধুনিক ...গ বিলাসৰ সামগ্ৰী চাহিদা পূৰণৰ হেতু বিভিন্ন কৌশল, ...িকৰী জ্ঞান আৰু প্ৰযুক্তি-বিদ্যা নিয়োজিত হৈছে ...ন্ন উদ্যোগ আৰু বাণিজ্যিক ভিত্তিক সম্প্ৰসাৰণত। ...নশীল দেশ সমূহৰ মাজত এইক্ষেত্ৰত তুমুল প্ৰতিযোগিতা ...ব ধৰিছে। ফলত অনুন্নত আৰু প্ৰগতিশীল দেশ সমূহৰ ...াগিক বিকাশত এক গুৰুত্তৰ পৰিস্থিতিয়ে দেখা দিছে।

ভাৰতবৰ্ষ উদ্যোগিক বিকাশ আৰু সম্প্ৰসাৰণত ...নশীল দেশ সমূহৰ তুলনাত অনেক অনগ্ৰসৰ। তাতে ...াৰ অসমৰ বেলিকা আৰু পিছপৰা। উদ্যোগৰ ক্ষেত্ৰত ...া পিচপৰা বুলি যিৰাৰ কথা সৰ্বজনবিদিত হৈ পৰিছে, ... কথাষাৰৰ সাৰমৰ্ম আজি অসমৰ প্ৰতিজন ব্যক্তিয়ে ...ঙ্গম কৰাৰ সময় আহি পৰিছে। কেইটামান প্ৰাকৃতিক ...কৰ ওপৰত ভিত্তি কৰি পুৰণি কালতে কোৱা কথাষাৰৰ ...ৰ্থতা বৰ্তমান প্ৰমাণ কৰি চোৱাৰ সময় আহি পৰিছে। ...ৰ্ষৰ বিভিন্ন ৰাজ্যই স্বাধীনোত্তৰ কালছোৱাত উদ্যোগৰ ...ত পূৰ্বাঞ্চলতকৈ বহু আগবাঢ়ি গ'ল। এই কথা ...ীয়া বা সৰ্বভাৰতীয় বিভিন্ন গোষ্ঠীয়ে নিজমুখে প্ৰকাশ ...ৰ কথা। পুৰণি কালৰ পৰা আমি ভাবি আহিছিলো অসম ভাৰতবৰ্ষৰ এখন সীমামূৰীয়া ৰাজ্য, হাবি-জঙ্ঘলেৰে ভৰা, ৰাস্তাঘাট অনুন্নত, যোগাযোগৰ ব্যৱস্থা নিম্নখাপৰ আদি। এইবোৰৰ আলম লৈ আমি বৰ্তমানো সন্তুষ্টি লভি থাকিব বিচৰাৰ যুক্তি-যুক্ততাৰ সমালোচনা হোৱা প্ৰয়োজন।

চাহ, কাঠ, কয়লা আৰু তেলৰ ভিত্তিত অসমত যি উদ্যোগ বৃটিছৰ আমোলতেই স্থাপন হৈছিল, স্বাধীনোত্তৰ কালছোৱাত তাৰ মাত্ৰ কিছু সম্প্ৰসাৰণহে পৰিলক্ষিত হৈছে, কিন্তু নতুন উদ্যোগিক বিকাশ উল্লেখনীয় ভাবে ঘটা নাই। আজি অসমৰ উদ্যোগিক বিকাশ আৰু সম্প্ৰসাৰণৰ দিশত এক দোমোজা আৰু প্ৰত্যাহবান আহি পৰিছে। ইয়াৰ সূক্ষ্ম বিশ্লেষণ, অনুধাৱন আৰু মূল্যায়ণ অপৰিহাৰ্য।

অসম প্ৰাকৃতিক সম্পদেৰে চহকী হোৱা স্বত্বেও উদ্যোগীকৰণৰ ক্ষেত্ৰত পিছপৰি থকাৰ আঁৰত নিশ্চয় কিছুমান কাৰণ থাকিবই লাগিব, আৰু এই ক্ষেত্ৰত অসমৰ ভৌগলিক অৱস্থান, প্ৰাকৃতিক পৰিবেশ, বিভিন্ন জনগোষ্ঠীৰ সামাজিক ব্যৱস্থা, অৰ্থনৈতিক ভিত্তিক পৰম্পৰা, অসমৰ থলুৱা লোকৰ এই দিশত অসচেতনতা, কৰ্ম আৰু শ্ৰমৰ প্ৰতি অনীহা আৰু অৰ্হতাৰ অভাৱ আদি কাৰকে বিভিন্ন ধৰণে প্ৰভাৱ পেলাইছে। তলত অসমৰ উদ্যোগী-কৰণৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা তথা উদ্যোগীকৰণৰ অন্তৰায় বুলি গণ্য কৰা কেইটামান প্ৰধান কাৰকৰ ওপৰত আলোকপাত কৰা হৈছে।

১। মূলধনৰ অভাৱ :— উদ্যোগীকৰণৰ ক্ষেত্ৰত অসমৰ প্ৰধান সমস্যা হ'ল মূলধন তথা পুঁজিৰ অভাৱ। মূলধনে বিত্ত যন্ত্ৰপাতি সা-সজুলি আৰু শক্তিকো সামৰি লয়। এই বিলাকৰ অভাৱত পূজি শ্ৰমিকৰ অনুপাতো

হ্ৰাস হয় আৰু নতুনকৈ পুঁজিও গঠন নহয়। প্ৰধানকৈ অসমৰ লোকসকলৰ জনমূৰি আয় কম হোৱাৰ বাবে সঞ্চয়ৰ পৰিমাণো একেবাৰে নিম্নমানৰ। তাৰোপৰি অসমত প্ৰয়োজন অনুপাতে ৰাজহুৱা খণ্ডত বিনিয়োগ হোৱা নাই। চৰকাৰৰো বিত্তীয় ব্যৱস্থা টনকিয়াল নহয়। ১৯৮০ চনৰ মাৰ্চ মাহৰ এক সমীক্ষা মতে অসমত মুঠ বেংকৰ শাখা ৪৬৫ টা যদিও এই বেংক সমূহে কৃষি, উদ্যোগখণ্ডৰ বিনিয়োগৰ বাবে আগবঢ়োৱা প্ৰয়োজনীয় আগধনৰ পৰিমাণ যথেষ্ট নহয়। তাৰ উপৰি বিভিন্ন সৰ্বভাৰতীয় বিত্তানুষ্ঠান, বিত্ত নিগম আদিয়ে অসমলৈ আগবঢ়োৱা অৰ্থ-সাহাৰ্যৰ পৰিমাণো যথেষ্ট নহয়। সম্প্ৰতি ভাৰতৰ উদ্যোগ উন্নয়ন বেংকৰ এক তথ্যৰ পৰা জানিব পৰা গৈছে যে বিভিন্ন সৰ্বভাৰতীয় বিত্তানুষ্ঠানে বিনিয়োগৰ বাবে অসমৰ বিভিন্ন উদ্যোগলৈ আগবঢ়োৱা অৰ্থ সাহাৰ্যৰ মুঠ পৰিমাণ ১৯৮০ চনৰ মাৰ্চ মাহলৈকে আছিল মাথোন ৯৬.১৮ কোটি টকা। যিটো সময়ত সমগ্ৰ ভাৰতৰ বিভিন্ন অংশৰ বাবে অনুমোদিত পৰিমাণ আছিল ৮৯১৫.৪২ কোটি টকা। এনেবোৰ তথ্যৰ পৰাই অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত মূলধনৰ সংকটাপন্ন অৱস্থাটোৰ বিষয়ে কিছু আভাস পাব পাৰি।

২। কৌশলী উদ্যোগী ব্যক্তিৰ অভাৱ :— কৌশলী উদ্যোগী ব্যক্তিৰ অভাৱ হৈছে অসমৰ উদ্যোগীকৰণৰ অন্যতম প্ৰধান সমস্যা। যিকোনো লাভজনক অৰ্থনৈতিক কাম কাজ কৰিবলৈ হলে ক্ষতি শংকা মূৰ পাতি লবলৈ সাহস কৰিবই লাগিব। কিন্তু অসমৰ ভৌগলিক অৱস্থিতি তথা পৰিবহন, যোগাযোগ, উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰৰ অভাৱ ইত্যাদি বিভিন্ন অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পুঁজিপতি তথা কৌশলী সাহসী উদ্যোগী ব্যক্তি সকলেও অসমত বিনিয়োগৰ বাবে অনিহা দেখুৱায়।

ইয়াৰোপৰি প্ৰাকৃতাৰ্থত উদ্যোগ এটা সুন্দৰ ভাবে গঢ় লৈ উঠাৰ মূলতে এক সুন্দৰ পৰিচালনাৰ অতীব প্ৰয়োজন। কিন্তু ইয়াৰ অভাৱো অসমত পৰিলক্ষিত হয়। যুগৰ পৰিবৰ্ত্তনৰ লগে লগে পৰিচালনাৰ নীতি-নিয়মৰো পৰিবৰ্ত্তন হৈ আহিছে। কিন্তু অসমৰ উদ্যোগ সমূহত পৰিচালনাৰ পুৰণি নীতিয়েই ব্যৱহৃত হৈ আহিছে। যুগৰ পৰিবৰ্ত্তনৰ অনুপাতে এই নীতি সমূহত আধুনিকতাৰ প্ৰভাৱ তথা বৈজ্ঞানিক প্ৰভাৱ সুস্পষ্ট নহয়।

৩। পৰিবহনৰ অসুবিধা :— পৰিবহন তথা যোগা-যোগৰ অসুবিধাইও অসমৰ উদ্যোগিক দিশটোত যথেষ্ট প্ৰভাৱ পেলাইছে। ভৌগলিক অৱস্থিতিয়ে কেৱল অসমকে নহয় সমগ্ৰ উত্তৰপূৰ্বাঞ্চলকে দেশৰ মূল ভূ-ভাগৰপৰা বিছিন্ন কৰি ৰাখিছে। লগতে অঞ্চলটোৰ বিকাশৰ বাবে চৰকাৰৰ তৎপৰ চেষ্টাৰ অভাৱো পৰিলক্ষিত হয় আৰু এনে কথাৰ পৰিণতিত স্বাধীনতাৰ চাৰিটা দশকৰ পিছতো অঞ্চলটোৰ ৰেলপথ, স্থলপথ, জলপথ আৰু আকাশীপথ অবিকশিত অৱস্থাতে আছে। ৰাজ্যখনৰ ৰেলপথৰ মুঠ দৈৰ্ঘ্য ২৩৬৫-৮৭ কিঃ মিঃ আৰু তাৰ মাথোন ২৭৭ কিঃ মিঃ ব্ৰডগজ শাখাৰ। সেইদৰে ৰাজ্যখনৰ সকলো প্ৰকাৰ স্থলপথৰ মুঠ দৈৰ্ঘ্য ৫৬৯৮৩ কিঃ মিঃ যদিও তাৰ মাথোন ৮৩৯৬ কিঃ মিঃ পথহে পকী। একেদৰেই জলপথৰ মুঠ দৈৰ্ঘ্য ৯৬০০ কিঃ মিঃ যদিও ইয়াৰ মাথোন ২১৯৩ কিঃ মিঃ পথেৰেহে গোটেই বছৰ জুৰি নাও বা জাহাজ চলাচল কৰিব পাৰে। তেনেদৰে আকাশী পথৰ ক্ষেত্ৰতো এক হতাশজনক প্ৰতিছবিহে দেখা যায়। অসমৰ মাজেদি উত্তৰ পূৰ্বাঞ্চলৰ তথা ভাৰতৰ অন্যান্য অংশ আকাশী পথেৰে সংযোজিত হৈছে যদিও অঞ্চলটোৰ চাহিদাৰ অনুপাতে এইবিধ পৰিবহন সম্প্ৰসাৰিত হোৱা নাই।

৪। কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱ :— উদ্যোগীকৰণৰ বাবে অপৰিহাৰ্য উপাদান হ'ল কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত বা কাৰিকৰী দক্ষতা সম্পন্ন লোকৰ অৱস্থিতি। কিন্তু অসমত কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱ পৰিলক্ষিত হয়। ইয়াৰ উদাহৰণ হিচাপে তেল আৰু প্ৰাকৃতিক গেছ আয়োগত নিয়োজিত লোকসকলকে আঙুলিয়াব পাৰি। এই ক্ষেত্ৰত অসমৰ কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ এনেকুৱাই অভাৱ যে ইয়াত নিয়োজিত এজন সাধাৰণ কাৰিকৰী জ্ঞান সম্পন্ন লোককো সুদূৰ ৰাচিয়া বা আমেৰিকাৰ পৰা আমদানি কৰিব লগা হয়। প্ৰাকৃতিক গেছ আয়োগৰ ক্ষেত্ৰতেই যে এনে কাৰিকৰী প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ অভাৱ তেনে নহয়; ই এটা সমান্য উদাহৰণহে মাথোন। অন্যান্য ক্ষেত্ৰত





বিদেশৰ পৰা লোকক উচ্চ হাৰৰ মজুৰি দি আমদানি নকৰিলে আমাৰ কাম নচলে। তাৰোপৰি অসমত এনে কাৰিকৰী প্ৰশিক্ষণ দিয়া শিক্ষানুষ্ঠানৰো অভাৱ। অতি পৰিতাপৰ বিষয় যে স্বাধীনতাৰ চাৰিটা দশকৰ পিছতো অসমত এখনো আই, আই, টি, প্ৰতিষ্ঠান গঢ় লৈ নুঠিল।

৫। শক্তিৰ নাটনি :— উদ্যোগৰ বাবে অন্যতম প্ৰয়োজনীয় উপাদান হ'ল শক্তিৰ যোগান আৰু এনে শক্তি বুলিলে সাধাৰণতে বিজুলি শক্তিকে বুজোৱা হয়। কিন্তু অসমত বিজুলি শক্তিৰ সীমাবদ্ধতা পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে উদ্যোগৰ কথা বাদেই মানুহৰ দৈনন্দিন ঘৰুৱা জীৱনতো নানা সংঘাত আহি পৰিছে। বৰ্ত্তমান অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দৈনিক উৎপাদন ক্ষমতা প্ৰায় ৫০০ মেগাৱাট; কিন্তু ইয়াৰ অন্তৰ্গত চাৰিটা প্ৰকল্পৰ এটাইতো আধা বিদ্যুতো উৎপাদন কৰিব পৰা নাই। ফলস্বৰূপে অসমে প্ৰতিবেশী ৰাজ্য মেঘালয়ৰ ওপৰত ইয়াৰ চাহিদা পূৰাবৰ বাবে নিৰ্ভৰ কৰিব লগা হৈছে। আজিৰ অসমৰ যিকোনো উদ্যোগে নিজস্ব জেনেৰেটৰ নোহোৱাকৈ সুচাৰুৰূপে পৰিচালিত হ'ব নোৱাৰে। ইয়াৰ ফলস্বৰূপে উদ্যোগ সমূহে এক বৃহৎ পৰিমাণৰ উপকৰা খৰচৰ দায়িত্ব বহন কৰিব লগাত পৰিছে।

৬। কেন্দ্ৰৰ অৱহেলা তথা উপনিবেশিকতা নীতি :— অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ চৰম অৱহেলাৰ মনোভাৱ পৰিলক্ষিত হয়। অসমৰ অৰ্থনীতিত চাহ, তেল আৰু কয়লাৰ দৰে উদ্যোগে যুগবধি বিশেষ স্থান লাভ কৰি আহিছে। এনেবোৰ উদ্যোগৰ পাতনি বৃটিছ শাসন কালতে মেলা হৈছিল আৰু বিদেশী শাসক সকলে ৰাজ্যখন অপৰ্যাপ্ত ভাবে প্ৰাপ্ত এনেবোৰ শোষণৰ মনোভাৱেৰে উপনিবেশিক আৰ্হিত আহৰণ কৰিছিল। কিন্তু অসমত তাহানিৰ বৃটিছ শাসন কালতে প্ৰচলিত উপনিবেশিক নীতিৰ স্বাধীনতাৰ চৌৰাল্লিছ বছৰৰ মূৰতো বাদ নপৰিল। স্বাধীনোত্তৰ কালছোৱাত ভাৰতৰ কেন্দ্ৰীয় চৰকাৰেও উপনিবেশিক আৰ্হিতে অসমৰ পৰা সম্পদ ৰাজি আহৰণ কৰি আহিছে। অসমত উদ্যোগীকৰণৰ বাবে প্ৰয়োজনীয় বিত্তীয় যোগান কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা নাই। অসমত মুঠ যি ৭৭ টা বৃহৎ আৰু মজলীয়া উদ্যোগ গোট আছে তাৰ মাত্ৰ ১১ টাহে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। অসমত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এই উদ্যোগ প্ৰতিষ্ঠান কেইটাত নিয়োজিত পুঁজিৰ পৰিমাণ চাৰে আঠশ কোটি টকাৰ অধিক নহয়; অথচ সমগ্ৰ দেশখনতে কেন্দ্ৰীয় চৰকাৰে ৪২০০ কোটি টকা এনে প্ৰতিষ্ঠানত নিয়োগ কৰিছে (১৯৮৭ চনৰ এক সমীক্ষা মতে)। উদ্যোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসমক যে চৰম অৱহেলা কৰি আহিছে তাৰ জলন্ত উদাহৰণ হিচাপে অশোক কাগজ কলৰ কথা কব পাৰি। ১৯৭২ চনতে স্থাপিত এই উদ্যোগটোৱে ১৯৭৬ চনৰ ডিচেম্বৰ মাহত উৎপাদনক্ষম হৈ উঠিছিল যদিও অসম আন্দোলনৰ মাজ ভাগতে ১৯৮৩ চনত আৰ্থিক দুৰৱস্থাৰ হেতু উদ্যোগটো অচল হৈ পৰে আৰু আজি পৰ্য্যন্ত উদ্যোগটোৰ এই অচলাৱস্থাৰ অন্ত পৰা নাই। উপযুক্ত বিত্তীয় অৱস্থা ঘূৰাই পোৱা হলে উদ্যোগটোৱে কাহানিবাই পুণৰ উৎপাদন-ক্ষম হৈ উঠিলহেঁতেন। কিন্তু একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ অৱহেলাৰ বাবেই আজি পৰ্যন্ত উদ্যোগটো বন্ধ হৈ থাকিব লগা হৈছে। সম্প্ৰতি নতুন চৰকাৰ (পি, ভি, ৰাও চৰকাৰ) ৰ বিভিন্ন উদ্যোগখণ্ডলৈ আগবঢ়োৱা চাবছিডি (ৰাজ সাহাৰ্য) ৰ পৰিমাণ হ্ৰাস কৰা নীতিয়ে অসমক উদ্যোগীকৰণৰ দিশত আৰু এখোপ পিছ পেলাব বুলিহে আশা কৰা হৈছে।

৭। ৰাজনৈতিক অস্থিৰতা :— অসমৰ ৰাজনৈতিক অস্থিৰতাইও উদ্যোগীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। দেশত ৰাজনৈতিক অস্থিৰতা চলি থাকিলে দেশৰ উন্নয়নৰ বাবে যিকোনো গুৰুত্বপূৰ্ণ আঁচনি লোৱাত আৰু তাক কাৰ্যকৰী কৰাত অসুবিধাৰ সৃষ্টি হয়। স্বাধীনোত্তৰ কালছোৱাত অসমত ৰাজনৈতিক অস্থিৰতা লেঠেৰি নিছিগাকৈ চলি থকাৰ ফলত উদ্যোগীকৰণৰ গতি যথেষ্ট মন্থৰ হৈছে।

৮। বৈজ্ঞানিক আৱিষ্কাৰৰ অভাৱ আৰু প্ৰাকৃতিক সম্পদৰ অৱলুণ্ঠন :— উদ্যোগীকৰণৰ বাবে বৈজ্ঞানিক আৱিষ্কাৰ অপৰিহাৰ্য। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে ইংলণ্ডত উদ্যোগ বিপ্লৱৰ সূচনা হৈছিল একমাত্ৰ বৈজ্ঞানিক আৱিষ্কাৰ আৰু কাৰ্য ক্ষেত্ৰত ইয়াৰ প্ৰয়োগৰ

ফলস্বৰূপেই । বৈজ্ঞানিক আৱিষ্কাৰ সমূহে উদ্যোগৰ উৎপাদন খৰচ বহুগুণে হ্রাস কৰে । কিন্তু অসমৰ ক্ষেত্রত এনে বৈজ্ঞানিক আৱিষ্কাৰৰ অভাৱ । কাৰ্যক্ষেত্ৰত এনে আৱিষ্কাৰসমূহ অন্য দেশৰ পৰা আনিবলৈও পুঁজিৰ অভাৱ । ইয়াৰ ফলস্বৰূপেই প্রচুৰ সম্ভাৱনাময় হোৱা স্বত্বেও প্রাকৃতিক সম্পদসমূহ অনাৱিষ্কৃত নাইবা অৰ্দ্ধ ব্যৱহৃত হৈ আছে ।

উক্ত আলোচনা সহৰ পৰা এই কথা প্ৰতীয়মান হৈছে যে অসমৰ উদ্যোগীকৰণৰ ক্ষেত্রত থকা সমস্যাৱলী প্ৰধানতঃ ৰাজনীতিবিদ্‌সকলৰ অসমৰ্থতা আৰু দীৰ্ঘদিন ধৰি কৰি অহা অৱহেলাৰ অন্যতম পৰিণতি । পলমকৈ হলেও অসমৰ জন সাধাৰণৰ ক্ষোভ আৰু ন্যায় বিচাৰৰ দাবী ৰাষ্ট্ৰযন্ত্ৰই উপলব্ধি কৰি উদ্যোগিক উন্নয়নৰ দিশত কিছু পদক্ষেপ লৈছে । গেছ ক্ৰেকাৰ, শোধনাগাৰ আৰু অন্যান্য আনুষঙ্গিক উদ্যোগ প্ৰতিষ্ঠাৰ বাবে বিবেচনা কৰা হৈছে ।

অসমৰ উদ্যোগীকৰণৰ বাবে চৰকাৰে এনে পদক্ষেপ ললেও সম্প্রতি অতি অৱশ্যকীয় দিশটো হৈছে আমাৰ উপযুক্ত থলুৱা যুৱক সকলক অসমত প্ৰস্তাৱিত সকলো উদ্যোগ আৰু আনুষঙ্গিক প্ৰকল্পত নিযুক্তিৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ দিহা কৰা, অযথা সময় আৰু শক্তি অপচয় নকৰি অসমৰ উঠি অহা যুৱক সকলে এই দিশত দকৈ চিন্তা চৰ্চা কৰা উচিত, অন্যথাই উদ্যোগীকৰণৰ ক্ষেত্রত অসমৰ ভৱিষ্যত যে অনিশ্চিত ই ধ্ৰুৱপ ।



শেষত দেশবাসীৰ দেশাত্মবোধ আৰু জাতীয় চৰিত্ৰই এখন দেশৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতিৰ মৌলিক ভেটি । দেশৰ জাতীয় স্বাৰ্থ সদায় ব্যক্তি আৰু দলীয় স্বাৰ্থৰ উৰ্দ্ধত । গতিকে আমাৰ দৈনন্দিন জীৱনৰ কৰ্মক্ষেত্ৰত সদায় দেশৰ আৰু জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অগ্ৰসৰ হলে দেশৰ উন্নতি আৰু প্ৰগতি কেতিয়াও বাধাগ্ৰস্থ নহ'ব । উন্নত আৰু প্ৰগতিশীল দেশসমূহ উদাহৰণ স্বৰূপে জাৰ্ম্মান, জাপান, চীন, কোৰিয়া আদি দেশ বিভিন্ন সংঘাত আৰু যুদ্ধৰ বিভীষিকা অতিক্ৰম কৰিও আজি পুনৰ বিশ্বৰ আগশাৰীৰ দেশ আৰু জাতি ৰূপে পৰিচয় দিব পাৰিছে । আমি আজি অসমবাসীয়েও যদি অসমৰ প্ৰকৃত উন্নতি আৰু প্ৰগতি বাঞ্চা কৰো বিশেষকৈ উদ্যোগীকৰণৰ দিশত তেন্তে প্ৰত্যেকেই একোজন নিপুণকৰ্ম্মী, কৰ্ত্তব্যনিষ্ঠা, দায়বদ্ধ আৰু নিভাজ দেশপ্ৰেমী হ'ব লাগিব । কেৱল নেতৃত্ব তথা ব্যক্তিত্ব বিকাশৰ অভিলাষৰ বিপৰীতে দেশৰ সৰ্বাঙ্গীন বিকাশ আৰু উন্নতিৰ হকে — "এই দেশ মোৰ দেশ, এই কাম মোৰ কাম" এই ভাৱত অনুপ্ৰাণিত হৈ কাৰ্যক্ষেত্ৰত অগ্ৰসৰ হ'লে লগতে উপৰুক্ত অন্তৰায়সমূহ আঁতৰ কৰিব পাৰিলে প্ৰাকৃতিক সম্পদত চহকী বুলি খ্যাত অসম, উদ্যোগৰ ক্ষেত্ৰত কেৱল ভাৰতবৰ্ষৰ ভিতৰতে নহয়, সমগ্ৰ পৃথিবীৰ ভিতৰতে এক সমৃদ্ধ অঞ্চলৰূপে নিশ্চয় পৰিগণিত হ'ব ।

# ধুনিক অসমীয়া সংস্কৃতি পৰিবৰ্ত্তনৰ সংস্কৃতি

শ্ৰীঅনন্ত বৰগোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক ঃ অসমীয়া বিভাগ

সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী ...ি । নৈৰ গতিয়েই সংস্কৃতিৰ গতি । সৰু বৰ, জান-জুৰি ...ট খাই নৈয়ে যিদৰে নিৰবিচ্ছিন্ন গতিৰে চিৰদিন বৈ ...কে, সংস্কৃতিও তেনেকৈয়ে ধাৰাবাহিক গতিৰে চলি ...ে । নৈত খহনীয়া হয়, পাৰত চাপৰি পৰে, গৰা ...ত বলুকা পাতে । সেইদৰে সময়ৰ সোঁতত লাগি ...স্কৃতিৰ সম্পদ এৰা পৰে; নতুনৰ যোগ হয় । এই ...ত কেতিয়াবা ন-পুৰণিৰ সংস্কৃতিৰ মাজত পুৰণিয়ে ...ট হেকৱাবলৈ ধৰে । তেতিয়া নতুনৰ সোঁত ক্ষীপ্ৰ হয় ...ক পুৰণি স্থবিৰ হবলৈ আৰম্ভ কৰে । কিন্তু সংস্কৃতিৰ ... বৈ থাকে নিৰবধি ।

অসমীয়া ভাষালৈ সংস্কৃতি শব্দটো বঙলা ভাষাৰ ...দলি গৰকিহে বোৱাৰীৰ সাজেৰে আহিছে । সংস্কৃতি ...টো কেতিয়াৰ পৰা আমাৰ মাজত ব্যৱহাৰ হ'ল সেই ... শুদ্ধকৈ নাজানিলেও কৃষ্টি শব্দটোৱেই অসমীয়া সমাজত ...পক প্ৰচলিত আছিল বুলি ক'ব পাৰি । আধুনিক ...তীয় ভাষাসমূহৰ ভিতৰত মাৰাঠী ভাষাতহে সংস্কৃতি ...টোৰ ব্যৱহাৰ আছিল বুলি জনা যায় । মাৰাঠী ...াৰ পৰা আহৰণ কৰি ৰবিন্দ্ৰ নাথ ঠাকুৰে বঙলা ...ত শব্দটো ভাৰতীয় সমাজত বহল প্ৰসাৰণ ঘটায় । ...জি কালচাৰ শব্দ লেটিন 'কুলতুৰা' ( Cultura ) ... পৰা উদ্ভৱ হৈছে । কোল ( Col ) ধাতু সংস্কৃত ধাতুৰ সমাৰ্থক । কৃষিজীৱী মানুহে উৎপাদিকা শক্তি-...া পৃথিৱী কৰ্ষণ কৰি বাৰেবৰণীয়া শস্য উৎপাদন ... । এই শস্যই দান কৰে মানুহৰ জীৱনী শক্তি । ... জীয়াই থাকে একোটা সৃষ্টিশীল মন লৈ; লগে ... আৰম্ভ হয় মনৰ কৰ্ষণ । সৃষ্টি হয় নতুন নতুন ...দান । এয়েই কৃষ্টিৰ কঠীয়াতলী । সংস্কৃতি শব্দ নিষ্পন্ন হৈছে সম + কৃতি হৈ । কৃতি, কৰ্ম । যি শিল্পকৰ্মত সম্যক সৃজনশীলতা আছে, সৌন্দৰ্য্য আছে, মানৱতা আছে, সিয়েই সংস্কৃতি । মানুহ যিমানেই কি ধাৰ্মিক বা ভাগৱৎ পৰায়ণ নহওক, মানুহৰ জৈৱিক বাসনা শূন্য হ'ব নোৱাৰে । মানুহৰ এই জৈৱিক প্ৰয়োজনীয়তাই বস্তুগত সৃষ্টিৰ প্ৰেৰণা যোগায় । এইদৰে মানুহৰ বস্তুগত, ভাৱগত, আধ্যাত্মিক, জাগতিক সকলো সৃষ্টিকে সংস্কৃতিয়ে সামৰি লয় ।

সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ বিয়োগৰ চিৰাচৰিত ৰীতি মানি আগবাঢ়ি যায় । অসমীয়া সংস্কৃতিও এই নিয়মৰ ব্যতিক্ৰম নহয় । প্ৰাগৈতি-হাসিক যুগত গঢ় লবলৈ আৰম্ভ কৰা সেই অনামী সংস্কৃতিয়ে বহুতো স্তৰ গৰকি আধুনিক যুগত ভৰি দিছেহি । আহোম যুগত এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি নাম লয় । ত্ৰয়োদ্বশ শতিকাৰ তৃতীয় দশকৰ পৰা উনবিংশ শতিকাৰ চতুৰ্থ দশকলৈকে নিৰৱচ্ছিন্নভাৱে আহোম সকলৰ শাসনত থাকি অসমে অনেক জয় পৰাজয়, ঘাত প্ৰতিঘাত, সন্ধি-বিগ্ৰহ, মিত্ৰতা-শত্ৰুত', ৰিনিময় সংগ্ৰহ আদিৰ সন্মুখীন হব লগীয়া হৈছিল । এই যুগটো অসমীয়া সংস্কৃতিৰ বাবে এটি উল্লেখনীয় যুগ । চুতীয়া, বৰাহী, কছাৰী, মৰাণ, ভূঞা আদি বিভিন্ন জনগোষ্ঠীৰ হাতত খণ্ড বিখণ্ড হৈ থকা লুইতৰ দুয়োপাৰ 'অসম' নামৰ এখন ৰাজ্যত পৰিণত হ'ল আৰু তাতোকৈয়ো টুকুৰা-টুকুৰ হৈ থকা জাতি জনজাতি, উপজাতি মিলি 'অসমীয়া' নামৰ এটা নতুন জাতিলৈ উন্নীত হ'ল । এই মানুহবোৰৰে গুণগ্ৰাহিতা, সহিষ্ণুতা আৰু সৌন্দৰ্য প্ৰীতিয়ে অসমৰ সংস্কৃতিৰ বুৰঞ্জীৰ কয়টি শিলত এটি স্বৰ্ণৰেখা অঙ্কন কৰি থৈ গ'ল । আহোমসকলে নিজা সংস্কৃতি, ধৰ্ম, পৰম্পৰা আৰু ভাষা গ্ৰহণ কৰি এইখন দেশৰ সংস্কৃতিৰ বিকাশ সাধনত

আত্মনিয়োগ কৰিবলৈ ধৰিলে। ইয়াকে কৰোতে বিভিন্ন জাতিগোষ্ঠীৰ মাজত ঐক্য সম্প্ৰীতি সাধন কৰি এই বৃহৎ অসমীয়া জাতিৰ জন্ম দিলে। গতিকেই অসমীয়া সংস্কৃতিত স্বাভাৱিকতে সমন্বয়ৰ মাত্ৰা অধিক। ধৰ্মীয় দিশটোত কিছু পৰিমাণে আৰ্য্যৰ প্ৰভাৱ থাকিলেও জাগতিক জীৱনৰ ৰীতি নীতি, আচাৰ-ব্যৱহাৰ আদিত অসমৰ বিভিন্ন জনগোষ্ঠী মুখী সংস্কৃতিৰ উপাদান পোৱা যায়। ছশ বছৰীয়া আহোম ৰাজত্ব আৰু শংকৰদেৱৰ অতুলনীয় প্ৰতিভাই অসমীয়া সংস্কৃতিৰ যি ভেঁটি বান্ধিছিল, সেই ভেঁটিয়েই একেধাৰে প্ৰায় তিনিশ বছৰ কাল আগবাঢ়ি গৈছিল; কিন্তু মান মৰাণৰ উৎপাতত সেই গতিলৈ স্থবিৰতা আহিল আৰু ইংৰাজ আগমণৰ লগে লগেই সেই সংস্কৃতিত খহনীয়া হবলৈ ধৰিলে আৰু আজি খহনীয়া আৰু পাবৰ চাপৰিয়ে আধুনিক অসমীয়া সংস্কৃতিক নতুন ৰূপত সজাই তুলিছে। আহোম শাসনে যেনেকৈ সেই যুগৰ অসমীয়া সংস্কৃতিক গঢ় দিয়াত বৰঙণি যোগাইছিল, ঠিক তেনেদৰেই ইংৰাজ শাসনে অসমীয়া সংস্কৃতিত যোগ বিয়োগ কৰাত সহায় কৰিলে।

মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ দীঘলীয়া সময়ছোৱাত অসমীয়া মানুহৰ সংস্কৃতি একেবাৰে মৃতপ্ৰায় পাইছিল। প্ৰায়বোৰ সংস্কৃতিৰ স্মৃতি নাইকিয়া হ'ল। প্ৰাচীন স্থাপত্য, ভাস্কৰ্য্য নোহোৱা হ'ল। খনিকৰ, বাৰৈ, আখৰকটীয়া, গুণাকটীয়া, সোনোৱাল, ৰহমৰীয়া, ৰাংচলীয়া, ৰহণকৰা, শিলাকুটি আদি সাংস্কৃতিক শিল্প আৰু ইয়াৰ লগত জড়িত খেলবোৰ নাইকিয়া হ'ল। অনেক মন্দিৰ পতিত হ'ল, সত্ৰ উচ্ছন্ন হ'ল, গাওঁ ভাগিল। এই কথা ক'ব লাগিব যে, ইংৰাজৰ চোকা শাসন আৰু বঙালী আমোলৰ চলন ফুৰণক কৰা অনুকৰণে অন্ধ কৰি অসমীয়া সংস্কৃতিৰ প্ৰাচীন স্মৃতিটোক নিঃশেষ কৰিছে। এইদৰে উনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই অসমীয়া সংস্কৃতিত পুৰণি বিয়োগ ঘটি নতুনৰ যোগ হৈ এক নতুন সংস্কৃতিয়ে গা-কৰি উঠিছে। সেয়েহে ক'ব পাৰি আধুনিক অসমীয়া সংস্কৃতি পৰিবৰ্ত্তনৰ সংস্কৃতি।

উল্লেখযোগ্য যে, আধুনিক অসমীয়া সংস্কৃতি পৰিবৰ্ত্তনৰ গতি খৰতৰ কৰিছে প্ৰধানতঃ তিনিটা গতিৰে ক) আধুনিক শিক্ষা, খ) নগৰমুখিতা আৰু গ) উদ্যো মুখিতাই। উনবিংশ শতিকাৰ শেষ ভাগত যি কেইজ মহান ব্যক্তিয়ে কলিকতাত উচ্চ শিক্ষা লবলৈ গৈছি তেওঁলোকৰ বৰঙণি অনস্বীকাৰ্য্য। তেওঁলোকে ইংৰা সাহিত্যৰ অনুপ্ৰেৰণাত অসমীয়া সাহিত্যৰ প্ৰাচীন ৰী আৰু বিষয় বস্তুৰ আমূল পৰিবৰ্ত্তন সাধন কৰিলে আধুনিক শিক্ষাই পিন্ধন-উৰণ, খাৱন-শোৱন আদিত ন ৰীতি-নীতি সোমাল। কমবেছি পৰিমাণে মানুহৰ চি চৰ্চ্চাও সলনি হ'ল। দ্বিতীয়তে, এই যুগত এখন এখন নগৰ স্থাপন হবলৈ ধৰিলে। কৃত্ৰিম সামাজিক আধুনিকতাৰ লগতে বিশ্বভাতৃত্ব প্ৰেম জাগিবলৈ ধৰিলে কিন্তু আহোম যুগৰ নগৰ বিলাকৰ আহিঁ আছিল গ্ৰা আহিঁৰ। গ্ৰাম্যজীৱনৰ পৰা নগৰীয়া জীৱন বিছিন্ন পৰিল। আজি-কালি সাংস্কৃতিক বিপ্লৱৰ নামত প্ৰা অসমীয়া সংস্কৃতিৰ সাময়িক অনুশীলন কৰি নগৰীয়া মা অসমীয়া সংস্কৃতিৰ যি গঢ় দিছে বা প্ৰতিনিধিত্ব কৰি সেয়া প্ৰকৃত ৰূপ নহয়— সচাঁ কথাত মুখা বা ভেঙুচালি তৃতীয়তে, অতীতৰ কৃষিমুখী অসম আজি উদ্যোগমুখী ধাৱমান। উদ্যোগৰ লগতে নগৰবোৰে গঢ় লৈ উঠি কৰ্মব্যস্ত জীৱনৰ ক্ষণিক বিৰামে সাংস্কৃতিক অনুষ্ঠানে চুটি, খৰ আৰু সংমিশ্ৰিত কৰি পেলাইছে। উদ্যোগমুখি পুৰণি অসমীয়াৰ কুঁহিয়াৰ শাল, তেলীশাল, আখলশা স্বৰূপ সলনি কৰিছে বা চিৰদিনলৈ বিদায় দিছে। তাঁ শালেও মেলানি মাগিবলৈ ক্ষণ গণি আছে; লগে গ্ৰামা সংস্কৃতিত আঘাট হানিছে, অসমৰ মূল সংস্কৃতিটো গ্ৰাম্য সংস্কৃতিত প্ৰতিষ্ঠিত।

প্ৰাচীন অসমীয়া সমাজতকৈ আধুনিক অসম সমাজ অধিক খণ্ড-বিখণ্ড। সমাজবাদ প্ৰতিস্থা কৰিব যি ধ্বনি তুলিছে সিমানেই সমাজত ধনী-দুখীয়াৰ ব্যৱ বাঢ়ি গৈছে। আহোম শাসনৰ কাঢ়ী পাইক, খেল মেল প্ৰথাই সামাজিকতা ৰক্ষা কৰিছিল। হাতীগিৰী মাটিগিৰীয়া, খণ্ডোৱা-খোৱা, মৰকীয়াবোৱা সকলো একেখন ৰভাতলত বহি ভোজ খোৱা সমাজখন আৰু নাই। আজি ধনী-দুখীয়া, বিষয়া, কৰ্মচাৰী, খেতিয়ক, উদ্যোগপতি আদিৰে অসমীয়া সমাজ ছিন্ন



হৈ পৰিছে। ফলস্বৰূপে সামাজিক দিশত অসমীয়া সংস্কৃতি স্বকীয় বৈশিষ্ট্যহীন আদৰণী সমাজত পৰিণত হৈছে।

ধৰ্ম, সংস্কৃতি বিকাশৰ এটি মূল বস্তু। ধৰ্মক কেন্দ্ৰ কৰি সাহিত্য, সংগীত, চিত্ৰকলা, স্থাপত্য, ভাস্কৰ্য্য, নৃত্যকলা আদিৰ বিকাশ সাধন হয়। ধৰ্ম প্ৰকৃত অৰ্থত মানবীয় গুণৰ উৎকৰ্ষ সাধনৰ মাধ্যম, কিন্তু আজি দেশত যি ধৰ্ম চলি আছে, সেই ধৰ্ম বাস্তৱ অৰ্থত ধৰ্ম নহয়—অন্ধবিশ্বাস। সংস্কৃতি যদি সৌন্দৰ্য্যবোধ, সৃষ্টিধৰ্মিতা আৰু মানবীয় উৎকৰ্ষ সাধনৰ প্ৰতীক হয়, তেনেহলে আধুনিক ধৰ্মত তাৰ এটাও নাই। মুঠতে আধুনিক অসমীয়া সংস্কৃতিৰ বিকাশত কোনো ধৰ্মৰে বাস্তৱমুখী আৰু সৃষ্টিমুখী বৰঙণি লেখত লব নোৱাৰি।

বিহু উৎসৱে অসমীয়া সংস্কৃতিৰ এটি অমূল্য সম্পদ। বিহু উৎসৱ অকলে অসমীয়াৰ জাতীয়ত্ব আৰু জাতীয় ঐতিহ্যৰ স্বাক্ষৰ বহন কৰি আহিছে। আৰ্য-অনাৰ্য, অষ্ট্ৰিক মঙ্গোলীয়, আলপাইন, দ্ৰাবিড় সকলো সংস্কৃতিৰ উপাদানেৰে বিহু সংস্কৃতি গঠিত। বিহু মূলত গাওঁমুখী কৃষিমুখী উৎসৱ, কিন্তু আধুনিক বিহু নগৰমূখী হৈছে। বিহু উৎসৱৰ ভোজভাত আৰু হুচৰি-বিহুনাচৰ বাহিৰে বাকী অনুষ্ঠান আৰু লোকাচাৰ নাইকিয়া হৈছে। বিহুৱে গছতল, পথাৰ আৰু নৈ পাৰ এৰি নগৰীয়া মঞ্চত উঠিছেহি। ঢোল, পেপাঁ, গগণাই নগৰীয়া মঞ্চত ঠাই পাইছে। বিহুত সেৱা-সৎকাৰ কৰা হাতে-বোৱা বিহুৱান দিয়া, বিহুলৈ বুলি জলপান খুন্দা, বিহু আহিছে বুলি হিয়া উথলি উঠা সেই মুল লক্ষণবোৰে লাহে লাহে বিদায় মাগিছে। আগৰ কৃষিমুখী সমাজৰ ভোজ ভাতৰ পয়োভৰ সাতখেলীয়া, পাঁচখেলীয়া, বাৰখেলীয়া ভাওনা, নামসবাহ আদিৰ পৰিবেশণ ক্ষীণ হৈ আহিছে। তথাপি বিহু উৎসৱ জীয়াই আছে আৰু থাকিব।

অসমীয়া সংস্কৃতিত বস্ত্ৰশিল্পৰ প্ৰাধান্য উল্লেখনীয়। যোৱা এশ বছৰৰ ভিতৰত অসমীয়া বস্ত্ৰশিল্পৰো অৱনতি ঘটিছে। ইয়াৰ মুল কাৰণ নোহোৱা নহয়, প্ৰধানত দেখুৱা হৈছে—(ক) অৰ্থনৈতিক আৰু (খ) যান্ত্ৰিক সুবিধা সহজ প্ৰাপ্তি। শুৱালকুছি, পলাসবাৰীৰ তাঁতীয়েই এই শিল্প জীয়াই ৰাখিছে বুলি ক'ব লাগিব। আগৰ জ্যামিতিক সৰলৰৈখিক ফুলৰ ঠাই আধুনিক চানেকীৰ ফুলে অধিকাৰ কৰিছে। আগৰ সাতকঠীয়া, ছকঠীয়া গাৰিয়লী, দৰিয়লী, চেলেং নাইকীয়া হ'ল। ৰিহা-মেখেলা আদৰো কমি আহিল, ছাঁতে শুকোৱা মুঠিতে লুকুৱা কাপোৰ বৰ পৰা শিপিনী আজি অসমত নাই। অসমৰ শিপিনীৰ বৈশিষ্ট্য থকা কিংখাপ, মেজাংকৰী, গোমচেং, চঁপাপতীয়া কাপোৰ চিৰদিনলৈ নাইকিয়া হ'ল।

অসমীয়া স্থাপত্য খেৰ বাঁহৰ ঘৰত। আগৰ দিনত তাকে কাঠৰ ফুল-চতি দি, হেঙল-হাইতাল সানি সজাইছিল। বৰঘৰ, মাৰলঘৰ, বাটচ'ৰা, চ'ৰাঘৰ, ৰান্ধনী ঘৰ আদি সুকীয়া ঘৰ আছিল। আচল অসমীয়া টুপ-লগোৱা ঘৰৰ আৰ্হি পাবলৈ নাই। টিনপাতৰ বঙলা আৰু পকীঘৰে দিনক দিনে গাঁৱে নগৰে ঠাই পাইছে। কাঠৰ শৰাই, সিংহাসন, থগী, মুখা আদিও তাকৰীয়া হৈ আহিছে। কাঠৰ পেড়া, ৰবপেড়া; চোৰপেড়া আদি নাইকিয়া হ'ল। বাঁহ-বেতৰ জপা, পেড়া-পেটাৰি আনকি পাচি খৰাহি আদিৰো আয়ুস কমি আহিল। কাঁহ-পিতলৰ শিল্পৰো একে অৱস্থা। আধুনিক অয়-অলংকাৰত জাতীয় বৈশিষ্ট্য একো নাই। জনচেৰেক অসমীয়া সোণাৰিৰ বাহিৰে আনে পুৰণা ৰীতিৰে বাখৰ খাজিব নাজানে। অসমীয়া অলংকাৰৰ আকাৰ আৰু খৰচ দুয়ো-টাই ডাঙৰ। ফলত কেৰু, থুৰীয়া, ঢোলবিৰি, জোনবিৰি, মাদলি, দুগদুগী, গামখাৰু আদি পিন্ধিবলৈ এৰি দিলে। শেনেপতা, জেঠীনেজীয়া, ম'ৰাপখীয়া পত্নমকলি আঙুঠিৰ জনপ্ৰিয়তা হলেও কৰোতা নাই। আধুনিক সভ্যতাই আমাৰ অসমীয়াৰ ঘৰ লুৰুকি পুৰণি সম্পদ আৰু জাতীয় বৈশিষ্ট্যখিনি চুঁচি নিছে আৰু আমাক দিনক দিনে জাতীয় সাংস্কৃতিক চৈতন্যহীন কৰি পেলাইছে।

শিক্ষা আৰু ৰাজনীতিও সংস্কৃতিৰ উপাদান। পুৰণি কালত ৰাজনীতি তথা ৰজাঘৰক কেন্দ্ৰ কৰি একো একোটি সংস্কৃতি গঢ় লৈছিল। গুপ্তযুগৰ সংস্কৃতি, মৌৰ্য্য সংস্কৃতি, মোগল সংস্কৃতি আদিলৈ আঙুলিয়াব পাৰি। কিন্তু আধুনিক যুগত কি ইংৰাজ, কি জনপ্ৰিয় চৰকাৰ কোনোটোৱেই সংস্কৃতিৰ ভেটি স্থাপন কৰিব পৰা নাই। শিক্ষাৰ ক্ষেত্ৰতো একেই কথা। মাজে মাজে পাঠ্যক্ৰম

সলনি হলেও বা শিক্ষাজীৱন চুটি-দীঘল হলেও, অসমৰ সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত কিছুমান নকল নবীচ তৈয়াৰ কৰাৰ কাৰখানা হৈয়েই আছে। অসমৰ সামগ্ৰিক শিক্ষা ব্যৱস্থাই প্ৰকৃত মানুহ গঢ়াত কিমান সহায়তা কৰিছে, সেইটো আটায়ে জনা কথা। প্ৰাচীন অসমৰ শিক্ষা ব্যৱস্থাৰ পবিত্ৰতা এতিয়া আৰু নাই। এতিয়াৰ শিক্ষা ধনে কিনা বিদ্যা।

সাহিত্যৰ মাজেদিয়েই প্ৰকৃততে এজন ব্যক্তিৰ, এখন সমাজৰ, এটা জাতিৰ মানসিক উৎকৰ্ষৰ সন্ধান পোৱা যায়। কুৰি শতিকাৰ আদি ভাগৰ চুটি গল্প, উপন্যাস, কবিতা আৰু আধুনিক যুগৰ সৃজনীমূলক সাহিত্যৰ মাজত আজি বহুতো ব্যৱধান। সম্পদ, সংখ্যা আৰু প্ৰচাৰ বাঢ়িছে সঁচা, কিন্তু প্ৰকৃত জনজীৱনৰ চিত্ৰ পাবলৈ টান।

অসমীয়া সংস্কৃতিৰ বাহিৰ ভাগটো বাহিৰৰ সম্পদেৰে উপচি পৰিছে। খাৱন-শোৱন, পিন্ধন-উৰণ, খেল-ধেমালি, কেশবিন্যাস প্ৰসাধন, সোধন পোছন আদিত অসমীয়া সত্বা পাবলৈ নাই। বিয়াৰ আয়োজন, নিমন্ত্ৰণ, অভ্যৰ্থনাত আগৰ আন্তৰিকতা আৰু সামাজিকতা নাই। হোমৰ গুৰিত মাথোন পুৰণা ৰীতিটো জীয়াই আছে। জা-জলপান, আতিথেয়তা, ৰন্ধন-প্ৰকৰণ সলনি হৈছে, গাৱেঁ-ভূঞে সমানে নগৰীয়া কৃত্ৰিমতা সোমাইছে। অয়-অলংকাৰ, সাজপাৰ, সা-সজুলি যিবোৰ পেড়া-পেটাৰিত পৰি আছে, পানীচাং, চোৰচাঙত এলান্ধুকলীয়া হৈ আছে, এই শতাব্দীৰ বিদায়ৰ লগে লগে সেইবোৰে ৰাজহুৱা সংগ্ৰহালয়ত ঠাই লবগৈ।

সংস্কৃতি পৰিবৰ্ত্তনশীল আৰু পৰিবৰ্দ্ধনশীল এইটো স্বাভাৱিক ৰীতি। সমাজ, শিক্ষা, ধৰ্ম, সংগীত, ভাস্কৰ্য্য, স্থাপত্য সকলো সাংস্কৃতিক বিষয়তে অসমীয়া সংস্কৃতিত নতুনৰ সোঁত বলিছে আৰু এই সোঁতত প্ৰাচীন অসমীয়া সংস্কৃতিয়ে বিদায় লৈছে। গতিকে সচেতন অসমীয়া ব্যক্তিয়ে অসমীয়াৰ জাতীয়ত্ব অক্ষুণ্ণ ৰখাৰ লগতে ঐতিহাসিক প্ৰাচীন অসমীয়া সংস্কৃতিক মূল সুঁতিৰ লগত সংগতি ৰাখি, নিজা বৈশিষ্ট্য ৰক্ষা কৰি এই অৱহেলিত অথচ প্ৰাচীন সংস্কৃতিৰ বিকাশ সাধনৰ ব্যাপক অনুসন্ধান, গভীৰ চৰ্চ্চা, বিস্তৃত অধ্যয়ন কৰক এয়ে আমাৰ আশা।



# নপঢ়া নশুনা সেই মানুহজন

প্ৰবক্তা ৰীণা বৰঠাকুৰ
পদাৰ্থ বিজ্ঞান বিভাগ

পৃথিৱীত বহুতো ডাঙৰ মানুহৰ জন্ম হৈছে। যিসকলৰ ...ভিন্ন দিশত থকা প্ৰতিভাই আজিও তেওঁলোকক অমৰ ...নি ৰাখিছে। কিন্তু মুঠেই পঢ়া-শুনা নকৰা এজন মানুহ ...ণ্য বিজ্ঞানীৰ আসনত স্থান পোৱাৰ দৃষ্টান্ত কেৱল ...ঞ এজন মানুহৰ জীৱনতহে ঘটিছে আৰু তাৰেই এজন ...ল উনবিংশ শতিকাত একেধাৰে ৰসায়ন তথা পদাৰ্থ ...জ্ঞানত নতুন নতুন আবিষ্কাৰে বিশ্ববাসীক খলক লগোৱা ...ইকেল ফেৰাডে।

মাইকেল ফেৰাডেৰ জন্ম হৈছিল ১৭৯১ চনৰ ২২ ...েম্বৰত। জন্মস্থান আছিল নিউইংটন বুটছৰ চুৱে নামৰ ...ণ্ডন। দুখীয়া ঘৰৰ সন্তান ফেৰাডেৰ জীৱনত "যি মূলা ...ঢ়িব দুপাততে চিন" কথাষাৰ কিন্তু সত্য হৈ উঠা নাছিল। ...কতে আনকি তেওঁৰ মুখৰ মাতও ভালকৈ নুফুটিছিল। ...ৰাডেৰ বয়স যেতিয়া সাত বছৰ আছিল তেতিয়াই তেওঁৰ ...ৱনত এটি স্মৰণীয় ঘটনা ঘটিছিল। ইংৰাজী বৰ্ণমালাৰ ...' আখৰটো উচ্চাৰণ কৰিব নোৱাৰাত বিদ্যালয়ৰ ...ক্ষয়িত্ৰীয়ে তেওঁক খুউব কোবাইছিল। এই কথাটোত ...ৰাডেৰ মাকে অন্তৰত বৰ আঘাত পাইছিল আৰু ...দ্যালয়ৰ পৰা তেওঁৰ নাম কটাই দিছিল, লগে লগেই ...ওঁৰ ছাত্ৰ জীৱন তথা স্কুলীয়া শিক্ষাৰো অৱসান ঘটিছিল। ...াৰ পিছতো তেওঁৰ জীৱনলৈ বহুতো সংঘাট আহিছিল। ...কমাত্ৰ পেটৰ ভাতমুঠিৰ বাবেই তেওঁ ঘৰে ঘৰে বাতৰিকাকত ...চাৰ কাম কৰিছিল, কিতাপৰ পকাবন্ধা কাম কৰিছিল ...ক দোকানৰ বিক্ৰেতাৰ কামো কৰিছিল। কিন্তু জীৱন ...গ্ৰামত ক্লান্ত নোহোৱা ফেৰাডে কিতাপৰ পকা-বন্ধা কাম ...ৰি থাকোতেই অন্য এখন জগতলৈ লাহে লাহে সোমাই ...ছিল। নিজ হাতে পকা-বন্ধা কিতাপবোৰ সময় পালেই ...ওঁ পঢ়িছিল, বিশেষকৈ বৈজ্ঞানিক ধ্যান-ধাৰণাৰে সমৃদ্ধ কিতাপবোৰে তেওঁক আপ্লুত কৰি ৰাখিছিল। বিজ্ঞান সম্পৰ্কীয় বিভিন্ন আলোচনা-বিলোচনাত অংশ গ্ৰহণ কৰিব নোৱাৰিলেও তেওঁ মনোযোগ দি শুনিছিল।

মাইকেল ফেৰাডেই নীৰৱ শ্ৰোতাৰ ভূমিকা লোৱা এখনি আলোচনাচক্ৰ অনুষ্ঠিত হৈছিল ১৮১২ চনত। এই আলোচনা চক্ৰখনিৰ কথা এই কাৰণেই আমি উল্লেখ কৰিছো যে, এইখনেই আচলতে মাইকেল ফেৰাডেক বিজ্ঞানী ফেৰাডেৰ জীৱনত প্ৰথম খোজটি পেলোৱাত সহায় কৰিছিল। আলোচনাত অংশ গ্ৰহণ কৰি "নিৰাপদ চাকি"ৰ আবিষ্কাৰক চাৰ হামফ্ৰে ডেভিয়ে তেওঁৰ গবেষণাৰ ওপৰত এলানি মনোমোহা বক্তৃতা দিছিল আৰু বক্তৃতাৰ নীৰৱ অথচ মুগ্ধ শ্ৰোতা ফেৰাডে গোটেই বক্তৃতাটো সাৱধানে মনত ৰাখি নিজ হাতে কিতাপৰ আকাৰত বন্ধাই পুনৰ ডেভিক উপহাৰ দিছিল। এই কামত ডেভিয়ে তেওঁক বৰ ভাল পাইছিল আৰু তেওঁৰ গৱেষণাগাৰত তেওঁক এটি সহকাৰী পদত নিযুক্তি দিছিল। ডেভিৰ গৱেষণাগাৰৰ বিভিন্ন বটল, পাইপ, টেবুল আদি নিতৌ পৰিষ্কাৰ কৰিছিল আৰু এইবিলাকৰ মাজতে ডেভিৰ পৰীক্ষা-নিৰীক্ষাবোৰ তীক্ষ্ণদৃষ্টিৰে লক্ষ্য কৰি গৈছিল। আজৰি সময়বোৰত তেৱোঁ ডেভিৰ দৰে পৰীক্ষা-নিৰীক্ষা কৰিছিল। এনেদৰে থাকোতেই ফেৰাডে আবিষ্কাৰ কৰিলে বেঞ্জিন, গেছক জুলীয়া কৰাৰ কৌশল আদি। অৱশ্যে ডেভিৰ গবেষণাগাৰত ফেৰাডেৰ দ্বাৰা আবিষ্কৃত বহুতো গৌৰৱ ডেভিয়েই ললে, তথাপিও সৰলমনা ফেৰাডে এইবিলাক কথালৈ ভ্ৰূক্ষেপ নকৰাকৈ তেওঁৰ নিজৰ বাটত বাধা নমনাকৈ আগবাঢ়ি গৈ থাকিল ক্ৰমে মহান বিজ্ঞানীৰ জীৱনলৈ।

মাইকেল ফেৰাডেৰ আবিষ্কাৰ সমূহৰ টোকা দিবলৈ হ'লে বহুত দীঘলীয়া হব। তথাপিও সেইবিলাকৰ

ভিতৰত স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষভাবে পৰিচিত দুই এটাৰ কথা উল্লেখযোগ্য। আমাৰ সকলোৰে পৰিচিত আৰু ব্যৱহৃত "ডাইনামো"ৰ আবিষ্কাৰ ফেৰাডেই কৰিছিল। চুম্বক ক্ষেত্ৰ আৰু বৈদ্যুতিক ক্ষেত্ৰ— এই দুখনৰ যিকোনো এখনৰ পৰিবৰ্তনৰ সহায়েৰে আনখন সৃষ্টি কৰিব পাৰি— এয়েই হ'ল ডাইনামোৰ মূল তত্ত্ব। এই তত্ত্বৰ ওপৰতেই নিৰ্ভৰ কৰি ফেৰাডেই প্ৰথম ডাইনামো আবিষ্কাৰ কৰিছিল। ট্ৰেন্সফ'ৰমাৰ, জেনেৰেটৰ আদিৰো মূল-তত্ত্ব এইটোৱেই। গতিকে এইবিলাক সামগ্ৰীৰ প্ৰকৃত জনক ফেৰাডেহে বুলি কলেও অত্যুক্তি কৰা নহ'ব। এইজনা বিজ্ঞানীৰ আবিষ্কাৰ পেৰা চুম্বক, অপ-চুম্বক আদিৰ ধৰ্ম্ম, বিদ্যুৎ বিশ্লেষণৰ সূত্ৰ, বিদ্যুৎ আবেশৰ সূত্ৰ আদিৰ লগতো ছাত্ৰ সকল পৰিচিত। তদুপৰি বেঞ্জিনৰ আবিষ্কাৰ, গেছক জুলীয়া কৰাৰ কৌশল আদিৰ কথা আগতে উল্লেখ কৰিছোৱেই। এইয়া থুলমুল আভাস মাত্ৰ। মহান বিজ্ঞানীজনাৰ সৃজনীশীল প্ৰতিভা ইমানেই আছিল যে, প্ৰথমে তেওঁক বিজ্ঞানী হিচাপে প্ৰতিষ্ঠিত হোৱাত সহায় কৰা চাৰ হামফ্ৰে ডেভিয়েও পিছলৈ তেওঁক ইৰ্ষাৰ চকুৰে চোৱা হৈছিল। বিখ্যাত "ৰয়েল চোছাইটি"ৰ (লণ্ডনত থকা ইউৰোপৰ বিজ্ঞানৰ প্ৰাণকেন্দ্ৰ) সভ্যসকলে যেৰাডেক ইয়াৰ সভ্যপদ আগবঢ়োৱাত ডেভিয়েই অন্তৰায় হৈ থিয় দিছিল। আনকি বৰেণ্য বিজ্ঞানী হিচাপে ইউৰোপত স্বীকৃতি পোৱাৰ পাছতো ডেভি আৰু তেওঁৰ পৰিবাৰে ফেৰাডেক চাকৰ বুলিয়েই গণ্য কৰি আহিছিল।

ব্যক্তিগত জীৱনতো ফেৰাডে অত্যন্ত সৰল আছিল। জীৱনৰ প্ৰথমছোৱাত তেওঁ যদিও নাৰী বিদ্বেষী আছিল, পিছত চাৰা বাৰ্ণহাড নামৰ এগৰাকী মহিলাৰ প্ৰেমত পৰিয়েই বিয়া কৰায়। এইগৰাকী মহিলাও সৰল প্ৰাণা, শান্ত স্বভাৱৰ আছিল। অতি কম উপাৰ্জ্জনেৰে সংসাৰখন চাৰা বাৰ্ণহাডে সুন্দৰ কৰি চলাই নিছিল। টকা-পইচাৰ কথাৰে তেওঁ স্বামীৰ কেতিয়াও বিৰক্ত কৰা নাছিল, বৰঞ্চ গৱেষণাৰ কামৰ প্ৰেৰণাহে যোগাইছিল।

সৰলমনা বিনম্ৰ ব্যৱহাৰৰ ফেৰাডেৰ মান সম্মান প্ৰতিও কোনো ধৰণৰ লালসা নাছিল। বিদ্যালয়ৰ পঢ়া শুনা নাথাকিলেও লণ্ডন বিশ্ববিদ্যালয়ে তেওঁক ৰসায় বিজ্ঞানৰ পদ যাচিছিল। সন্মানীত নাগৰিকৰ 'নাইট' উপাধি তেওঁ পাইছিল। আনকি ৰয়েল ছোছাইটি সভাপতিৰ আসনো তেওঁক দিয়া হৈছিল; কিন্তু হাঁহি মুখেৰে ফেৰাডে সকলোবিলাক অস্বীকাৰ কৰিলে। তে কোনো ধৰণৰ সন্মান বিচৰা নাছিল, বিচাৰিছিল মা সাধাৰণ বিজ্ঞানী মাইকেল ফেৰাডে হিচাবে জীয়া থাকিবলৈহে। কিন্তু পৰা নাছিল। মাত্ৰ ৪৮ বছৰ বয়স তেওঁ মানসিক বেমাৰত পৰিল। সুদীৰ্ঘ চাৰিটা বছৰ ধ এই বেমাৰত তেওঁ ভূগিলে। বহুতো নামী-দামী ডাক্তৰ আপ্ৰাণ প্ৰচেষ্টাত তেওঁ বেমাৰৰ পৰা মুক্তি পা ঠিকেই, কিন্তু আগৰ জীৱনৰ উদ্যম কৰ্মশক্তি ঘূৰা নাপালে। সাহসী, ত্যাগী কৰ্ত্তব্য পৰায়ণ ফেৰাডে বাস্তৱ সতে যুঁজ কৰি জীৱনৰ শেষৰ দিনটোলৈকে তে বিজ্ঞানৰ তথা সমাজৰ সেৱাতে ব্ৰতী থাকিল। ১৮৬ চনত এইজনা মহান বিজ্ঞানীৰ প্ৰতিভাৰ সম্পূৰ্ণ অৱলু ঘটে। ফেৰাডে আমাৰ মাজত আজি নাই সঁচা, কি মুঠেই ধনবিত নথকা, পঢ়াশালীৰ শিক্ষা নথকা অথ কৃতকাৰ্য্যভাৱে উচ্চশিখৰত আৰোহণ কৰা মাইকেল ফেৰাডে জীৱন সংগ্ৰাম সকলো যুগৰে, সকলো মানুহৰ বা অনুকৰণীয় হৈ জিলিকি ৰ'ব।

# বুদ্ধদেৱ আৰু ৰবীন্দ্ৰনাথ

শ্ৰীপ্ৰশান্ত শ্যাম
স্নাতক দ্বিতীয় বাৰ্ষিক কলা শাখা

আমাৰ এই ভাৰতবৰ্ষত তথা অসমত ধৰ্মবোধৰ মূলত আছে প্ৰধানত বৈদিক আৰু পৌৰাণিক ধৰ্ম-বিশ্বাস। সেই কাৰণেই দেখিবলৈ পাওঁ উনবিংশ আৰু বিংশ শতাব্দীৰ যিসকল মনীষীয়ে বুদ্ধদেৱ আৰু বৌদ্ধ ধৰ্মক লৈ চৰ্চ্চা কৰিছি তেওঁলোকেও ইয়াৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। পাশ্চাত্য সভ্যতা আৰু শিক্ষা-দীক্ষাৰ ঘনিষ্ঠ সংস্পৰ্শত অহাৰ ফলত আমাৰ দেশৰ শিক্ষিত সম্প্ৰদায় বুদ্ধদেৱ আৰু বৌদ্ধধৰ্মৰ প্ৰতি যথেষ্ট আকৃষ্ট হয়। এই বিষয়ে যিসকলে আলোচনা কৰিছে সেইসকলৰ ভিতৰত ৰাজেন্দ্ৰলাল মিত্ৰ, ৰমেশ চন্দ্ৰ দত্ত, সত্যেন্দ্ৰনাথ ঠাকুৰ আৰু স্বামী বিবেকানন্দৰ নাম বিশেষ ভাবে উল্লেখযোগ্য। এইসকলৰ বাদেও গিৰীশ চন্দ্ৰ ঘোষে বুদ্ধদেৱক লৈ নাটক আৰু কবি নবীন চন্দ্ৰ সেনে কাব্য ৰচনা কৰিছিল। কিন্তু তেওঁলোকে যি দৃষ্টিকোণৰ পৰা বৌদ্ধধৰ্মক প্ৰত্যক্ষ কৰিছে আৰু বিচাৰ-বিশ্লেষণ কৰিছে তাৰ ঐতিহাসিক সত্য বিচাৰৰ পৰা বৈদিক আৰু পৌৰাণিক ধৰ্মৰ প্ৰভাৱেই বেছি পৰিলক্ষিত হয়। বুদ্ধদেৱক তেওঁলোকে হিন্দুৰ দশ-অৱতাৰৰ এক অৱতাৰ বুলি আখ্যা দিছে। কিন্তু বৌদ্ধধৰ্মত ক'তো অৱতাৰবাদৰ কথা নাই আৰু বুদ্ধদেৱ নিজে কেতিয়াও নিজকে ভগৱানৰ অৱতাৰ বুলি প্ৰচাৰ কৰা নাই। বঙালী কবি জয়দেৱে সৰ্বপ্ৰথমে তেওঁৰ দশাৱতাৰ স্তুতিত বুদ্ধদেৱক অৱতাৰ ৰূপে স্থান দিছে আৰু বৌদ্ধধৰ্মক হিন্দুধৰ্মৰেই অংশ বুলি ঘোষণা কৰিছে।

অৱতাৰবাদৰ লগত বৌদ্ধ মতবাদৰ পাৰ্থক্য অতি স্পষ্ট আৰু ভগৱান যুগে যুগে অধৰ্মৰ বিনাশ আৰু ধৰ্মৰ প্ৰতিষ্ঠাৰ কাৰণে অৱতাৰ ৰূপে জন্ম গ্ৰহণ কৰে বুলি যি বাণী গীতাত উল্লেখ কৰা হৈছে বুদ্ধদেৱৰ বাণীৰ লগত ইয়াৰ কোনো মিল নাই। তেওঁ নিজৰ সম্পৰ্কে ঘোষণা কৰি কৈছিল "এইয়াই মোৰ অন্তিম জন্ম; মোৰ আৰু পুনৰাবিৰ্ভাৱ নাই।"

বুদ্ধদেৱ আৰু বৌদ্ধধৰ্ম প্ৰসঙ্গৰ আলোচনাত ৰবীন্দ্ৰনাথৰ দৃষ্টিভঙ্গী যে তেওঁৰ পূৰ্বগামীসকলৰ দৃষ্টিভঙ্গীৰ পৰা বেলেগ সেইটো সহজে চকুত পৰে। ৰবীন্দ্ৰনাথে ক'তো বুদ্ধদেৱক অৱতাৰ ৰূপে উল্লেখ কৰা নাই। আটাইতকৈ ডাঙৰ কথা বৌদ্ধধৰ্ম যে হিন্দুধৰ্মৰ অন্তৰ্গত এনে কথাও ৰবীন্দ্ৰনাথে কেতিয়াও কোৱা নাই।

কিন্তু ভাৰত ইতিহাসৰ পৰা যি দুটা মহৎ চৰিত্ৰ তেওঁ বাছি লৈছিল আৰু তেওঁৰ ৰচনাত যিসকলৰ স্পষ্ট প্ৰভাৱ উপলব্ধি কৰা হৈছিল, সেই সকলৰ ভিতৰত দুজন হ'ল বুদ্ধদেৱ আৰু অশোক। এই দুজন মহামানৱৰ প্ৰতি ৰবীন্দ্ৰনাথৰ যিমান শ্ৰদ্ধা আৰু আকৰ্ষণ আছিল সেইদৰে আন কাৰো প্ৰতি নাছিল। বুদ্ধদেৱ আৰু অশোকে ভাৰতবৰ্ষৰ স্থায়ী সাধনাক সমগ্ৰ বিশ্বত বিয়পাই দিছিল আৰু সেই হেতুকেই এই দুই মহামানৱে খণ্ডযুগৰ সীমা অতিক্ৰম কৰি মহাকালৰ কোলাত স্থায়ী আসন লাভ কৰি আজিও মানুহৰ ওচৰত পূজনীয় হৈ আছে।

বুদ্ধদেৱ আৰু অশোকে দেশ কালৰ সীমা ভেদি নিখিল মানৱৰ মনত চিৰন্তন শ্ৰদ্ধাৰ আসন লাভ কৰিছে— ইতিহাসত যাৰ তুলনা নাই। মানুহ কিহত সম্পূৰ্ণভাবে প্ৰকাশিত হয় সেই কথা কবলৈ গৈ ৰবীন্দ্ৰনাথে কৈছিল— "কেৱল পূৰ্ণ মনুষ্যত্বৰ প্ৰকাশ তাৰেই সকলো কালৰ সকলো দেশৰ সকলো মানুহক যিজনে নিজৰ ভিতৰত লাভ কৰিছে।

যাৰ চেতনা খণ্ডিত নহয় ৰাষ্ট্ৰগত, জাতিগত দেশ কালৰ কোনো সীমাত ।"

বুদ্ধদেৱৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু সুগভীৰ অনুৰাগে বাৰে বাৰে ৰবীন্দ্ৰনাথক বুদ্ধগয়াত তীৰ্থ দৰ্শনলৈ টানি নিছিল। য'ত গৈ তেওঁ শান্তি আৰু সান্তনা পাইছিল আৰু অন্তৰৰ ভিতৰত ভগৱান তথাগতৰ পূণ্য স্পৰ্শ উপলব্ধি কৰিছে।

বুদ্ধদেৱৰ প্ৰতি সুগভীৰ শ্ৰদ্ধা ৰবীন্দ্ৰনাথৰ কৰ্ম জীৱনত আৰু অন্যভাবে প্ৰকাশ পাইছে। বুদ্ধদেৱৰ পূণ্য স্মৃতি বিজড়িত বহাগী পূৰ্ণিমা আৰু আহাৰী পূৰ্ণিমা তেওঁ শ্ৰদ্ধাৰে উদ্‌যাপন কৰিছিল। আজিৰ এই হিংসা দ্বেষ জৰ্জৰিত তেজৰ পৃথিৱীত বুদ্ধদেৱৰ অহিংসা আৰু মৈত্ৰীৰ সৰ্বাধিক প্ৰয়োজনীয়তা উপলব্ধি কৰি ৰবীন্দ্ৰনাথে নানান গল্প, কবিতা আদি ৰচনা কৰি বৌদ্ধৰ মহত্বৰ বাণী প্ৰচাৰ কৰিছিল।

০ ০ ০



"আমাৰ সাহিত্য উদ্দেশ্যধৰ্মী হোৱা প্ৰয়োজন। অসমৰ বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ ভিতৰত একতাৰ সৃষ্টি কৰাই আমাৰ সাহিত্যৰ আজি আটাইতকৈ অধিক প্ৰয়োজন।"

—সীতানাথ ব্ৰহ্মচৌধুৰী

"সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।"

—জ্যোতিপ্ৰসাদ আগৰৱালা



"মই বিচাৰিছো হাজাৰ চকুত
দীপ্ত সূৰ্য্য শিখা
এই ভয়াবহ যুগসন্ধিৰ
নামিবলে বিভীষিকা।"

—নিৰ্মলপ্ৰভা বৰদলৈ

"কবিতা এক
অদ্ভুত দুখৰ অনুভূতি
বুকুৰ ক'ৰবাত
ৰ' লাগি থকা
ৰিণ ৰিণ বিষটোৰ দৰে ..............."

—ডঃ কৰবি ডেকাহাজৰীকা

# মোৰ দেশ

অধ্যাপিকা জয়ন্তী গগৈ
অসমীয়া বিভাগ

তাৰকাখচিত আকাশৰ গধুলি,
আজাৰ আৰু নাহৰৰ মাজেদি ভুমুকি মৰা
সূৰ্য্যৰ ৰাতিপুৱাৰ স'তে
মোৰ লৰালি
মোৰ দেশ, মোৰ বিস্ময়, মোৰ প্ৰথম কাব্য।
পুৱাৰ পৰা গধুলিলৈ
অতীতৰ পৰা বৰ্ত্তমানলৈ
লৰালিৰ পৰা
যৌৱনৰ এই ভৰ দুপৰলৈ
এইখনেই দেশ
অনন্ত ৰহস্যঘেৰা আকাশৰ স'তে
এইয়া মোৰ আপোন স্বদেশ।
ইয়াতেই আৰম্ভ হৈছিল বিস্ময়
বিস্ময়ৰ জয়যাত্ৰা—
বোৱতী নদীৰ শান্ত কোলাহল
বিৰিণাৰ চুমা-চুমিৰ স'তে এৰি আহিছো
নৈৰ গৰাৰ শৈশৱ—
এইয়ে সেই দেশ
মোৰ এই অপূৰ্ব্ব স্বদেশ।
সপোন জিলমিল দুচকুৰে
মোৰ পোনাটোৱে কথা পাতে
জোন, তৰা জোনাকীৰ স'তে
আকাশৰ নীলিমাত যাৰ
অপাৰ বিস্ময়—
এইয়া তাৰ দেশ
এইয়া তাৰ সপোনৰ স্বদেশ।
অট্টহাস্য কৰি
দস্যুদলে বাৰে বাৰে য'ত
বিঘ্নিত কৰে শান্তি, লুণ্ঠিত কৰে
জন্মৰ সমস্ত অধিকাৰ
এইখনেই দেশ
ককা আৰু আইতাহঁতৰ দেশ
মোৰ আৰু পোনাটিৰ দেশ
আই আৰু দেউতাৰ দেশ
এইয়ে মোৰ আপোন স্বদেশ।
লুণ্ঠিত আৰু বঞ্চিত যৌৱন
ইয়াত জুই হয়
ৰাম জন্মভূমি, বাবৰি মছজিদ
ইত্যাদি বিভিন্ন 'ইচ্যু'ৰে
সেই জুই একত্ৰিত কৰি
কটাকটি মৰামৰি কৰি
দস্যু দল ইয়াত নেতা হয়
নীলা শিয়াল ৰজা হোৱাৰ দেশ
এইয়ে মোৰ মহান স্বদেশ। ০ ০

# আইৰ চকুত তেওঁ

মোৰ অ'ইৰ চোতালত
এজন বিদেশী বন্ধুৱে
এতিয়াও শুই আছে
নীৰৱে···· ···· ···· ।
মোলৈ মেলি দিয়া
তেওঁৰ হাতখনত
এতিয়াও খামুচি আছে
এপাহি গোলাপ
হালধীয়া ।
তেওঁৰ বুকুৰ ভিতৰলৈকে
পৰি আছে
দীঘলীয়া এটা
শোকৰ ছাঁ ।
গাত লোৱা কাপোৰখনত
এতিয়াও জিলিকি আছে
বৰ্ষা মুখৰ এখন
ৰাতিৰ আকাশ ।
ওঁঠত তেওঁৰ মোলান হাঁহি
নিজান অৰণ্যৰ বুকুত
যেন হেৰাই যোৱা
এখন অনামী নদী ।
তেওঁৰ অসহায় আত্মাবোৰে
কান্দিছে মোৰ হাত ধৰি
কৱৰ খুজিছে
ঘৰলৈ যাওঁ বুলি ।
হে মোৰ চাইবেৰিয়ান বন্ধু
তোমাকনো মই
কেনেকৈ বিদায় দিওঁ ।
ঘৰতে বা কবাগৈ কি বুলি ।

শ্ৰীদেৱজ্যোতি ফুকন
স্নাতক ১ম বাৰ্ষিক ।



# শ্ৰদ্ধাঞ্জলি

( ৺শশী দেউৰীয়াৰ সোঁৱৰণত )

শ্ৰীবিশ্বজিত শইকীয়া
স্নাতক চূড়ান্ত বাৰ্ষিক

তেনেই চিনাকী সেইপাহি ফুল
পুৱঠ হবৰ নৌ হয় এথোন
ওৰণিৰ আৱৰণ ফালি
জিলিকি উঠা
এটি মিচিকি হাঁহি
মৃদু মৃদু গোন্ধ ।
উকা আকাশৰ নগৰী বিচাৰি
জোনাকী পৰুৱাৰ সৈতে এটি জোন
বিচাৰিছিলা কিয়নো মোক
তুমি কোন তুমি কোন
তোমাৰ কাঙ্খিত সেই অমাবস্যা
তুমি লগ পালা সিটিহে সপোন
সঁচা জানো সেয়া বৃন্দাবন বিপিন,
তুমি শশী আজি
কবানে মোক
দিঠকৰ নে সপোনৰ তুমি
আকাশী জোন ?

# মৃত্যু আখৰা

শ্ৰীজয়ন্ত দেউৰীয়া
স্নাতক ২য় বাৰ্ষিক ( কলা )

শতাব্দীৰ পাছত শতাব্দী ধৰি
একোখন যুদ্ধৰে আখৰা কৰিব লাগিছোঁ
দশকৰ পাছত দশক ধৰি
একেটা মৃত্যুৰ যান্ত্ৰণাকে সহিব লাগিছোঁ
নিৰৱতাৰ চোতালত
নিসংগ মন মোৰ
দৃষ্টিৰ পৰিধিত মাথো বিমূৰ্ত্ত আশাবোৰ ।

"সঁচা দোষখিনি দেখুৱাই দিলেই যদি মানুহ শত্ৰু হবলগীয়াত পৰে তেনেহলে মিত্ৰ হৈ থকাতকৈ শত্ৰু হৈ থকা বৰং উপকাৰহে ।"

—কমলাকান্ত ভট্টাচাৰ্য্য

# মনত আছেনে ?

শ্ৰীজগত গ'গ
স্নাতক ১ম বাৰ্ষিক ( কলা )

দৰিদ্ৰ নিচলা মানুহবোৰক
শীতৰ চলে বলাৎকাৰ কৰা
সেই আঘোণৰ মাহটোলৈ
মনত বাৰু পৰেনে তোমাৰ ?
শস্যৰ সম্ভাৰে
সোণালী বুকুত
ৰণৰ থলি পতা
সেই ঠাইডোখৰলৈ
মনত বাৰু পৰেনে তোমাৰ ?
'উদগ্ৰ ধ্বংসৰ নিচা
লোভৰ কুটিল দুঃসাহস'
তেজেৰে ৰাঙলি কৰা
বন্দুকৰ নলীৰে ওলোৱা
সেই জুই শিখাবোৰলৈ
মনত বাৰু পৰেনে তোমাৰ ?
হাবিয়ে বননিয়ে ফুৰা
সংগ্ৰামী বন্ধু লাচিত, তোমাৰ প্ৰিয়স্বজন
আৰু প্ৰিয়তমাক
মনত বাৰু পৰেনে তোমাৰ ?
এইবাৰ আহিনতে ৰণৰ মেলা
তেজ পিপাসু এজাক বতাহ
বাটে ঘাটে ৰাতিয়ে দিনে
আকৌ বিচাৰে তোমাক,
ৰণে ৰঙা দিনবোৰ আৰু
তেজ উতলোৱা পথাৰখনে
ৰাখিবনে বাৰু
কুশলে তোমাক ?

# অখ্যাত স্পৰ্শ

শ্ৰীৰঞ্জিত হাতীমূৰীয়া
স্নাতক ১ম বাৰ্ষিক ( কলা )

মই লিখো কবিতা গান
য'ত দেখা পাওঁ
মৃত জীৱনৰ প্ৰাণৰ স্পন্দন ।
মই লিখো কবিতা গান
তলসৰা নিৰলা ফুলৰ,
এৰাঁ স্মৃতিৰ
নিশ্চল জলাধাৰাৰ ।
মই লিখো কবিতা গান
নিঠৰুৱা বনুৱাৰ
কৃষক হৈ দ্ৰাৰিদ্ৰৰে ভৰা
জীয়াতু ভোগা যাতনাৰ ।
মই লিখো কবিতা গান
মানৱৰ বাবে
যুঁজি জাহ যোৱা ক্ষুদ্ৰ আত্মাৰ,
মই লিখো কবিতা গান
অন্যায়, অত্যাচাৰ, শোষণৰ বিৰুদ্ধে
যুঁজি ব্যৰ্থ হোৱা বিকলাঙ্গ সৈনিকৰ
মই লিখো কবিতা গান
আশ্ৰয় বিহীন
সভ্য সমাজত আবৰ্জনাৰ ।
মই লিখো কবিতা গান
হৃদয়ত মোৰ অনুভূত হোৱা
অসত্য কথাৰ সঁচা ঘটনাৰ ।



# যৌৱন আহে এনেকৈয়ে

—শ্ৰীজীতেন গগৈ
স্নাতক ৩য় বাৰ্ষিক ( কলা )

সময়ৰ খোজবোৰ এজাক বতাহ আহি
পোতেহি পেলাই ।
তাহানি দিনবোৰ ৰিণিকি ৰিণিকি বৈ
অতীতে সামৰি লয় ।
তামোলৰ পিকে ৰঙা আইতাৰ সাধুবোৰ
হাঁহিৰে বোলোৱা
নীলা, হালধীয়া, তেজীমলা
ভোগজৰা হোৱা ।
এতিয়া
দিন আৰু মাহবোৰে বছৰ গছকি
তাহানিৰ ৰহিমলা, ৰমলা, অমলা
গাত কাপোৰ লোৱা
সিহঁতৰ হাঁহিবোৰ, ধেমালী আৰু
অভিমানবোৰে
এতিয়া আহি
লাজহৈ কৰেহি আমনি
মানুহ হোৱাৰ ।
সদায়ে দেখি থকা ৰংমনৰ ছচকুৰে
ৰহিমলাই দেখা পায় নতুন সপোন
এখন আঘোণ
সোণগুটি, সোৱাগমণি, মাণিকি মধুৰী ।
মৰমবোৰে চগা হৈ চকুত আমনি কৰে
বৈ যায় হাতৰ কাচি
খহি পৰে ঘিলাচকলীয়া মুঠি ।
কালিমনৰ কলিদৈ পেপাঁৰ মাতত
ৰমলাৰ নৈৰ ঘাটত
কলহ পিচলি পৰে ।
পিছফালৰ চোতালত
মৰমৰ বুটা বাছে ।
যৌৱন হয়তুবা এনেকৈয়ে আহে । ০ ০ ০

# দুঃসময়

—শ্ৰীমণিদীপ মহন
স্নাতক ৩য় বাৰ্ষিক ( কলা )

যোৱাটো বানে
মোক নিঠৰুৱা কৰিলে
বাকৰিত হেৰাল
মোৰ দুখৰ লগৰীজনী
পোনাকণৰ মাক ।
চৰকাত পৰিলে
মোৰ তেজাল গৰুহাল,
বুঢ়ী আইৰ সাঁচতীয়া কেৰু-মণিবোৰ
এতিয়া মহাজনৰ চন্দুকত,
সেয়েহে
পছুৱৰ হাবিৰ মাজত
হৰিণীজনীৰ দৰে
ওৰে ৰাতি উচুপিছোঁ ।
সময়বোৰ দুঃসময় হ'ল
আশাবোৰ যেন
ফুলশয্যাৰ বিফল ৰাতি ।
তথাপি ..
লঘোণীয়া পেতেৰেই
এইবেলি পুণৰ নাঙলত ধৰিছোঁ
জানোচা
ৰঙালীৰ জোখাৰেই
ধান অলপ পাওঁৰেই । ০ ০ ০

# দুঃসময়

—মিচ. ৰিজুমণি গগৈ
স্নাতক ২য় বাৰ্ষিক অসমীয়া বিভাগ

কিযে দুঃসময় ! কওঁ বুলিও কব নোৱাৰি
দুখত নিমজ্জিত কলিজাৰ বাতৰি
প্ৰতি পদক্ষেপতে ভয়, শঙ্কা আৰু বিস্ময় !
আপোন সত্বা হেৰুৱাৰ আশঙ্কা !
মৃত্যু অহাৰ আগতে মৰাৰ সময় !
নিলিপ্তভাৱে তেজ আৰু বাৰুদেৰে
চুৱা হয় প্ৰতিটো প্ৰভাত
প্ৰতিটো প্ৰভাতে কঢ়িয়াই আনে
লুণ্ঠিতা মাতৃৰ খবৰ ।
বাতৰিৰ শিৰোনামাত উকা কপালৰ স্থান ।
বুকুৰ জনঙাৰে কোনেও নাচায় জুমি
কাৰ হৃদয়ে কিমান কান্দে ?
শুনিবলৈ কাৰো়ে সময় নাই
ধৰ্ষিতা গাভৰুজনীৰ শুইপৰা গান
কোনেও নলয় খবৰ
আইৰ বঢ়া ভাত যে বঢ়াতে থাকিল ।
"কালৰাত্ৰিৰ কেতিয়া পৰিব যৱনিকা" ?
সেই কথা তুমি আৰু সুধিবা
মোৰো ভয় লাগে
বতাহে শুনাকে কথা ক'বলে
চাৰিও দিশে যে কেঁচা তেজ আৰু বাৰুদৰ গোন্ধ
অসহ্য দুঃসময় !
চাকনৈয়া বা-মাৰলিৰ ভীষন বতাহ
ভগ্নী দেহত নগ্ন বাঘৰ আঁচোৰ ।

০ ০ ০


# গতি

—জ্যোতিমা দুৱৰা

এই গতি
এই গতিয়ে কথা কয় ····
নদীৰ বুকুৰ পৰা উঠি আহে শিলবোৰ; চপৰাচপৰ ।
অবাক হৈ চাওঁ 'গতি'ৰ ঘূৰ্ণিবান নৃত্য !
ওখ ওখ গছবোৰৰ খোৰোঙত আৰামকৈ শুই থকা
মেদবহুল দেহবোৰ আচাৰ খাই পৰে,
গছৰ গুৰিত ভালুকৰ উন্মত্ত আচোঁৰ ।
এই গতি
এই গতিয়ে কথা কয় ····
হিৰণ্যকশিপুৰ । অতদিনে তোৰ বুকুত চলাথ কৰি ফুৰিলো
প্ৰেমৰ অকন দাগ ।
মুকলীধৰ । এই গভীৰ অন্ধকূপত এডাল শান্তিৰ ধূপ জ্বলোৱা ।
নগ্ন আদিম অৰণ্যৰ অকৃত্ৰিম ছাঁত
অলপ জিৰণি লবলৈ দিয়া,
য'ত জীৱনৰ কিনা বেচা নহয় ।
এই গতি
এই গতিয়ে কথা কয় ।
হৃদয়ৰ দৰেই সচাঁ কথা ॥

০ ০ ০

# গ ল্পা ঞ্জ লি



অসমীয়া সাহিত্যৰ বিজয় দুন্দুভি আকৌ গৌৰৱেৰে নিনাদিত কৰি, আমাৰ মহামান্বিতা জন্মভূমি কীৰ্তিশালিনী কামৰূপৰ উপযুক্ত সন্তান বুলি পৰিচয় দিবলৈ আমি যেন সমৰ্থ হওঁ । ইয়ালৈকে দেহে-কেহে আশাসুধীয়াকৈ যত্ন কৰাটো প্ৰত্যেক শিক্ষিত অসমীয়াৰ একান্ত কৰ্তব্য, এই কথা যেন আমাৰ সদায় মনত থাকে ।

—কমলাকান্ত ভট্টাচাৰ্য্য



# বৰষাৰ বেদনা

—কুমাৰ প্ৰণৱ
উঃ মাঃ ২য় বাৰ্ষিক

ক দৰ্য্য পৃথিৱীখনত তাই আজি অৱহেলিত, পাপী । ...ইক সমাজে আজি আৰু আকোঁৱালি নলয় । নিৰাশা ...ক করুণতাক সংগী হিচাপে লোৱাৰ বাহিৰে তাইৰ ...ক একো সম্বল নাই । সন্ধিয়াৰ আকাশখনৰ দৰেই ...ইৰ অন্তৰ জ্যোতিহীন, মলিন করুণ ! ········কিন্তু তাই ...নো আশা কৰা নাছিল আন দহজনী ছোৱালীৰ দৰেই ...নৰ সেন্দূৰীয়া আলিয়েদি বাট বুলিবলৈ ? সুন্দৰ ...বিষ্যত এটাৰ বুকুত নিজক বিলাই দিবলৈ ? তেন্তে ...জি তাই কিয় সমাজৰ চকুত হৈ পৰিল অস্পৃশ্য ঘৃণনীয় । ...ৰ বাবে জানো দোষী তাই ?·········চিন্তাৰ জাল এখনে ...ৰ মন ছানি পেলালে । তাইৰ মন ক্ৰমে ক্ৰমে ...ৰি আহিল অতীতলৈ···· বহুদিনৰ আগলৈ···· তাইৰ ...ন আন্ধাৰ অন্ধকুপময় সেই দিনবোৰলৈ··········· ।

'টক্—টক্—টক্' এদিনাখন গধূলিপৰত সিহঁতৰ ...টোৰ দৰজাখন কাৰোবাৰ হাতৰ পৰশত কঁপি উঠিছিল ।

'কোন ?' টিমিক টামাককৈ জ্বলি থকা কেৰাচিনৰ ...চাকিটো হাতত লৈ বৰষাৰ পিতাক নন্দেশ্বৰ ওলাই ...হিছিল ।

'মইহে ককাই ।' শিৱসাগৰ চহৰত চাকৰি কৰা ...ৰ গাঁৱৰে ৰমেনে বাহিৰত থিয় হৈ আছিল ।

"তইনো এই ৰাতিখন কি সকামত আহিলি ? ... ভিতৰলৈ ।"

"ভিতৰলৈ নেযাও দে । কথা এটাৰ কাৰণেহে ...ৰ ওচৰলৈ আহিলো ।"

"কিনো কথা অ' ?"

"বিশেষ ডাঙৰ কথা নহয় । তোৰ ছোৱালী ...নী আছে নহয় ?"

"অ' আছে । পিছে কিনো কৰিলে তাই ?"

"তোৰ অভাৱৰ কথা জানোৱেই । আমাৰ অফিচৰ ইঞ্জিনিয়াৰ চাহাবৰ ঘৰত কাম কৰা ছোৱালী এজনী লাগে হেনো । তোৰ ছোৱালীজনীক নহলে········ ! ইয়াত অভাৱত থকাতকৈ সুখত থাকিব পাৰিব ।"

"তাই বৰ সৰু হৈ আছে অ' ৰমেন । তাই জানো ডাঙৰ মানুহৰ ঘৰত কাম কৰিব পাৰিব ? অৱশ্যে থাকিব পাৰিলে অইন নহলেও খোৱা লোৱাখিনিত অকণ শান্তি পালেহেঁতেন ।"

"তেওঁলোকে সৰু ছোৱালীহে বিচাৰিছে । শিকাই বুজাই লব ।"

"বাৰু পঠিয়াই দিম যা"

"মই অহাকালি ৰাতিপুৱাতে যাম । তাইক সাজু হৈ থাকিবলৈ কবি । তই একো চিন্তা কৰিব নালাগে । তাই তাত সুখেৰে থাকিব পাৰিব ।"

ৰমেন যোৱাৰ পিছত নন্দেশ্বৰে ঘৈণীয়েকৰ লগত বৰষাক পঠোৱাৰ কথাটো আলোচনা কৰিছিল । বৰষাই মাক-পিতাকে তাইক লৈ কৰা আলোচনাখিনি গভীৰ নিৱৰতাৰে শুনি আছিল । তাইৰ মন আনন্দত নাচি উঠিছিল । এক নতুন পৃথিৱীৰ ছত্ৰছায়াত জিৰণি লোৱাৰ আনন্দত ।

কোনোদিনেই ঘৰৰ চাৰিবেৰৰ বাজ নোহোৱা বৰষাক সুদূৰ শিৱসাগৰ চহৰলৈ পঠিয়াই দিবলগীয়া হোৱাত নন্দেশ্বৰৰ মনলৈ অব্যক্ত বেদনাৰ জোৱাৰ নামিছিল । কিন্তু দুবেলা-দুমুঠি ল'ৰা-ছোৱালীক পেট ভৰাই খুৱাবলৈ অসমৰ্থ পিতৃৰ হৃদয় জীৱন সংগ্ৰামৰ চাকনৈয়াত পৰি কঠোৰ হৈ পৰিছিল ।

পিছদিনা বোৱাৰী পুৱাতে ৰমেন আহি নন্দেশ্বৰৰ

ঘৰত উপস্থিত হৈছিল। ৰমেন অহাৰ আগতেই বৰষা সাজু হৈ আছিল। ফটা চোলাটো পিন্ধি তাইৰ কিবা কিবি লাগিছিল, তাতে ইমান দুৰলৈ এই ফটা চোলাটোৰে যাবলৈ সংকোচবোধ কৰিছিল। গাঁৱৰ চাৰি আলিটোলৈকে মাক দেউতাক আৰু ভায়েক তুটাই আগবঢ়াই থৈ গৈছিল। সকলোৱে চকুৰ আঁৰত মাকে সংগোপনে দুচকুৰে বৈ অহা চকুপানীখিনি মচি লৈছিল। মাকে তাইক বহুত বুজাইছিল, "চহৰৰ কথ, যলৈ ত'লৈ অকলে নেযাবি, যিহকে কৰিবলৈ কয় নিয়াৰিকৈ কৰিবি।" আৰু বহুত কিবাকিবি। বাছখন আহি পোৱালৈকে সিহঁত তাতে বৈ আছিল।

বাছ আহি পোৱাত ৰমেনে বৰষাক লৈ বাছত উঠিল। বাছৰ খোলা খিৰিকিৰে তাই মাক-পিতাকক নেদেখা হোৱালৈকে চাই থকা দেখিছিল। মাক-দেউতাকক নেদেখা হ'লত তাইৰ মনটো ভয়, আনন্দ, সন্দেহৰ অজান অনুভূতিত কঁপি উঠিছিল যদিও পিছমূহুৰ্ত্তত তাইৰ মুখত ফুটি উঠিছিল এটি নতুন আশাৰ ৰেঙণি।

প্ৰথমতে তাই বৰ অস্বস্তিবোধ কৰিছিল। মাক-পিতাকৰ লগত থাকিলে উৰুখা পঁজাটোৱে যেন স্বৰ্গ তেনেকুৱা এটা অনুভৱ বৰষাৰ কুমলীয়া মনত জাগি উঠিছিল। কিন্তু পিছলৈ তাই তেওঁলোকৰ পৰিয়ালৰে এজনৰ নিচিনা হৈ পৰিল। মাক দেউতাকৰ চিন্তাই তাইক আৰু আমনি নিদিয়া হ'ল। লাজ-লাজ, সংকোচ ভাৱটো তাইৰ মনৰ পৰা সম্পূৰ্ণভাৱে আঁতৰি গ'ল। কোনো শংকা নোহোৱাকৈ ঘৰখনৰ সকলো কাম কৰিব পৰা হ'ল। তেওঁলোকৰ একমাত্ৰ ল'ৰা অমৰক চোৱাৰ ভাৰো তাইৰ ওপৰতে পৰিল। ঘৰখনৰ সকলো কাম নিয়াৰিকৈ কৰিব পাৰিছিল কাৰণে তাই তেওঁলোকৰ মৰমৰ পাত্ৰী হৈ পৰিছিল আৰু তায়ো বিচৰাখিনি তেওঁলোকৰ পৰা আদায় কৰিছিল। তেনেদৰে···· ···· চাৰিটা বছৰ তাইৰ মূৰৰ ওপৰেদি পাৰ হৈ গৈছিল। তায়ো প্ৰথম দিনাখন চাহাবহঁতে দেখা সেই সৰু ছোৱালীজনী হৈ থকা নাছিল।···· ···· যৌৱনৰ পূৰ্ণ পয়োভৰ তাইৰ দেহত বিৰাজ কৰিছিল। তাইৰ দেহৰ যৌৱনৰ সমস্ত উপাচাৰবোৰে জীৱনলৈ নৱ-যৌৱন কঢ়িয়া আনিছিল।

এদিন আবেলি পৰত চাহাবে পত্নী মণিকাৰ সৈ আগফালৰ বাৰান্দাত বহি কথা পাতি আছিল। সদা দিয়াৰ দৰে সিদিনাও বৰষাই দুকাপ কফি তেওঁলোকৰ ওচৰ টেবিলখনত থৈ পিছ দিছিলহে এনেতে ইঞ্জিনিয়াৰ অশো মণিকাক উদ্দেশ্যি কোৱা শুনিলে "মণি, বৰষাজনী দেখিব বেছ ধুনীয়া হৈ পৰিছে নহয়নে? গাল দুখন একেবা ৰঙা হৈ পৰিছে।"

লাজত তাইৰ কাণ মূৰ গৰম হৈ গৈছিল। দৌ অহাৰ দৰেই তাই গুচি আহিছিল। মণিকাই কি উ দিলে তাক নুশুনিলে। তাৰপিছত বাইদেৱেকৰ কোঠ সোমাই ড্ৰেচিং আইনাৰ সন্মুখত থিয় হৈ নিজকে চা উপলব্ধি কৰিছিল— তাই সচাঁকৈ ধুনীয়াজনী হৈ পৰিছে দেহৰ গঠন লাজ লগাকৈ বাঢ়ি আহিছে। বাৰিষাৰ দি নৈখনৰ দৰেই তাইৰ বুকুখন ক্ৰমে ক্ৰমে ওফন্দি উঠিছে দেহৰ এই সমগ্ৰ পৰিবৰ্ত্তনৰ বাবেই তাই নতুনকৈ উপল কৰিলে, তাই গাভৰু হ'ল।

এনেতে বিহু আহিল। চাৰিওফালে ঢোল পে গগণাৰ মাতে ৰজনজনাই উঠিল। বিহুৱতী চৰাই সুৱদি সুৰেৰে আকাশে বতাহে বিলাইছেহি বি বাতৰি। গছ লতিকাবোৰেও ন-সাজেৰে জনাইছে বিহুৰ আগমন। ডেকা গাভৰুৰ মন দিয়া নিয়া লো বিলোৱাৰ বতৰ। চাহাবৰ ঘৰতো বিহুৰ ৰোল উঠিছে তেওঁলোকৰ লগতে বৰষায়ো আনন্দত যোগ দিছে ঘৰ-দুৱাৰ চফা কৰা, কাপোৰ কানি ধোৱা আদি কা তাই চঞ্চলতাৰে ব্যস্ত হৈ পৰিছে।

উৰুকাৰ দিনা ৰাতিপুৱা ডাইনিং টেবুলত ব অশোক, মণিকা আৰু অমৰে চাহ-জলপান খাই আছিল ওচৰতে থিয় হৈ বৰষাই পৰিবেশনত সহায় কৰিছিল খাই থকাৰ মাজতে মণিকাই অশোকলৈ চাই কৈছি "হেৰা! আজি নহলে আমি মাইঁতৰ ঘৰলৈকে যা সিদিনা অনিলে আহি মাতি থৈ গৈছে।"

"এৰা! যাব পাৰিলে ভালেই আছিল। ইমান



কৈ গৈছে। কিন্তু মোৰ ভালেমান কাম আছে।"

"এহ্‌- তোমাৰ আৰু লেঠাই নুগুচে। বিহু বুলি এবাৰ নগলে মা-দেউতাৰে ভাল পাব জানো?"

"সেইটো মই বুজিছো; কিন্তু মই যে নিৰুপায়! তুমিতো জানাই এই মাহত প্ৰধানমন্ত্ৰী অসমলৈ অহাৰ কথা। তাৰ আগতে ৰাস্তাটো উলিয়াই দিব নোৱাৰিলে মোৰ জানো চাকৰিটো থাকিব?"

"বিহু বুলি এবাৰ নগলে···· ?"

"তোমালোক তিৰে;তাবোৰ····। ···এটা কাম কৰা নহলে! তুমি অমৰকে লৈ যোৱাগৈ। ড্ৰাইভাৰজন আছেই যেতিয়া তুমি ফিয়েটখনকে লৈ যাব পাৰিবা। মই জীপখনেৰে মোৰ কাম চলাই দিম।"

"আৰু বৰষা?"

"বৰষাকো লৈ গ'লে দেখোন মোৰ খোৱাই মুদা মৰিব। তুমি আকৌ মাবৰ ঘৰ পাই মোলৈ পাহৰি নাযাবা? যিমান পাৰা সিমান সোনকালেই আহিবলৈ চেষ্টা কৰিবা। তুমি নেথাকিলে মোৰ অৱস্থা কি হ'ব তুমি জানাই নহয়?"

অমৰক লৈ মণিকা মাকৰ ঘৰলৈ গৈছিল। যাবৰ সময়ত বৰষাক দঢ়াই দঢ়াই কৈছিল—অশোকৰ খোৱা-লোৱাত যাতে অকণো কষ্ট নহয় আৰু ঘৰৰ যাৱতীয় কামখিনিও তাই যাতে নিয়াৰিকৈ কৰে।

মণিকাহঁত যোৱাৰ পিছত বৰষাৰ মনতো উকা-উকা লাগিল। বিশেষকৈ অমৰৰ কাৰণে তাইৰ আৰু বেয়া লাগিল। সি যে তাইক কোমল অন্তৰৰ অকপট মৰমেৰে নিজৰ বায়েকৰ দৰেই মৰম কৰে। যাবৰ সময়ত সি বৰষাক কৈছিল— "উষাবা, তুমিও আমাৰ লগত ব'লানা।" তাৰ সেই কথাষাৰ তাইৰ মনলৈ বাৰে বাৰে আহি আছে।

"দাদা মোক কেলেই মাতিছিল?"

"অ, মোৰ উভতি আহোতে দেৰিও হ'ব পাৰে। তই ভাতপানী খাই শুই থাকিবি। মোলৈ বাট চাই থাকিব নেলাগে।" কথাখিনি কৈয়ে অশোকে জীপখন লৈ ওলাই গৈছিল।

মাজনিশা কলিংবেলৰ কৰ্কশ মাতত তাই খকা-মকাকৈ সাৰ পাই উঠিল। বৰষাৰ মন অজান অনুভূতিত কঁপি উঠিছিল। পৰ্দা গুচাই খিৰিকিৰ আয়নাৰে অশোকক দেখি দৰজা খুলি দিছিল। অশোক সোমাই আহিলত তেওঁৰ মুখৰ পৰা অহা ভেকেটাহেকেট গোন্ধ এটা তাইৰ নাকত লাগিছিল।············কাপোৰবোৰ সলাই থাকোতেই বৰষাক সুধিলে, "উষা, তোৰ টোপনি আহিছিল নেকি?"

"অ' আহিছিল।"

"মোলৈ ভাত বাঢ়ি থৈছ ?"

"ডাইনিং টেবুলতে আপোনাৰ ভাত থৈছো।"

ম-ম-ই ভাত নেখাওঁ। অশোকৰ মাত ক্ৰমে অস্ফুট হৈ আহিছিল। বৰষাই কি কৰো কি নকৰো ভাবি কৈছিল, "দাদা মই এতিয়া শুই থাকোগৈ।"

বৰষাই কথাখিনি কৈ পিছ দিবলৈ নাপাওঁতেই অশোকে তাইৰ হাতত থাপ মাৰি ধৰিলে। কি ঘটি গ'ল চিন্তা কৰাৰ আগতেই অশোকে এক প্ৰকাৰ চোচোৰাই লৈ যোৱাৰ দৰেই লৈ গৈ বিছনাত বগৰাই লৈ হিংস্ৰ জন্তুৰ দৰেই তাইৰ ওপৰত জপিয়াই পৰিল। এক ভয়াৰ্ত চিৎকাৰ কৰি বৰষাই সেই পাষণ্ডৰটোৰ কবলৰ পৰা ওলাই আহিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে; কিন্তু তাই সেই জবৰজং মানুহটোৰ কবলৰ পৰা মুক্ত হব নোৱাৰিলে! গভীৰ নিশা তাইৰ সেই চিৎকাৰ অৰণ্য ৰোদনতহে পৰিণত হ'ল।

উপায় নাপাই তাই আশোকক কাকূতি মিনতি কৰিলে তাইক এৰি দিবলৈ। অশোকে মাথোন ক'লে "মই আজি তোক এৰি নিদিওঁ। এনেকুৱা এটা ছেগকে ইমানদিনে বিচাৰি আছিলো"।

মানুহৰূপী শগুণটোৱে তাইৰ দেহৰ মাংসবোৰ খাবলৈ উঠি পৰি লাগিল।········ তাই অনুভৱ কৰিলে তাইৰ দেহটো যেন বিষাক্ত এডাল সাপে মেৰিয়াই ধৰিছে। প্ৰতিপক্ষৰ যুদ্ধত হাৰি যোৱা সৈনিকৰ দৰে বৰষাইয়ো তাইৰ অসহায় দেহটো এৰি দিলে শোষণ-নিষ্পেষণ অত্যাচাৰ অনাচাৰেৰে আৱৰা এজন পুৰুষৰ হৃদয়হীন আচৰণত।

…… ইমানদিনে সযত্নে ৰাখি থোৱা তাইৰ দেহ সুধা সেই পশুটোৰ কৱলত পৰি নিঃশেষ হৈ গ'ল। … লাহে লাহে তাই নিশ্চল হৈ পৰিল। দেহটো অৱশ অৱশ লাগিল।

জ্ঞান পাই দেখিলে উলংগ প্ৰায় দেহটো লৈ তাই পশুটোৰ ওচৰত পৰি আছে। ধহমহকৈ উঠি ওচৰতে পৰি থকা তাইৰ কাপোখিনি বুটলি পিন্ধি ললে। তাইৰ অলক্ষিতে ধাৰাসাৰে চকুলো বাগৰি আহিল। তাই যাত্ৰা আৰম্ভ কৰা নাওঁখন মহাসমুদ্ৰৰ মাজ পাঁওতেই তলি ফুটি থাকিল। বুকুৰ গভীৰ তলিৰ পৰা কঁপি কঁপি ওলাই অহা কান্দোনখিনি চেপি ধৰি তাই সেই পাষণ্ডটোৰ কাষৰ পৰা আঁতৰি আহিল অনিশ্চিত ভৱিষ্যতৰ অন্ধকাৰ বুকুলৈ। তাইৰ জীৱনৰ প্ৰতি বিতৃষ্ণা জন্মিল। হিয়াহীন ভগৱানৰ ওপৰতো তাইৰ বিশ্বাস নোহোৱা হ'ল। তথাপি তাই মৰিব নোৱাৰে …… ।

লাহে লাহে আন্ধাৰ ফালি সূৰুযটোৱে পুব আকাশত ভুমুকি মাৰিছিল। তাই খৰ-ধৰকৈ কাপোৰৰ বেগটো হাতত লৈ ৰাস্তাত ভৰি দিলে। শেষবাৰৰ কাৰণেও ঘৰটোলৈ এবাৰ চাবলৈ তাইৰ ভয় লাগিল। সমাজৰ ৰাজহাড়ত থিতাপি লোৱা কেঞ্চাৰ বেমাৰটোৰ বিষয়ে সম্পূৰ্ণ অনভিজ্ঞ বৰষাই কি কৰিব কি নকৰিব একো স্থিৰ কৰিব নোৱাৰি ঘৰলৈ ঘূৰি যোৱাটোকে ঠিক কৰিলে।

গোটেই বাটতো তাই নীৰৱ হৈ বহি আহিছিল। কেতিয়াবা গাড়ীৰ খোলা খিৰিকিৰে জোৰেৰে পাৰ হৈ যোৱা গছবোৰ চাইছিল— দৃষ্টিত উদাস। যিমানে গাড়ী আহি ঘৰৰ ওচৰ পাইছিল সিমানে তাই অনুভৱ কৰিছিল যেন এচপৰা কলা মেঘে ক্ৰমে ক্ৰমে আহি আছে আৰু অলপ পিছতেই গোটেই পৃথিৱীখন ছানি পেলাব। পিছ মুহূৰ্ত্ততে তাইৰ দৰিদ্ৰতাই জৰ্জৰিত কৰা মাক দেউতাক আৰু ভায়েক ছুটালৈ মনত পৰাত অব্যক্ত বেদনাত তাই বুকুখন হেঁচা মাৰি ধৰিলে।

এটা সময়ত বাছখন আহি বেঙেনাবাৰী তিনিআলিত ৰৈ গৈছিল। মাটিত ভৰি দিয়াৰ লগে লগে তাইৰ অন্তৰখনে কান্দি উঠিছিল। পুনৰ উদাস ভাবেই বৰষাই ঘৰলৈ বুলি খোজ লৈছিল।

বৰষা! তাইৰ নাম আচলতেই বৰষাই। গোলাপ ফুলৰ কলিত যদি কাঁইট থাকে তাইৰ গাঁত কাঁইট নাই। যৌৱনে তাইৰ গাত দেখা দিছেহি মাত্ৰ। তাইৰ খোজত যদি আগতে বিৰিণা বন কঁপিছিল এতিয়া আৰু নকঁপে। তাইৰ চাৱনিত এতিয়া মাদকতা নাই আছে বিষন্নতা। যৌৱনে তাইক এতিয়াও আমনি কৰাৰ বয়স হোৱা নাছিল।

বিহুৰ দিনাখনেই তাইক অহা দেখি ঘৰৰ আটাই কেইটা প্ৰাণী লৰি ঢাপৰি ওলাই আহিছিল। তাই বহু সময় তন্ময় হৈ পিতাকলৈ চাই থাকিল। তাই তেনেদৰে থকা দেখি পিতাকে কৈছিল "আহ! নাহ কেলেই? ইঞ্জিনিয়াৰ চাহাব সঁচাকৈ ভাল মানুহ, নহলেনো তোক বিহুৰ দিনাই ঘৰলৈ পঠিয়াই দিয়েনে?" —সকলোৰে প্ৰতি উদাৰ পিতাকৰ কথাবোৰে তাইৰ বুকুখন কঁপায় তুলিছিল।

তাই গভীৰ বেদনাৰে পিতাকৰ ডিঙিত ধৰি হুক-হুকাই কান্দি দিলে। ইমান সময়ে শান্ত সৌম্যৰ দৰে থিয় দি থকা কৃষ্ণচূড়া গছজোপাৰ এমুঠি জোনাকে পাহাৰী ঝৰণাৰ দৰে হুচকুৰে ওলাই অহা বৰষাৰ চকুপানিখিনি আৰু উজ্বল কৰি তুলিলে ।।।—

# অস্তগামী সূৰুযৰ ৰাঙলী আভা

—মিচ. ৰীতামণি গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক ( অসমীয়া বিভাগ )

শিৱসাগৰৰ পৰা যোৰহাট অভিমূখে কেইখনমান গাড়ী সাৱলীল গতিৰে আগুৱাব ধৰিছে। গাড়ী কেইখনে ন বৰযাত্ৰী কঢ়িয়াইছে দেখিলেই ধৰিব পাৰি। পুষ্প সজ্জিত গাড়ীখনৰ ভিতৰত দৰাৰ সাজত অবিনাশ। কাষত বন্ধুয়েক অজয় আৰু অজয়ৰ পত্নী বিনী। লগত আছে সম্বন্ধীয় মোমায়েক আৰু বৰযাত্ৰীসকল। গাড়ী অবিৰাম গতিৰে গৈ আছে। কাৰো একো শব্দ নাই যেন এক মৌনযাত্ৰাহে। অবিনাশে ভাৱিলে অন্ত নহওঁক এই যাত্ৰা। দৰাৰ সাজত দেহাটো লৈ অবিনাশ যদিও গাড়ীৰ ভিতৰত, তথাপি মনটো উৰা মাৰিলে ছয় বছৰৰ আগৰ সেই দিনবোৰলৈ।

শিৱসাগৰৰ নিবাসী নামী অধিবক্তা বৰুণ চৌধাৰীৰ একমাত্ৰ সন্তান অবিনাশ চৌধাৰী। শিৱসাগৰৰ পৰা বি, এচ, চি পৰীক্ষাত সন্মান সহকাৰে উত্তীৰ্ণ হৈ অবিনাশ গুৱাহাটীলৈ উচ্চ শিক্ষাৰ বাবে বিশ্ববিদ্যালয়ত পঢ়িবলৈ যায়। সুখ্যাতিৰে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী গ্ৰহণ কৰি নতুনকৈ স্থাপিত হোৱা বেংক এটাৰ মেনেজাৰ পদত নিযুক্ত হয়। বহুতো বন্ধু লগ পালেও অজয়হে আছিল অবিনাশৰ অন্তৰঙ্গ। অজয় বৰুৱাৰ ঘৰ গুৱাহাটীতে। অজয়েও অবিনাশৰ লগতে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰি স্থানীয় মহাবিদ্যালয় এখনতে অধ্যাপনা কৰিবলৈ লৈছিল।

গুৱাহাটীত অবিনাশ ভাড়া ঘৰত থাকিলেও অজয়হঁতৰ ঘৰলৈ প্ৰায়ে গৈ আছিল। অজয়ৰ মাক-দেউতাকে অবিনাশকো তেওঁলোকৰ নিজৰ লৰাৰ দৰে মৰম কৰে। অজয়ৰ ভনীয়েক ৰূপাইও অবিনাশক নিজৰ ককাইদেউৰ দৰে মৰম কৰিছিল। অজয়, অবিনাশ আৰু ৰূপাই আজলি সময়ত একেলগে ফুৰিবলৈ যায়। অবিনাশৰ গাড়ীতে সিহঁতে সদায়ে ফুৰে। কেতিয়াবা চিনেমা চাবলৈ, কেতিয়াবা বন্ধুৰ ঘৰৰ পাৰ্টীলৈ, কেতিয়াবা আকৌ ৰূপাৰ বান্ধৱীবোৰৰ ঘৰলৈ।

এনেদৰেই অবিনাশৰ চিনাকি হয় ৰূপাৰ বান্ধৱী নিৰ্মালিৰ লগত। ৰূপাৰ কথা মতেই অবিনাশে এদিন গাড়ী চলাই নিব লগা হৈছিল এটা গাৱলীয়া পথেৰে। অজয়ৰ সেইদিনা কোনো কামত ব্যস্ত থকাত ৰূপাই অবিনাশক জোৰ কৰি লৈ গৈছিল। গাৱঁৰ একা-বেকা, খলা-বমা পথেৰে অতি কষ্টৰে গাড়ী চলাই নিব লগা হোৱাত অবিনাশৰ মনে মনে খুব খং উঠিছিল। কিন্তু ঠেঁহ লগাৰ ভয়ত সি তাৰ খং প্ৰকাশ কৰা নাছিল। আনহাতে ৰূপাৰ আনন্দ চাই কোনে! তাই আনন্দ মনেৰে কৈ গৈছিল নিৰ্মালিৰ কথা। বুজিছা অবিদা, তুমি দেখিলে জানিবা মোৰ লগৰ ছোৱালী নিৰ্মালি কিমান ধুনীয়া। কিমান যে ভাল ছোৱালী তাই; আৰু জানা অবিদা, নিৰ্মালিয়ে খুব ধুনীয়া গানো গায়। আমাৰ কলেজত এইবাৰ তাই শ্ৰেষ্ঠা গায়িকা হৈছে। এনেদৰে আৰু বহুত কিবা কৈ গৈছিল ৰূপাই। অবিনাশে কিন্তু মুখেৰে একো নকৈ কেৱল নীৰৱে শুনি গৈছিল। এই অবিদা, শুনিছা নাই? এইবুলি এবাৰ চিঞৰাতহে অবিনাশে উহ শুনিছো আৰু কিমান দূৰ যাব লাগিব বুলি সুধিলে।

অৱশেষ্যে আৰু বেছি কষ্ট কৰিব লগা নহ'ল অবিনাশে। তুৱৰ মানুহ পাৰ হৈয়ে ৰূপাই চিঞৰি উঠিল ৰখোৱা, ৰখোৱা পালোহি। অবিনাশে মন কৰিলে এটা দীঘল পদূলি। কাষত এখন ধুনীয়া ফুলনি আৰু তাৰ পাছতেই এটি সাধাৰণ কিন্তু পৰিপাটি ঘৰ। ৰূপাই গাড়ীৰ পৰা নামি প্ৰায় দৌৰি গোৱাদি

গৈ নিৰ্মালি নিৰ্মালিকৈ চিঞৰিলে ! । অবিনাশেও গাড়ীৰ পৰা নামি লাহে লাহে ৰূপাৰ পাছে পাছে যাব ধৰিলে । এই অবিদা, সোনকালে আহা বুলি-চিঞৰাতহে অবিনাশে সেইফালে চাই দেখিলে সেই সাধাৰণ ঘৰটিৰ পৰা ওলাই আহি ৰূপাৰ হাতত ধৰিছেহি যেন এক মায়াবিনীয়ে । পৃথিবীত ইমান ধুনীয়া নাৰীও থাকিব পাৰেনে ? অবিনাশে ভাবিলে । এই মোৰ বান্ধৱী নিৰ্মালি আৰু এইয়া মোৰ অবিদা বুলি দুয়ো দুয়োকে চিনাকি কৰাই দিলে ৰূপাই । নিৰ্মালিয়ে নম্ৰভাৱে নমস্কাৰ জনাই অবিনাশক এখন চকী বহিবলৈ আগবঢ়াই দিলে । অবিনাশেও যন্ত্ৰ মানৱৰ দৰে প্ৰতি নমস্কাৰৰ ভংগীৰে হাতদুখন ওপৰলৈ তুলি বহিবলৈ দিয়া আসনখনত বহি পৰিল । সি মনতে ভাবিলে এইয়া যে কবিৰ মনৰ মানস প্ৰতিমা । সেইদিনা নিৰ্মালিহঁতৰ ঘৰত সকলোৰে লগত চিনাকি হৈ খুউব ভাল লাগিল অবিনাশৰ । অবিনাশে জানিব পাৰিলে নিৰ্মালিৰ দেউতাক গাওঁৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক । ভায়েক দুয়োটাই গাওঁৰ হাইস্কুলত পঢ়ি আছিল । নিৰ্মালিৰ মাক এগৰাকী সাদৰী মানুহ । সকলোৰে লগত চিনাকি হৈ বাটত উঠি অহা খংটো অবিনাশৰ মনৰ পৰা নিমিষতে আঁতৰি গৈছিল ।

সেইয়াই আছিল অবিনাশৰ নিৰ্মালি বৰুৱা নামৰ ছোৱালীজনীৰ লগত প্ৰথম চিনাকি । প্ৰথমতে ৰূপাই লগ ধৰোতেও আহিবলৈ ইচ্ছা নকৰা অবিনাশ পিছলৈ অকলে অকলে আহিব পৰা হ'ল নিৰ্মালিৰ ঘৰলৈ । ক্ৰমান্বয়ে অবিনাশ আৰু নিৰ্মালিৰ মাজত আন্তৰিকতা বাঢ়ি যাবলৈ ধৰিলে গভীৰৰ পৰা গভীৰতালৈ ।

বৰ্ষাসিক্ত নৈৰ কোৱাল সোঁতৰ দৰেই দিনবোৰ ববলৈ ধৰিলে । চাকৰিৰ ছুটিৰ অভাৱত অবিনাশ বহুতদিন ঘৰলৈ যাব পৰা নাছিল । এদিন অবিনাশে মাক-দেউতাকৰ পৰা এখন চিঠি পালে । সেই চিঠিত দেউতাকে তাৰ বাবে যোৰহাটৰ ছোৱালী এজনী ছোৱাৰ কথা লিখিছে আৰু সি এবাৰ চাই গলেহিয়েই তাৰ বিয়াখন সোনকালে পতাৰ কথা লিখিছে । চিঠিৰ উত্তৰত দি

অবিনাশে মাক-দেউতাকক নিৰ্মালিৰ ঘৰৰ কথা অ... তাইৰ লগত গঢ়ি উঠা তাৰ আন্তৰিকতাৰ কথা অ... তাইৰ লগত বিয়া হোৱাৰ কথা স্পষ্টভাৱে জনাই দিলে

অবিনাশৰ চিঠিখন পোৱাৰ লগে লগে মাক-দেউত... দৌৰি আহিল সি থকা ভাড়াঘৰলৈ । মাকে তাক ব... বুজালে । দেউতাকে খঙেৰে কৈছিল, 'তই মোৰ একম... সন্তান হৈ সাধাৰণ পৰিয়ালৰ ছোৱালী এজনী বিয়া কৰাব ওলাইছ ; এইটো কেতিয়াও হব নোৱাৰে । মোৰ ম... সন্মান থাকিব ক'ত ? ইতিমধ্যে মই ঠিক কৰা ছোৱা... জনীৰ দেউতাকক কথা দিছোৱেই তেখেতৰ কন্যাক ... বোৱাৰী কৰিম বুলি । অবিনাশ কিন্তু নাচোৰ-বান্দা, স্পষ্টকৈ মাক-দেউতাকক কৈ দিলে যে নিৰ্মালিৰ বা... আন ছোৱালী সি কেতিয়াও বিয়া কৰাব নোৱাৰে আকোঁৰগুজীয়া পুতেকক বুজাব নোৱাৰি তেওঁলোক উ... যাবলৈ বাধ্য হৈছিল । মাক বেজাৰত ভাগি পৰিছিল দেউতাকে যাবৰ সময়ত খঙতে অবিনাশক কৈ গৈ... যে তাৰ লগত তেওঁলোকৰ আৰু কোনো সম্বন্ধ নাই সি যেন কোনোদিনে নাভাৱে মাক দেউতাক থকা এ... ঘৰ আছে বুলি ।

বেজাৰ লাগিছিল অবিনাশৰ, কিন্তু সি যেন ... সৰ্বস্ব ত্যাগ কৰিব পাৰিলেও নিৰ্মালিক এৰিব নোৱাৰে নিৰ্মালিক সি সকলোবোৰ কথাই কৈছিল । তাইৰ বাধি... তাৰ অন্তৰত আনৰ স্থান নাই । সেইদিনা একো ... পৰা নাছিল নিৰ্মালিয়ে । কেৱল অবিনাশৰ বুকুত মুখ... কান্দিছিল । কিছুদিনৰ পিছতেই অগ্নিক সাক্ষী নকৰিবে... মন্দিৰৰ বিগ্ৰহক সাক্ষী কৰি অবিনাশে নিৰ্মালিক ... জীৱনলৈ লৈ আহিল জীৱন সঙ্গী কৰি । বিয়াৰ এমা... পাছতে অবিনাশৰ চাকৰিৰ কৰ্মস্থলী ডিফুলৈ বদলি হ... নিৰ্মালিক লগত লৈ অবিনাশ নতুন কৰ্মস্থলীলৈ গুচি যা...

অবিনাশ-নিমিহঁতৰ এই সৰু পৃথিবীখনত ... পাৰভঙা আনন্দ । দুটি প্ৰাণীৰ বাহিৰে যেন ইয়াত কো... নাই । অৱশ্যে ইমান আনন্দৰ মাজতো নিৰ্মালিয়ে কেতিয়া... মন মাৰি থাকে । অবিনাশে বুজে নিৰ্মালিৰ এই ... কিহৰ বাবে । নিৰ্মালিয়ে তাক কেইবাদিনো শিৰসাগ... ঘৰলৈ লগ ধৰিছে । কিন্তু দেউতাকৰ খঙটোৰ কথা ভাবিয়েই নিৰ্মালিক তাৰ ঘৰলৈ লৈ যাব পৰা নাছিল । মাক-দেউতাকলৈ মনত পৰিলে কেতিয়াবা অবিনাশৰো বেয়া লাগে । কিন্তু তাৰ সেই দুখ নিৰ্মালিৰ আগত প্ৰকাশ কৰি নেদেখুৱায় । বৰঞ্চ নিৰ্মালিয়ে মন মাৰি থাকিলে হাঁহি-ধেমালি কৰি তাইক কৰবালৈ ফুৰাবলৈ লৈ যায় ।

এইদৰে আনন্দ আৰু বেজাৰৰ মাজেৰে দিনবোৰ পাৰ হৈ গৈছিল । এবছৰ মানৰ পাছতেই অবি-নিমিহঁতৰ কোলালৈ আহে সিহঁতৰ মৰমৰ স্বাক্ষৰ মৰমমণি । মৰমমণিয়ে পাহৰাই পেলালে সিহঁতৰ অন্তৰৰ দুখবোৰ, লাহে লাহে মৰমমণিয়ে হাঁহিবলৈ শিকিলে । তাৰ হাঁহিত যেন সৰগৰ ফুল ফুলে । অবিনাশ আৰু নিৰ্মালিয়ে মৰমমণিক পাই ধৰিবই পৰা নাছিল দিনবোৰ কেনেকৈ গৈছে । কিন্তু সিহঁতক আচৰিত কৰি দিলে এখন চিঠিয়ে চিঠিখন অবিনাশৰ মাক-দেউতাকে লিখিছে । চিঠিত তেওঁলোকে অবিনাশ আৰু নিৰ্মালিক ঘৰলৈ এবাৰ আহিবলৈ লিখিছে । একমাত্ৰ সন্তানৰ প্ৰথম নাতি দেখাৰ হেপাঁহত তেওঁলোক যেন ব্যাকুল । দেউতাকে লাহে লাহে খংবোৰ পাহৰিছিল । কিমান দিন থাকিব একমাত্ৰ পুত্ৰ আৰু বোৱাৰীয়েকক নেদেখাকৈ ? সেয়ে তেওঁলোকে অবিনাশ আৰু নিৰ্মালিক মাতি পঠাইছে । চিঠিখন পঢ়ি নিৰ্মালিৰ দুগালেদি বৈ আহিল দুধাৰি অশ্ৰুসিক্ত নিজৰা আৰু সেই নিজৰাই যেন উটুৱাই লৈ গ'ল সিহঁতৰ সৰু সংসাৰখনৰ সকলোবোৰ দুখ ।

মাক-দেউতাকৰ চিঠিখন পোৱাৰ দুদিনৰ পাছতেই এমাহৰ ছুটি লৈ অবিনাশে নিৰ্মালি আৰু মৰমমণিক লৈ নিজৰ গাড়ীৰে ঘৰ অভিমুখে ৰাওনা হ'ল । সেইদিনা যেন সিহঁতৰ আনন্দৰ সীমা নাই । ড্ৰাইভাৰৰ আসনত অবিনাশ নিজে আৰু তাৰ নিচেই কাষত নিৰ্মালি, কোলাত মৰমমণি । গাড়ীৰ পিছৰ চিটত নিৰ্মালিয়ে আত্মীয়-স্বজনৰ ঘৰলৈ যি মন যায় তাকেই উঠাই লৈছিল । ... । ... অবিনাশহঁতৰ গাড়ীৰ ভিতৰতেই সন্ধ্যা হৈ গৈছিল ।

ঘৰ পাবলৈ আৰু বেছি দূৰ নাই, মাত্ৰ কেই কিলোমিটাৰ মান দূৰ বাট আছে । ৰাস্তাৰ সমাগম কম থকাত অবিনাশে গাড়ীৰ স্পিড্ কিছু বঢ়াই দিলে । মুখেৰে গানৰ কলি এটা গুণ-গুণাই আহি আছিল । নিৰ্মালিয়েও কিবা কথা কৈ হাঁহিছিল । হঠাতে ৰাস্তাৰ মাজেৰে গৰু এজনী পাৰ হবলৈ ধৰাত আনন্দ মনেৰে আহি থকা অবিনাশে গৰুজনীক বচাবলৈ গাড়ীখন পথৰ কাষলৈ লৈ যায় । কিন্তু বেছি কাষলৈ যোৱাত ভাৰসাম্য ৰাখিব নোৱাৰি গাড়ীখন দুই, তিনি পাক খাই কাষৰ দ খাৰৈত পৰিলগৈ । ভৰা নাছিল সিহঁতে এই আনন্দৰ জোৱাৰ যে খন্তেকীয়া ।

প্ৰথমতে যাত্ৰী কঢ়িওৱা বাছ এখনেই দেখা পালে সেই কৰুণ দুৰ্ঘটনাটো । লগে লগে বাছৰ সকলো যাত্ৰী নামি আহিল দুৰ্ঘটনাত পতিত গাড়ীখনৰ প্ৰাণীকেইটিক বচাবলৈ । নিমিষতে খবৰটো কেউফালে বিয়পি পৰিল । লগে লগে মানুহৰ সমাগম বেছি হ'ল । অবিনাশৰ মাক-দেউতাকো খবৰ পায়েই দৌৰি আহিল । মাকৰ মুৰ্চ্ছাপ্ৰায় অৱস্থা হ'ল ।

প্ৰথমে মানুহবিলাকে উদ্ধাৰ কৰে এটি ফুলকুমলীয়া শিশুক । সি গভীৰ টোপনিত লাল-কাল । সেই টোপনিৰ পৰা যে তাক আৰু কোনেও জগাব নোৱাৰে । সেই হৃদয়বিদাৰক দৃশ্যটি উপস্থিত মানুবিলাকে চাব পৰা নাছিল । তাৰ পাছতেই মানুহবিলাকে গুৰুতৰ অৱস্থাত অবিনাশক উদ্ধাৰ কৰে । কিন্তু বহু সময়লৈকে শিশুটিৰ মাকক বিচাৰি পোৱা নাছিল । গাড়ীৰ ভিতৰত অনা বস্তুবোৰ ওপঙি গৈছিল । অৱশেষত প্ৰায় কেইবাঘণ্টাৰ পাছত খাৱৈৰ কিছু দূৰত এটি নাৰিদেহ উদ্ধাৰ কৰিলে । সেয়া আছিল শিশুটিৰ মাক । লগত মৰমমণিৰ খেলাকৰা পুতলাও উদ্ধাৰ হ'ল । এই বৰ্ণনাতীত দৃশ্যটিৰ কথা বুজিবলৈ আৰু চাবলৈ কাৰো বাকী নাথাকিল ।

মাক আৰু শিশুটিক লৈ যোৱা হৈছিল ওচৰৰ চিকিৎসালয়লৈ পোষ্ট মৰ্টেম'ৰ বাবে আৰু অবিনাশক লৈ আহিছিল ঘৰলৈ । পোষ্ট-মৰ্টেম'ৰ পাছত দুয়োটা মৃতদেহ

এখন বগা কাপোৰে ঢাকি চাঙিত উঠাই কেইজনমান যুৱকে লৈ আনিছিল বৰুণ চৌধুৰীৰ ঘৰলৈ। সেইদিনা চৌধুৰীৰ ঘৰত শ শ অশ্ৰুসিক্ত জনতাৰ সোঁত। কোনোবাই বগা কাপোৰখন আঁতৰাই দিলে। কঠোৰ অন্তৰৰ অধিকাৰীজনৰো হয়তো সেই দৃশ্য দেখি চকুৰ পানী নোলোৱাকৈ নাথাকিল। শিশুটিক কাষত ৰাখি সেইয়া যেন কাহানিও উদং নোহোৱা মাতৃৰ বুকু। অবিনাশৰ মাক-দেউতাকে ভবা নাছিল তেওঁলোকৰ মৰমৰ বোৱাৰীজনীয়ে ইমান ধুনীয়া আছিল। আৰু সেই নিষ্পাপ শিশুটি? সি যেন এইমাত্ৰ চকুমেলি ককাক আইতাকলৈ চাই মিচিকিয়াই হাঁহিব। আইতাকে বলিয়াৰ দৰে চুমা আঁকি দিছিল তাৰ গালে-মুখে। শ্মশানলৈ নিয়াৰ আগমুহূৰ্ত্তত আধা মছ খাই যোৱা নিৰ্মালিৰ কপালৰ ফোঁটটো কোনোবা এগৰাকীয়ে কপাঁ কপাঁ হাতেৰে ডাঙৰকৈ দি দিলে। নিৰ্মালিৰ কপালত ফোঁটটোৱে পশ্চিমৰ আকাশত মাৰ যাব ধৰা বেলিটোৰ দৰে জিলিকি উঠিল।

ইফালে অবিনাশ? এদিনৰ পাছতে চকু মেলি দেখা পালে এটি কোঠাৰ ভিতৰত এখন বিচনাত সি শুই আছে, তাৰ নিচেই কাষতে মাক আৰু ওচৰত পৰিয়ালৰ কিছুমান মানুহ। চকু মেলিয়েই অবিনাশে নিমি, মৰমমণি বুলি তুবাৰমান উচ্ছাৰণ কৰিলে। মাকে আৰু ৰৈ থাকিব নোৱাৰিলে তাক বুকুত সাৱটি লৈ কান্দিলে। লাহে লাহে অবিনাশে সকলোবোৰ কথা জানিব পাৰিলে। তেতিয়া তাৰ নিজকে মৰুভূমিৰ ওপৰত অকলে ৰৈ থকা ধুমুহা বিধ্বস্ত গছৰ দৰে লাগিল।

তেতিয়াৰ পৰা অভিনাশৰ সঙ্গী হৈ পৰিল মদৰ বটল। কাহানিও মুখত নিদিয়া সেই নিচাযুক্ত দ্ৰব্য সেৱন কৰি সি যেন তাৰ অন্তৰত বাঢ়িব ধৰা ধঁা টুকুৰাৰ যন্ত্ৰণা লাঘৱ কৰিব পাৰে। অবিনাশে পুনৰ আগৰ কৰ্মস্থানলৈ ঘূৰি যাব নোৱাৰিলে। দেউতাকে লাগি মেলি তাৰ চাকৰিটো শিৱসাগৰলৈ বদলি কৰাই আনিলে।

দিনবোৰ পাৰ হব ধৰিলে। অবিনাশৰ পুৰণি বন্ধু অজয় মাজে মাজে আহি থাকে অবিনাশৰ খা-খবৰ লবলৈ। অজয়ে কেতিয়াবা লগত তাৰ পত্নী বিনীকো লৈ আহে। অজয়ৰ লগত বিনাক দেখিলে অবিনাশৰ অন্তৰ ধঁা টুকুৰাৰ যন্ত্ৰনা বেছি হোৱাৰ দৰে হয়। পাৰ হেৰুৱাৰ বেদনা কেৱল ভুক্তভোগীয়েহে বুজিব পাৰে।

দিনবোৰ বাগৰে সপ্তাহক আকোৱালি লৈ আ সপ্তাহবোৰ বাগৰে মাহৰ বুকুত। মাহবোৰ যেন থাকে বছৰক আকোঁৱালী লবলৈ। লাহে লাহে শিৱসাগৰ মানুহে পাহৰি পেলালে তেওঁলোকৰ অঞ্চলত যে এদি এটা হৃদয় বিদাৰক ঘটনা ঘটিছিল। বৰুণ চৌধুৰী পৰিয়ালেও পাহৰিবলৈ চেষ্টা কৰিলে তেওঁলোকৰ মাজ যেন এদিন এটা অভিশপ্ত দিন আহিছিল। বি পাহৰিব পৰা নাছিল অবিনাশে। সেয়ে মদৰ বটল প্ৰতি তাৰ আসক্তি দিনে দিনে বাঢ়ি গৈছিল। মা দেউতাকে চিন্তা কৰিলে কেনেকৈ ধ্বংসমুখী পুতেক ঘূৰাই আনিব পাৰে? সেয়ে এদিন তেওঁলোকে সু অৱস্থাত থকা অবিনাশক পুনৰ বিবাহ কৰাবলৈ প্ৰস্তা দিলে। দেউতাকে জানিব পাৰিছিল যে অবিনাশ বাবে আগতে ঠিক কৰা যোৰহাটৰ ছোৱালীজনী এতিয়ালৈকে বিয়া হোৱা নাই। অবিনাশৰ ে বি হবলৈ এতিয়াও তাইৰ কোনো আপত্তি নাই।

পুনৰ বিবাহৰ কথা শুনি অবিনাশে প্ৰথমে বজ্ৰপা পৰা মানুহৰ নিচিনাকৈ থৰ লাগিছিল। সি যেন কেতিয়া ভবা নাছিল এনেকুৱা এটা কথা এদিন শুনিবলৈ পা বুলি। দেউতাকে তাক বুজনিৰ সুৰত স্পষ্টকৈ কৈছি তেওঁলোকৰ বংশ ৰক্ষাৰ বাবেই সি যেন পুনৰ বিবা কৰায়। মাকেও অবিনাশক বেজাৰ মনেৰে বহুত ক বুজালে। একো কব পৰা নাছিল অবিনাশে। মাথো মাকৰ বুকুত মূৰ থৈ কান্দিছিল। বন্ধু অজয়েও অবিনাশ বহুত বুজালে আৰু হৈ যোৱা ঘটনাক এটা বেয়া সপোন লগত তুলনা কৰি নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰি পুনৰ বিয়া কৰাবলৈ অনুৰোধ কৰিলে।

আনৰ কথা নুশুনিলেও অবিনাশে মাক-দেউতাক কথা শুনিবলৈ বাধ্য হ'ল। এবাৰ তেওঁলোকৰ মনত যি আঘাট সানিলে পুনৰ সেই আঘাট যেন বহুল কৰি নিবিচাৰিলে। সেয়ে অন্তৰে নকৰিলেও অবিনাশে 'মুখে

কৰিব নোৱাৰিলে তাৰ পুনৰ বিবাহৰ বাবে।

হঠাৎ লাইটৰ চিকমিকনি আৰু মঙ্গল ধ্বনি, কলিৰ মাজত অবিনাশ বাস্তৱলৈ ঘূৰি আহিল। নাশে তেতিয়াহে ধৰিব পাৰিলে ইমান পৰে যে সি সাগৰত বুৰ মাৰি আছিল। সি যে এতিয়া কন্যা ধৰৰ পদূলি মুখত।

লগে লগে মচি পেলালে অবিনাশে তাৰ দুগালেদি বৈ অহা অশ্ৰু-দুধাৰিক। অবিনাশে দেখা পালে মনৰ সপোনত তাৰ অন্তগামী সুৰুযৰ ৰাঙলী আভা।

০ ০ ০

"দলাদলি নামৰ এটা ভাঙৰ দৈত্যই অতীজৰে পৰা ভাৰতবৰ্ষক ভৰিৰে দলি আহিব লাগিছে। তাৰ গছকত ভাৰতবাসীয়ে মিলিজুলি শক্তিমন্ত হৈ কোনো কামকে কৰিব নোৱাৰে।"

—লক্ষীনাথ বেজবৰুৱা

"মাত্ৰ কেইজনমান মানুহৰ জয়লাভৰ মাজেৰে স্বৰাজ নাহে। প্ৰকৃত স্বৰাজ আহিব তেতিয়া— যেতিয়া প্ৰত্যেকজন মানুহেই অন্যায়ৰ প্ৰতিৰোধ কৰিব পাৰিব।"

—মহাত্মা গান্ধী

সংগ্ৰাহক—
শ্ৰীগোপাল দে
স্নাতক দ্বিতীয় বাৰ্ষিক

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মহাবিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰী আৰু মোৰ অতি মৰমৰ ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলো। সোণাৰি নগৰৰ মজিয়াত অৱস্থিত সোণাৰি মহাবিদ্যালয়খনি মহকুমাটোৰ ভিতৰতে একমাত্ৰ উচ্চশিক্ষাৰ অনুস্থান। এই অনুস্থানৰে স্নাতক মহলাত নাম ভৰ্ত্তি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সোমাই পৰি যি আন্তৰিকতা পালো তাৰ বাবে সমূহ ছাত্ৰছাত্ৰীলৈ মোৰ হিয়াভৰা মৰম যাঁচিলো, লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অনুৰোধত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত প্ৰাৰ্থীৰূপে থিয় দি নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিবলৈ মোক উৎসাহ দিয়া ছাত্ৰ-ছাত্ৰীলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলো। যিহেতু সেইসকল ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণাতেই মই সাধাৰণ সম্পাদকৰ পদৰ প্ৰাৰ্থী হৈ পিছত জয়ী হব পাৰিলো।

**নিৰ্ব্বাচন আৰু কাৰ্য্যভাৰ গ্ৰহণ ঃ—**

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচন অনুস্থিত হয় ১৯৯১ চনৰ ১০ জানুৱাৰীত; নিৰ্ব্বাচনত জয়ী হৈ একে মাহৰে ২৪ তাৰিখে সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ আনুস্থানিক ভাবে গ্ৰহণ কৰো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাচত মহাবিদ্যালয়খনিৰ ক্ৰমোন্নতিৰ হকে মই কৰা আপ্ৰাণ চেষ্টাৰ বিষয়ে ছাত্ৰছাত্ৰীসকলক বিচাৰ কৰিবলৈ দি মোৰ কালছোৱাত যি খিনি কৰা হ'ল আৰু কৰিবলৈ মন থাকিল তাৰে এটি থূলমূল খতিয়ান এই প্ৰতিবেদনত দাঙি ধৰিবলৈ চেষ্টা কৰিম।

আমি একতা সভাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰা এই ১৯৯১ চনৰ বৰ্ষটো অসমৰ ইতিসাহৰ বাবে এটা ভয়ঙ্কৰ দুঃস্বপ্নৰ দৰে, কাৰণ এই বছৰটোতে ভাৰতৰ ৰাষ্ট্ৰ যন্ত্ৰই অসমত ৰাষ্ট্ৰ বিৰুধী আৰু উগ্ৰপন্থী কাৰ্য্য কলাপ দমনৰ নামত ৰাষ্ট্ৰপতি শাসন প্ৰবৰ্ত্তন কৰি 'টাডা' আৰু সামৰিক বাহিনীৰ বিশেষ ক্ষমতা আইনৰ দৰে দুখনকৈ ক'লা আইন অসমৰ জনসাধাৰণৰ ওপৰত জা দিয়ে। লগে লগে 'বজৰঙ্গ' আৰু 'ৰাইন'ৰ নামে সামৰিক বাহিনীয়ে দুটাকৈ জঘণ্য অপাৰেচন চলা ৰাজ্যৰ জীয়াৰি বোৱাৰীৰ ওপৰত চলালে নিৰ্ম্মম ধৰ্ষ পঙ্গু কৰিলে অনেক নব প্ৰজন্মক। স্বাভাৱিকতে এ এটা অস্থিৰ পৰিস্থিতিত আমি কাৰ্য্যভাৰ গ্ৰহণ ক নিয়াৰিকৈ কাৰ্য্য পৰিচালনা কৰাত অনেক সমস্যা সন্মুখীন হব লগা হৈছিল।

আমাৰ কাৰ্য্যকালত উল্লেখযোগ্য সফলতা লা কৰিব নোৱাৰিলেও বহুখিনি অগ্ৰগতি লাভ কৰা বু কব লাগিব। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই বহুখিনি কা কৰিম বুলি আলোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছি যদিও মহাবিদ্যালয়ৰ সীমিত পুঁজি আৰু এবছৰ কাৰ্য্যকালৰ ভিতৰত কিমানখিনি আগুৱাই যাব পা তাক আপোনালোকে নিশ্চয় উপলব্ধি কৰিব পাৰে।

**বাৰ্ষিক ক্ৰীড়া সপ্তাহ ঃ—**

এটা কথা স্বীকাৰ কৰিব লাগিব যে যি সময়ত অসম জনসাধাৰণে প্ৰত্যেক দিনৰ পিচৰ দিনটোৰ কথা ভাবি নোৱাৰিছিল, তেনে পৰিবেশত এখন উচ্চ শিক্ষানুষ্ঠান খেল-ধেমালিৰ সমাৰোহ পতাটো কিমান যুক্তিস আছিল বিচাৰ্য্যৰ কথা। ক্ৰীড়া যেহেতু শিক্ষাৰ এ অঙ্গ সেয়ে এই অঞ্চলৰ পৰিবেশ শান্ত যেন পৰিলক্ষি হোৱাত চৰকাৰৰ অনুমতি সাপেক্ষে অনুষ্টুপীয়া বাৰ্ষিক ক্ৰীড়া সপ্তাহ ৪ ফ্ৰেব্ৰুৱাৰীৰ পৰা ফ্ৰেব্ৰুৱাৰীলৈকে নিৰ্দ্দিষ্ট কাৰ্য্যসূচীৰে পালন কৰা হয় ক্ৰীড়া সপ্তাহ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযু গোলাপ বৰগোঁহাইদেৱে। অলিম্পিক শিখা প্ৰজ্ব কৰে মহাবিদ্যালয়ৰ কৃত্তি খেলুৱৈ শ্ৰীভূপেন গগৈ আ ছাত্ৰী মিছ্ নাজমা বেগমে। উদ্বোধনী ভাষণত অধ্য মহোদয়ে খেলৰ বিষয়ে এটি সাৰুৱা ভাষণ দি ছাত্ৰ-ছা সকলক উৎসাহ প্ৰদান কৰে। এইবাৰ বাৰ্ষিক ক্ৰী





সপ্তাহত যথেষ্ট সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতামূলক মনোভাবৰ পৰিচয় দাঙি ধৰে। প্ৰতিযোগিতাৰ শেষত ১১ ২-৯১ তাৰিখে অনুস্থিত হোৱা বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে অধ্যক্ষদেৱে। বিশিষ্ট অতিথিৰ আসন শুৱনী কৰে সোণাৰি ভগৱতী প্ৰসাদ বৰুৱা সৌৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিষ্ণু প্ৰসাদ দত্তদেৱে। এটা বৰ্ণাঢ্য অনুস্থানেৰে ক্ৰীড়া সপ্তাহ সামৰণী মৰা হয়।

**বিভিন্ন অনুষ্ঠানত যোগদান ঃ—**

ইং ১৫-২-৯১ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সৌজন্যত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সমূহ মহাবিদ্যালয় উপসভাপতি আৰু সাধাৰণ সম্পাদক সকলক লৈ অনুস্থিত হোৱা এখন সভাত যোগদান কৰা হয়। উক্ত সভাত আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰ, ইংৰাজী বিষয়ত সন্মান পাঠ্যক্ৰম প্ৰবৰ্ত্তন, ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসলৈ অনুদান আৰু পুথিভঁৰালৰ গৃহ নিৰ্ম্মাণ সম্পৰ্কত প্ৰস্তাৱ গ্ৰহণ কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জনোৱা হয়। ইয়াৰ পাচত ইং ১১-৪-৯১ তাৰিখে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানত হোৱা "গণ সমাবেশত" মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ ছাত্ৰীয়ে যোগদান কৰি কাৰ্য্য সূচী সফল কৰা হয়।

**বিভিন্ন উৎসৱ পালন ঃ—**

প্ৰত্যেক বছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত ইং ১০-৯-৯১ তাৰিখে শ্ৰীশ্ৰীশংকৰদেৱৰ তিথি আৰম্বৰপূৰ্ণ ভাৱে পালন কৰা হয়। এই উপলক্ষে "অসমৰ সাম্প্ৰতিক পৰিস্থিতিত শংকৰদেৱৰ প্ৰাসঙ্গিকতা" শীৰ্ষক এখনি আলোচনাচক্ৰ অনুস্থিত হয়। আলোচনা চক্ৰখনি সঞ্চালনা কৰে অধ্যাপক শ্ৰীযুত ৰবীন কোঁৱৰদেৱে। সোণাৰি ভগৱতী প্ৰসাদ বৰুৱা সৌৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীডিম্বেশ্বৰ গগৈ আৰু মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত বিনন্দ মহনদেৱে আলোচক হিচাবে অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা দিয়ে।

শ্ৰীশ্ৰীবিশ্বকৰ্ম্মা পূজা মাঙ্গলিক অনুষ্ঠানেৰে ১৭-৯ ৯১ তাৰিখে দিনজোৰাকৈ পালন কৰা হয়।

অনাড়ম্বৰ ভাবে ১১-১০-৯১ তাৰিখে নবাগত আদৰণি সভাখন অনুস্থিত কৰা হয়।

**অনুদান লাভ ঃ—** ১৯৭০ চনতে জন্ম লাভ কৰা এই মহাবিদ্যালয়খনে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। বিভিন্ন সময়ত উত্থাপিত সমস্যাসমূহ ৰাইজে নিজৰ বুলি ভাবি তাক গ্ৰহণ কৰিছে আৰু সমাধানৰ প্ৰচেষ্টা হাতত লৈছে। বৰ্ত্তমান মহাবিদ্যালয় কেইবাটাও অভাৱ পুৰণ হৈছে বুলি কব পাৰি। ১৯৯০ চনতে শিৱসাগৰ জিলা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বিশেষ উন্নয়ন সমিতিয়ে আগবঢ়োৱা ৫ (পাঁচ) লাখ টকাৰ আগতীয়া কিস্তিৰ ধনেৰে বিজ্ঞান শাখাৰ ব্যৱহাৰিক তিনিটা কোঠা নিৰ্ম্মাণ কৰি উলিওৱা হয়। ইয়াৰ উপৰিও ভাৰতীয় চাহ সন্থাৰ, অসম শাখা (ABITA) আৰু ভাৰতীয় চাহ সন্থা (TAI) য়ে আগবঢ়োৱা সোণাৰি মহাবিদ্যালয়ৰ নবনিৰ্মিত প্ৰেক্ষাগৃহটিয়ে সোণাৰি মহাবিদ্যালয়ৰ লগতে সোণাৰি অঞ্চলৰ বাবে এটা ডাঙৰ অভাৱ পুৰণ কৰে।

**স্মাৰক পত্ৰ প্ৰদান ঃ—**

ইং ১৫-৮-৯১ তাৰিখে মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগ সম্বলিত এখন স্মাৰক পত্ৰ অসমৰ মাননীয় ৰাজ্যিক শিক্ষা মন্ত্ৰী শ্ৰীশৰৎ বৰকটকীদেৱক প্ৰদান কৰা হয়। যাবতীয় কাৰ্য্যব্যৱস্থাৰ বাবে ইয়াৰ এটা প্ৰতিলিপি অসমৰ মুখ্য মন্ত্ৰীদেৱলৈকো প্ৰেৰণ কৰা হয়।

**শৈক্ষিক পৰিবেশৰ বাবে চেষ্টা :—**

অসমৰ শৈক্ষিক বাতাবৰণ বহু পৰিমাণে নিম্নগামী হৈ আহিছে। ইয়াৰ অন্তৰালত ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক দায়িত্বৰ অভাববোধ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধ্যয়ণৰ অনীহা আৰু আত্মবিশ্বাসৰ অভাৱ বুলি কৈ থৈছো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো শৈক্ষিক পৰিবেশ সৃষ্টিৰ বাবে আমি সময়ে সময়ে নানা কাৰ্য্যসূচী হাতত লৈছিলো। বিজ্ঞানসন্মত চিন্তাধাৰাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল উদ্বোদ্ধ হবৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰীক লৈ এখনি "মহাবিদ্যালয় বিজ্ঞান সমিতি" ইং ৩-৮-৯১ তাৰিখে গঠন কৰা হয়। লগতে

পুথি ভঁৰালৰ যোগে প্ৰয়োজনীয় গ্ৰন্থ সমূহ পাব পৰা আৰু জিৰণী সময়ত পঢ়িব পৰাৰ ব্যৱস্থা সমূহ গ্ৰহণ কৰিবলৈ এখনি উন্নয়ণ সমিতিৰো গঠন কৰা হয়।

এইখিনিতে উল্লেখ কৰিব লাগিব যে আমাৰ কাৰ্য্যকালত গ্ৰহণ কৰা ভালে কেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সময়ৰ অসুবিধা, প্ৰতিকূল পৰিস্থিতি আৰু সীমিত পুঁজি তথা চৰকাৰী সাহাৰ্য্যৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা নহল। পৰবৰ্ত্তী কাৰ্য্যনিৰ্ব্বাহকে এই প্ৰস্তাৱসমূহ কাৰ্য্যকৰি কৰাৰ প্ৰচেষ্টা হাতত লব বুলি প্ৰতিবেদনৰ যোগে আহ্বান জনালো।

আমাৰ কৰ্মলগীয়া :—

সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাত অনেকৰ অনেক কব লগা থাকিব পাৰে। সাম্প্ৰতিক অসমৰ পৰিস্থিতিত কোনখিনি বিষয় বস্তুৰ ওপৰত আলোকপাত কৰিলে বিভিন্নজনৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে ভাষা তথা জাতিটোৰ মঙ্গল হব তাক লৈ কিছু ভাবিব লগা হৈছে।

সমাজ আৰু শিক্ষাৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছে। শিক্ষাই সমাজখনৰ ক্ষয়িষ্ণুতা আঁতৰাই এক দিকদৰ্শী ভূমিকা লব পাৰে। কিন্তু বৰ্ত্তমান ভাৰতবৰ্ষত বিশেষ ভাবে অসমত শিক্ষাৰ ভূমিকা সম্পূৰ্ণ নেতিবাচক বুলিলে অত্যুক্তি কৰা নহব। ব্যৱহাৰিক আৰু গতিশীল জগতখনৰ লগত খাপ খাব পৰা পাঠ্যক্ৰমৰ অভাৱ হোৱাৰ বাবে এক আৰ্থসামাজিক অস্থিৰ পৰিবেশে সমাজখনক কলুষিত কৰি তুলিছে। দুখ লগা কথা, আজিৰ শিক্ষা ব্যৱস্থাই আমাক বাস্তৱৰ সন্মুখীন হব পৰাকৈ প্ৰয়োজনীয় সাহস তথা দেশ আৰু জাতিৰ হকে সুন্দৰ আৰু নিঃস্বাৰ্থ হৈ চিন্তা কৰাৰ বাবে সম্বল যোগোৱাত ব্যৰ্থ হৈছে। পৰীক্ষাকেন্দ্ৰীক হৈ পৰা শিক্ষা ব্যৱস্থাৰ ফলত যুৱ সমাজ বাৰুকৈয়ে হতাশাত ভুগিছে। বৰ্ত্তমানৰ শিক্ষাই ভবিষ্যত জীৱনৰ ভাৰ বহন কৰিব নোৱাৰাত হতাশাত ভোগাৰ বাবেই যুৱ মানসিকতাৰ অবক্ষয় আৰম্ভ হৈছে। সামাজিক প্ৰমূল্যবোধৰ অভাৱ ঘটিছে। ফলত ছাত্ৰ শিক্ষকৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটিছে। ব্যক্তি প্ৰতিভাৰ অপচয় ঘটিছে।

শিক্ষানীতি সম্পৰ্কত এক গভীৰ পৰ্য্যালোচনাৰ প্ৰয়োজন হৈছে। কাৰণ শিক্ষা ব্যৱস্থা বাস্তৱমুখী কৰাৰ লগতে কেৱল মুখস্থ শক্তিৰ পৰীক্ষা লোৱাৰ পৰিবৰ্ত্তে উদ্ভাৱন শক্তিৰ পৰীক্ষা লোৱাৰ পদ্ধতিৰ প্ৰয়োজন আহি পৰিছে।

অশ্ৰু অঞ্জলি :—

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ওকখেল বিভাগৰ সম্পাদক ৺লক্ষী দেওঘৰীয়া যোৱা ইং ৭-৫-৯১ তাৰিখে বিদ্যুৎ প্ৰবাহিত হৈ আকস্মিক ভাবে মৃত্যুক সাৱতি লৈ আমাৰ মাজৰ পৰা আঁতৰি যায়। তেওঁৰ অকাল বিয়োগত লগতে এই মহাবিদ্যালয়ৰ ছাত্ৰী লুকুমণি বৰঠাকুৰ ১৯-৫-৯১ তাৰিখে দুৰাৰোগ্য বেমাৰত ভুগি অকাল মৃত্যুক সাৱতি লোৱাত দুইজনাৰ বিদেহী আত্মাৰ সদ্গতিৰ কামনা কৰি শ্ৰদ্ধাৰ অশ্ৰু অঞ্জলি অৰ্পণ কৰিছো।

কৃতজ্ঞতা স্বীকাৰ :—

আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটি চৰকাৰীকৰণ কৰি এই শিক্ষানুষ্ঠানটিক আগবঢ়াই নি মূল সমস্যা দূৰ কৰাত প্ৰথমে মাননীয় ৰাজিক শিক্ষা মন্ত্ৰী শ্ৰীযুত শৰৎ বৰকটকীদেৱলৈ কৃতজ্ঞতা জনাইছো। সকলো সময়তে সহায়ৰ হাত আগঢায় আমাক কৃতাৰ্থ কৰা তথা মহাবিদ্যালয়ৰ হিতাকাঙ্খী ৰাইজলৈ আমাৰ শ্ৰদ্ধা নিবেদিছো। প্ৰতিটো পদক্ষেপতে প্ৰয়োজনীয় সুবিধা আগবঢ়াই আমাৰ মহাবিদ্যালয়খনিক আপোন কৰি লোৱা টাওকাক চাহ বাগিছাৰ মুখ্য ব্যৱস্থাপক শ্ৰীযুত ডি, এম, দধিচদেৱলৈকো আমাৰ কৃতজ্ঞতা জনাইছো। বিভিন্ন সময়ত গঠনমূলক পৰামৰ্শ দি সহায় কৰা আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু বিভিন্ন বিভাগৰ উপদেষ্টাসকলক আমাৰ আন্তৰিক শ্ৰদ্ধা জনাইছো। মহাবিদ্যালয় ছাত্ৰএকতা সভাৰ বিষয়ববীয়া সকলে কাৰ্য্যকাল চলায় যোৱাত যিখিনি সহায় সহযোগ আগবঢ়ালে তাৰ বাবে সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এইখিনিতে একতাসভাৰ উপসভাপতি শ্ৰীৰ'জকমল মহনদেৱৰ পৰা পোৱা একান্ত সহযোগ কৰা পৰামৰ্শৰ কথা অকপতে স্বীকাৰ কৰিছো। ইয়াৰ সকলোৰিও প্ৰাক্তন সাধাৰণ সম্পাদক থানু মহন আৰু তপন কুমাৰ গগৈক মোৰ ধন্যবাদ জনাইছো। শেষত সতীৰ্থ পূৰ্ণানন্দ, তপন, চন্দ্ৰ, গীতিমণি, দীপিকা, জুৰি, বিজয়লক্ষ্মী, নবিতা, হেপ্পী অৰ্পণাহঁতলৈ মৰম তথা শুভেচ্ছা জ্ঞাপন কৰিছো।

বিদায়বণি :—

২৯ জানুৱাৰী ৯২ তাৰিখে নতুন ছাত্ৰ একতা সভাক দায়িত্ব অৰ্পন কৰাৰ লগে লগে আমাৰ ব্যস্ততাপুৰ্ণ মধুৰ দায়িত্বৰ দিনবোৰৰ অবসান ঘটিল।

সামৰণিত এষাৰ কথা ৰৰকৈ অনুভৱ কৰিছো যে অভিজ্ঞতাই হ'ল জীৱনৰ আচল শিক্ষা।

আশা ৰাখিছো ভৱিষ্যতৰ ছাত্ৰ একতা সভাই ছাত্ৰ শক্তিৰ যি মহান গৌৰৱ তাক সবল নেতৃত্বৰে আগুৱাই নিয়াৰ লগতে মহাবিদ্যালয়ৰ পবিত্ৰতা আৰু ছাত্ৰী-ছাত্ৰীৰ স্বাৰ্থপূৰণত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব।

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

বিনীত

**শ্ৰীঅনন্ত বৰগোহাঁই**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
সোণাৰি মহাবিদ্যালয়
১৯৯১-৯২ চন।

"হে মহাজীবন আর এ কাব্য নয়
এবার কঠিন কঠোর গদ্যে আনো
পদ লালিত্য ঝংকার মুছে যাক
গদ্যের কড়া হাতুরীকে আজ হানো,
প্রয়োজন নেই কঠিনতার স্নিগ্ধতা
কবিতা তোমায় দিলাম আজকে ছুটি
ক্ষুধার রাজ্যে পৃথিবী গদ্যময়
পূর্ণিমা চাঁদ যেন ঝলসানো রুটি।"

—সুকান্ত ভট্টাচার্য্য

# শ্যেৰ আৰু শ্যায়েৰী

ক্যেয়া বুৰী হ্যায় মুহব্বত ভি ইলাহী,
তওৰা জুৰ্থ না কৰ ও খত্তাকৰ বনে হ্যায়
( হে ঈশ্বৰ, ভালপোৱাৰ দৰে অভিশপ্ত বস্তু
তুমি কিয় সৃষ্টি কৰিছা। অন্যায় নকৰিলেও সদায়
অপৰাধী হৈ থাকিব লাগে। সচাঁই ভাৱিলে আচৰিত
লাগে।)

দিন কি ধূপ, মেৰে দুখ পৰ হচতি হে।
কাজল কালী নেন মুঝে উছতি হে॥
উজিয়াৰা অন্ধিয়াৰা দোনো বেৰী।
কেচি বিৰানী মনমে বচতি হে॥
( দিনৰ বেলিৰ পোহৰে মোৰ দুখ দেখি হাঁহে
কাজল সনা চকুৱে দংশন কৰে মোক
মোৰ অন্তৰৰ নিৰ্জনতা
পোহৰ আন্ধাৰ— এই দুয়োৰে পৰা আঁতৰত।)

সংগ্ৰাহক— শ্ৰীহৰেণ দৈমাৰী
( স্নাতক ১ম বাৰ্ষিক।

১। আপনি তবাহিযোঁ কা মুঝে কোই গম নেহী
তুমনে কিসীকো সাথ মুহব্বৎ নিভা তো দী।
( মোৰ বিফলতাত মোৰ কোনো দুখ নাই
তুমি অন্ততঃ এজনক ভাল পালা )

২। ৰাত যিতনী ভী সংগীন হোগী
সুবহ উৎনি ৰংগীন হোগী
গম না কৰ্, গৰ হ্যায় বাদল ঘনেৰা
কিসকে ৰোকে ৰুকা হ্যায় সবেৰা।

(ৰাতি যিমানে কঠিন হ'ব, প্ৰভাত সিমানে ৰঙীন হ'ব।
চাৰিওফালৰ পৰা ক'লা মেঘে বেৰি আহিলেও
ভয় নকৰিবা, ৰাতিপুৱাক কোনেও ধৰি ৰাখিব নোৱাৰে।)

সংগ্ৰাহক—
শ্ৰীগোপাল দে
স্নাতক দ্বিতীয় বাৰ্ষিক।

১। "জো তমন্না দিলসে থী ৱ দিলসে ঘুটকৰ ৰহ গই
উচনে পুছা ভী নেহী, হমনে বাতায়া ভী নেহী।"
( মোৰ কামনা বাসনাবোৰ অন্তৰতে গুজৰি গুমৰি
ৰ'ল, তেৰোঁ মোক সুসুধিলে, ময়ো তেওঁক নকলো।)

২। "অওৰ তুমসে মেঁ কুচ নেহী চাহাঁতা ৰোজে যৰ্জা
ইতনা কহ দেনা কি য়ে—
আশিক থা মেৰী বেদৰ্দ কা।"
( মোৰ জীৱনৰ অন্তিম ক্ষণত তোমাৰ পৰা আৰু একো
নিবিচাৰো তুমি ইমানখিনি অন্তত কবা যে —
এওঁৱেই আছিল মোৰ নিষ্ঠুৰতা, প্ৰতাৰণাৰ চিকাৰ
হতভগা প্ৰেমিক।)

সংগ্ৰাহক
জিতু দুতীয়া

# সোণালী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

১৯৯০-৯১ চন।

সম্পাদক— শ্ৰীদিব্যজ্যোতি কোঁৱৰ

# সোণালী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

১৯৯০—৯১ চন

## বিষয় সূচী


কবিতাৰ শৰাই :—

- বিশৃংখল — লোকেশ্বৰ গগৈ
- কিছুমান স্থবিৰ মূহুৰ্ত্ত — অৰুণ কুমাৰ বৈৰাগী
- মন্বন্তৰৰ কেইটিমান স্কেচ — জিতেন গগৈ
- শান্তিৰ বাবে — ৰণজিৎ চাৰিঙ্গীয়া

প্ৰবন্ধ মালিকা :—

- জীৱন্ত বস্তিৰ দেহ কালি — অধ্যাপিকা জ্যোতিমা ফুকন
- গ্ৰাহক সুৰক্ষা আইন আৰু গ্ৰাহকৰ স্বাৰ্থৰক্ষাত ইয়াৰ ভূমিকা — শশী দেওঘৰীয়া

গল্প— বিচিন্ন সন্ধি — সুমন্ত শৰ্ম্মা

পঞ্চতন্ত্ৰৰ পৰা সংগ্ৰহ — গনেশ গগৈ

আলোচনী সম্পাদকৰ একাষাৰ

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

# ‘বিশৃংখল’

জীৱনৰ প্ৰতিটো পল মই অনুভৱ কৰিছো
মোৰ হাত দুখন আৰু ভৰি দুটা অচল হৈছে
চিন্তাৰ বাল্বটো ‘ফিউজ’ হৈ গল
আৰু মোৰ দেহৰ কৰৰাত প্ৰলেপ দিয়া হৈছে ।

এই দুখন হাতেৰে মই এদিন মোৰ বাৰীত
চুৰকৈ ঘাহঁ খাবলৈ অহা গৰুটোক খেদিছিলোঁ।
এই দুটা ভৰিৰে মই এদিন বহুতো দুৰ্গম ঠাই
অতিক্ৰম কৰিছিলোঁ।
আৰু সুন্দৰ আঁচনিৰে সজোৱা মোৰ ফুলনিখন
আন্ধাৰ নিশাও মই পোহৰাই থৈছিলোঁ ।

কিন্তু, আজি ?
কলৈ গ’ল এই সকলো বিলাক ?

“কলৈকো যোৱা নাই, সকলো আছে
মাথো জীৱন বীণখনিত
আঙুলি বোলাৰ আৰু সুৰ দিব পৰা নাই মই ।
বিশৃংখল হৈ থকা গুণা কেইডাল
থানথিত লগালেই হ’ল ।”

শ্ৰীলোকেশ্বৰ গগৈ
স্নাতক ২য় বাৰ্ষিক ( কলা )




# কিছুমান স্থৱিৰ মুহূৰ্ত্ত

শ্ৰীঅৰুণ কুমাৰ বৈৰাগী
স্নাতক ১ম বাৰ্ষিক ( কলা )

এইযে পুৱাতেই সূৰ্যটো ওলায়ে
পুবাকাশ লোহিতময় হয় ।
প্ৰকৃতিৰ গতানুগতিক ধাৰাৰ দৰে
সৌ যে মানুহজন——দেখা নাই ?
যাৰ ঘামে ক’লা হোৱা বনিয়নটোত
তাপলিয়ে হাৰ মানে ।
নিৰ্মম ধাইটৰ আঁচোৰ আৰু
প্ৰচণ্ড সূৰ্য্যৰ তাপে দেহাবয়ব বিক্ষত কৰে ।
অস্তমিত সূৰ্য্যটোৱে ৰঞ্জিত কৰা পশ্চিমাকাশ
ম্লানহৈ অন্ধাৰ বিয়পে ।
দেইলী বজাৰৰ একোণত, ধাৰ থকা
দুঠাবখন পাৰি মানুহজন বহে ।
সন্মুখৰ বিশাল জনসমূদ্ৰত আশাৰ চকুজুৰি ডুব যায় ।
অনুভৱ হ’য়—— সময়বোৰ যেন স্থৱিৰ হৈ যায় ।
খৰিভাৰ শুকাননে………… ?
দাম বেছি হৈছে………… ।
কোনোবা বাবুৰ কৰ্কশ মাতত
তাৰ অৱশিষ্ট পনীয়া তেজখিনি
শৰীৰৰ দুৰ্ব্বল শিৰা- উপশিৰাবোৰেদি
প্ৰৱাহিত হয় দূৰ্ম্মদ গতিৰে——
চকু মেলিলেই দৃষ্টিগোচৰ হয়
তাৰ সন্মুখত এখন প্ৰলুব্ধ হাত ।
তেতিয়া সময় কিমান বাৰু ?

আন্ধাৰবোৰ কিন্তু বেছ ডাঠ হয় ।
একাবেকা পথবোৰ নেদেখা হয় ।
দুৰৈৰ বঙলাত ৰঙীন বিজুলীবাতি জ্বলে………
মজলিচৰ হৰ্ষধ্বনিয়ে বঙলাৰ প্ৰকাণ্ড গেটত
পহৰাদিয়া মাংসহাৰী ‘এলচিচিয়ান’টোৰ
ভুকনি তল পেলায় ।
নতাহন্ত ঢলি পৰিব ধৰা পঁজাটোত
টিমিক টামাককৈ এটা টিপচাকি জ্বলে ।
জুটলা চুলিকোচা মেলি ভগাচাৰিত পৰি ৰয়
এজনী কগ্না নাৰী ।
জীৱিত জকাটোত শুকান ছালখনৰ আৱৰণ
বহু কষ্টেৰে অনা……… মুখত এটা হাঁহি
সৰু পোনাটো শুলে হব পায় ।
পানী গামোচাখনৰ গাঁঠিটো
টান হৈয়ে থাকিব পায়,
সেইযে পুৱাতেই দিয়া ।
যোৱাটো বানত উটি নোযোৱা হ’লে
হাতত এটা জোলোঙা লৈ — —
ডাঙৰ পোনাটো ওলালেহি হয় ইমান পৰে ।
“ভগা দুৱাৰখন জপাই দে সাৱধানে
তেল যে নাই,
টিপচাকিটো নুমাইহে লাগে” ।
০ ০ ০



# মন্বন্তৰৰ কেইটিমান স্কেচ

শ্ৰীজিতেন গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

একবিংশ শতিকাৰ দুৱাৰ মুখত
টুংকা মানৱতা ।
শান্তিৰ কপৌজনীৰ কোমল মঙহ ওলমি ৰয়
শগুনৰ ধবাল ঠোঁটত ।
স্মৃতিৰ গোহাত কান্দে আদিমৰ কঙ্কালে
আৰু কিমান পৰলৈ
এই মন্বন্তৰ ?
মৃত্যুৰ সমাৰোহ, কঙ্কালৰ মিছিল,
অগ্নিদগ্ধ জতুগৃহত মৃতদেহৰ ছাই
দুৰ্যোধনৰ অট্টহাস্য ;
এয়ে নেকি ইতিহাস
মন্বন্তৰৰ ?
সুতিকা ঘৰ নিমাত মাত ।
ৰাজপথত প্ৰসূতিৰ আৰ্তচিৎকাৰ বিলীন হয়
মিলিটেৰীৰ জোতাৰ শব্দত ।
স প্ৰতাৰণ', প্ৰৱঞ্চনা
মুখৰিত আজিৰ পৃথিৱী
যীশু, মহম্মদ, নানক, বুদ্ধ
একোটা নচলা পাতি-পইছা ?
প্ৰেম—ভ্ৰাতৃত্ব—মানৱতা
ক্ষমতা লোভৰ আহিলা ?

কাগজৰ নোটেৰে দৰদাম কৰে
ভালপোৱা আৰু মৰমৰ !
ধিক্কাৰ—
হে আজিৰ মানুহ ।
থৰক বৰক, জৰাজীৰ্ণ সভ্যতাৰ কাচঘৰ আজি ভগ্নপ্ৰায়
বিজ্ঞানৰ দুৰ্দ্দান্ত হাতুৰিৰ কোবত ।
দেইলী ৰজাৰৰ চ'কত
বেশ্যালিৰ পয়োভৰ
নগৰৰ ৰাজপথত সন্ধিয়াৰ বিজুলীৰ মায়াবি পোহৰত
প্ৰতিযোগিতা মঙহ প্ৰদৰ্শনৰ ।
বুভুক্ষাত জীৱন্ত কঙ্কালে কঢ়িয়াই শুকান ছালৰ ভাৰ
খেনো মৰে হাড়ে ছালে
খেনো মৰে মঙহৰ ভাৰে ।
অত্যাধুনিক মটৰ গাড়ীয়ে উকৰাই থৈ যোৱা ধূলিত
একাকাৰ হয়
পঙ্গু ভিক্ষাৰীৰ লোণীয়া চকুৰ পানী ।
যোগ্য ভোগ্য বসুন্ধৰা !
আৰু কিমানপৰলৈ ?
মুখ,ৰে আৰৱা মানুহেৰে ভৰা
এই মন্বন্তৰ ?

০ ০ ০

"আমাক চাতুৰী নালাগে, লাগে সু-বিবেচনা ; বুদ্ধিৰ শিক্ষা নালাগে, লাগে আত্মাৰ পবিত্ৰতা আৰু লাগে সত্যৰ প্ৰকৃতিৰ লগত পৰিচয়ৰ ঘনিষ্ঠতা আৰু সেই আদৰ্শত যাপন কৰা জীৱন ।"

—সৰ্বপল্লী ৰাধাকৃষ্ণন



# শান্তিৰ বাবে

ৰঞ্জিত চাৰিঙীয়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
(বিজ্ঞান শাখা)

মই সীমাহীন আশাত
তেজাল উন্মাত কতদিন দৌৰিছিলোঁ
কাশ্মীৰ—কোকৰাঝাৰত
কিন্তু তোমাক লগ নেপালো বন্ধু
কেওকাষে জুই আৰু জুই ।

আৰ্তনাদ আৰু হুংকাৰ
কবৰ ভেদি ওলাই অহা
গভীৰ হুমুনিয়াহ:
মই কাণ পাতি শুনিছিলোঁ
বিছাৰিছিলোঁ তোমাক ।

দক্ষিণ আফ্ৰিকাত, কুৱেইটত
মই তোমাক বিচাৰি যাব খুজিছিলোঁ
কিন্তু বাবৰি মছজিদত
আজান শুনাৰ পিছত
মই ইয়াতেই বিছাৰোঁ বুলি ভাবিলোঁ ।

বন্ধু জানানে এটি কথা,
'সবকো সন্মতি দে ভগৱান'
মানে অকল হিন্দুকে বুজায় হেনো,
ঈশ্বৰ আল্লা তেৰে নাম
বুলি কলে হেনো
আল্লা আৰু ঈশ্বৰৰ মাজ দূৰত্ব বুজায়,
এনেটো অভিমান
বন্ধু হিন্দু মুছলিমৰ তোৰা
এই মান-অভিমান ।
"সৰ্বজন হিতায়, সৰ্বজন সুখায়"
বুলি কলে [illegible] কৰা বুলিহে
অভিধানিক অৰ্থ
হে বন্ধু, তোৰা
এই অনৰ্থ ।

তুমি জানো নেজানা
বাবৰি মছজিদ ভাঙিবলৈ প্ৰয়োজন হোৱা
প্ৰতিটো হাতুৰীৰ কোব
মোৰ বুকুতো পৰিব ।

যন্ত্ৰণাত মোৰ হৃদয়ে তেতিয়াই কান্দিছিল
জানা বন্ধু, সুখৰ নতুনা বিচাৰি
মই সাগৰ পাতুৰিৰ খুজিছিলোঁ
তেতিয়াই
ইৰাকত, চৌদি আৰৱত
বিস্ফোৰিত বাৰুদৰ শব্দত
থমকি ৰলোঁ ।

বাদ দিলোঁ তোমাক বিচৰা অভিযান
কাৰণ —
মইতো নিজতে তোমাৰ
অস্তিত্বৰ শেষ বিন্দুকণাটি
বিচাৰি নেপালোঁ ।

আত্মবিশ্বাসৰ শেষ তেজকণ
গোট মাৰি গল
মই উৎতিছিলোঁ, চকুত আঁকি লৈ
অন্তৰ্গামী সূৰ্যৰ হেঙুলি ৰহন ।

০ ০ ০

# জীৱন্ত বন্তিৰ দেহ ফালি

—জ্যোতিমা ফুকন

'জোনাকী, মোৰ কণমানী সখী
পাতিলি দীপাৱলী / তোৰ দেহৰ জ্যোতিৰে ।'

দেহৰ জ্যোতিৰে ! দেহৰ জ্যোতিৰে কণমানি সখীয়ে দীপাৱলী পাতে আন্ধাৰ ফালি !! ক'তা সখী, মইতো নোৱাৰোঁ । মইতো পৰা নাই । তেল আৰু শলিতাৰে টিমিক টামাক মোৰ দীপাৱলীৰ বন্দনা । অহর্নিশে তুমি কেনেকৈ জ্বলালা চাকি — জীৱন্ত চাকি । অ' আমৰণ বন্তি ! যাদুকৰী বন্তি !!

যাদু ! ওহো, যাদুতো নাই । 'বিজ্ঞান'—ৰিজ্ঞানে আঁহ ফালি ফালি চায়, কত আছে সেই ৰহস্য, কত ! কত !! যাৰ মেৰপেচ নুখোলালৈকে বিজ্ঞান শান্ত নহয়, শান্ত হব নোৱাৰে । ইউৰেকা ! ইউৰেকা !! পালে ! পালে !! বিজ্ঞানে 'নিষিদ্ধ কোঠালি'ৰ লাজুকী কণ্যাক উলিয়াই আনিলে —কোন সেই লাজুকী কণ্যা ?

মোৰ কণমানি লাজুকী সখীয়ে ওপুতকৈ ৰাখিছে পেটৰ পিছখণ্ডত এটা পোহৰ দিব পৰা যন্ত্ৰ ( luminant ) স্বচ্ছ এখন ছালৰ তৰপৰ তলত সৰু সৰু দানাযুক্ত এটা স্তৰ আছে । অৱশ্যে এই দানাযুক্ত স্তৰটো অধিচৰ্ম ( Epidermis ) ৰেচনতঅঙ্গ ( Excretory Organ ) ৰ ৰূপান্তৰ মাথোন । অক্সিজেনৰ যোগান ধৰিব পৰাকৈ বায়ুনলী আৰু পোহৰ নিয়ন্ত্ৰণ কৰিবলৈ শিৰাবোৰে জালিকাৰ দৰে ইয়াৰ মাজে মাজে থাকে । অক্সিজেনৰ সংস্পৰ্শত এই দানাবোৰ উজ্বলি উঠে । দানাবোৰৰ ভিতৰৰ ফালে এমোনিয়াম ইউৰেটৰৰ বগা স্ফটিকৰ এটা স্তৰ আছে যি প্ৰতিফলকৰ ( Reflector ) কাম কৰে । এই দানাবোৰ স্নেহপদাৰ্থ বুলি প্ৰমাণিত হৈছে । পেটৰ পিছ অংশৰ দীপ্তিমান কোষবোৰত লিউছিফেৰিন ( Luciferin ) নামৰ এবিধ বিকৃত্য ( Substrate ) পোৱা যায় আৰু ইয়াত থকা এবিধ এনযাইন লিউছিফেৰিনেছ ( Luciferinase ) য়ে ক্ৰিয়া কৰাৰ ফলত ৰাসায়নিক শক্তি উৎপাদন হয় । সেই ক্ৰিয়াত অক্সিজেন আৰু আৱশ্যকীয় শক্তিৰ বাবে এডিনোছিন ট্ৰাইফছফেট ( ATP ) ব্যৱহৃত হয় । এই ৰাসায়নিক শক্তি দীপ্তিমান কোষবোৰত পোহৰ শক্তিলৈ ৰূপান্তৰ ঘটাই পোহৰ উৎপন্ন কৰে ।


অৱশ্যে জোনাকী সখীয়েই দীপ্তিমান দেহটোলৈ কেৱল ভেম দেখুৱাব নোৱাৰে । জীৱজগতত আৰু এনে কিছুমান বিচিত্ৰ জীৱই পোহৰ বিকীৰণৰ গৌৰৱ কৰিব পাৰে । এই শিতানৰ বিষয়বস্তু যদিওবা জোনাকীৰ দেহৰ দীপ্ততা ( Luminescence ) সম্পৰ্কত, তথাপিও অন্যান্য দীপ্তিমান জীৱসমূহৰ উল্লেখ আৰু বিক্ৰিয়াৰ চমু প্ৰণালীৰে এখন তালিকা দিয়া হ'ল । তালিকাখনৰ প্ৰথম চাৰিটা বিক্ৰিয়ক পদ্ধতি আগবঢ়াইছে Cormicr আৰু Totter ( 964 ) য়ে আৰু পঞ্চমটো আগবঢ়াইছে Hastings etal য়ে ( 1966 ) ।

**Table : Types of Biochemical Reactions invalved in Luminescence.**

| | |
|---|---|
| Type 1<br>Direct Oxidution :<br>Simple enzyme Substrate systems.<br>$LH_2 + O_2 \longrightarrow$ Light Luciferin | Occurence : Phalas ( mollrsca )<br>Cepridina ( Crustacca )<br>Apogon ( Teleost )<br>Gonyaulax. |
| Type 2.<br>Substrate activation followed by oxidution :<br>adenine nucleatide Ginked Pre— $LH_2 \xrightarrow{activation}$<br>$O_2$<br>$LH_2 \longrightarrow$ Light | Firefly Insects ;<br>Renilla |
| Type 3.<br>Substrate quduction follwed by oxidation :<br>Pyridine nucleotide linked.<br>$L \xrightarrow{DPNH} LH_2 \; O_2 \longrightarrow$ Light | Bacteria<br>Fungi |
| Type 4<br>Perovidution reactions<br>$LH_2 + H_2O_2 \longrightarrow$ Light | Balanoglossns Procherduta ).<br>Chartopterus ( Annelida ). |
| Type 5.<br>Ion activated : "Pre charged"<br>Systems<br>$P \xrightarrow[\text{or } H+]{Ca++}$ Light | Gonyaula<br>Acquorea. |



জোনাকী পকৰাৰ পোহৰ বিকীৰণৰ কাৰ্য্য প্ৰণালী তলত উল্লেখ কৰা ধৰণে বৰ্ণনা কৰিব পাৰি :







Fig : mechanism of-firefly flash

জোনাকীৰ দেহৰ এই ৰহস্যময় দীপ্তিকনে নিশাৰ আঁৰে আঁৰে মিলনৰ সংকেত দিয়ে আৰু খাদ্য চিকাৰত সহায় কৰে। নিশাৰ আঁচলত এই জীৱন্ত বস্তিয়ে বিচিত্ৰ ৰূপ আঁকে। কনমানি সখীয়ে জাক জাক লগৰীয়াৰ সৈতে আকাশৰ দীপাৱলীৰ সতে ফেৰ পাতে সৰতত। আশ্চৰ্য্য ! আশ্চৰ্য্য তোৰ জীৱন সখী ॥

# গ্ৰাহক সুৰক্ষা আইন আৰু গ্ৰাহকৰ স্বাৰ্থৰক্ষাত ইয়াৰ ভূমিকা

শ্ৰীশশী দেওঘৰীয়া
স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

ভাৰতৰ কোটি কোটি গ্ৰাহকক কোনো সামগ্ৰী কিনোতে সুৰক্ষা দিবৰ নিমিত্তে ১৯৮৬ চনৰ আগলৈকে পোনপটীয়াকৈ কোনো আইনেই নাছিল। কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় গ্ৰাহক সকলক সুৰক্ষা দিবৰ নিমিত্তে ১৯৮৬ চনত "গ্ৰাহক সুৰক্ষা আইন" ( The Consumer Pratection Act.1986 ) নামৰ এখন জৰুৰী আইন প্ৰণয়ন কৰে। সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰৰ এক বিজ্ঞপ্তি মতে এই আইনখন জম্বু-কাশ্মীৰৰ বাহিৰে ভাৰতৰ সকলো প্ৰদেশতে প্ৰয়োগ হ'ব বুলি কোৱা হয়।

গ্ৰাহকসকলক ভালদৰে ৰক্ষণাবেক্ষণ দিবলৈ গ্ৰাহক পৰিষদ আৰু অন্যান্য প্ৰাধিকৰণসমূহ যুক্তকৰি ইহঁতৰ দ্বাৰা গোচৰ নিষ্পত্তি কৰাই হ'ল এই আইনৰ প্ৰধান উদ্দেশ্য। গ্ৰাহক সুৰক্ষা আইনত গ্ৰাহক সকলক দিয়া সুৰক্ষা আৰু গ্ৰাহকৰ মৰ্য্যাদা উন্নীত কৰিবৰ কাৰণে দিয়া অধিকাৰ সমূহ হ'ল —

(১) জীৱন আৰু সম্পত্তিৰ অনিষ্টকাৰী বস্তু বা সামগ্ৰী কিনাৰ পৰা কোনো গ্ৰাহকক সুৰক্ষা দিয়া।

(২) গ্ৰাহকে যাতে কোনো বস্তুৰ গুণগত মান, সংখ্যা, কাৰ্য্যক্ষমতা, বিশুদ্ধতা আৰু মূল্য জনাৰ সুবিধা পায় অসাধু ব্যৱসায়ীৰ পৰা নিজকে সুৰক্ষা দিব পাৰে।

(৩) প্ৰতিযোগিতামূলক মূল্যত সন্তুৰপৰ সকলো সামগ্ৰী বা বস্তু কিনিবৰ কাৰণে চোৱা-চিতা কৰিবৰ অধিকাৰ।

(৪) গ্ৰাহকৰ আপত্তি সকলোবিলাক উপযুক্ত অনুষ্ঠান-প্ৰতিষ্ঠানত শুনোৱাৰ অধিকাৰ আৰু সেই বিলাকত গ্ৰাহকৰ স্বাৰ্থত পাবলগীয়া বিবেচনাক নিশ্চিত কৰা।

(৫) অসাধু ব্যৱসায় বা গ্ৰাহকক অভিপ্ৰায়েৰে শোষণ কৰা ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিকাৰ বিচৰাৰ অধিকাৰ।

গ্ৰাহকসকলে তলত দিয়া কাৰণ সমূহক লৈ গ্ৰাহক সুৰক্ষা পৰিষদৰ ওচৰত আপত্তি কৰিব পাৰে। অৱশ্যে ইয়াত কেৱল গ্ৰাহকেই নহয় বৰ্ত্তমান প্ৰচলিত কোনো আইনৰ অধীনত পঞ্জীয়ণ কৰা কোনো স্বেচ্ছাসেৱী গ্ৰাহক সন্থাইও আপত্তি কৰিব পাৰে।

১) কোনো ব্যৱসায়ীয়ে কৰা কোনো অসাধু ব্যৱসায়ৰ পৰা যদি কিবা ক্ষতি বা অনিষ্ট হয়।

(২) আপত্তিত বা আপত্তি টোকাত দেখুওৱা কোনো বস্তু বা সামগ্ৰীৰ এক বা তাতোধিক ত্ৰুটি থাকে।

(৩) আপত্তিত উল্লেখ কৰা সেৱাবোৰে যি কোনো ক্ষেত্ৰতে এটা বা তাতোধিক অভাৱত ভোগে।

(৪) যদি কোনো ব্যৱসায়ীয়ে আপত্তিত উল্লেখ কৰা কোনো বস্তুৰ ওপৰত সেই সময়ত প্ৰচলিত কোনো আইনে নিৰ্দ্ধাৰণ কৰাতকৈ অধিক মূল্য লয়।

গ্ৰাহক সুৰক্ষা আইনৰ দ্বাৰা গ্ৰাহক সকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে, গ্ৰাহক সুৰক্ষা অনুষ্ঠান সমূহক কেইটামান ভাগত ভাগ কৰি দিছে। সেইয়া হ'ল — কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা পৰিষদ, প্ৰাদেশিক গ্ৰাহক সুৰক্ষা পৰিষদ আৰু জিলা গোট। এই আটাইবোৰ বিভাগৰ মুখ্য উদ্দেশ্য একে হলেও গঠন অৱশ্যে একে নহয়। কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা পৰিষদখন কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক যোগান মন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ আৰু প্ৰাদেশিক গ্ৰাহক সুৰক্ষা পৰিষদখন প্ৰাদেশিক চৰকাৰে কিছুমান সদস্যক মনোনীত কৰি, জিলা গোটখন কেন্দ্ৰীয় চৰকাৰৰ পৰা আগতীয়াকৈ অনুমতি লৈ ৰাজ্য চৰকাৰৰ

দ্বাৰা গঠিত হয়।

জিলা গোটত স্থানীয় গ্ৰাহক তথা গ্ৰাহক সন্থাইও আপত্তি দাখিল কৰিব পাৰে। প্ৰাদেশিক আয়োগত আপত্তি দাখিল কৰিবলৈ হ'লে আপত্তি থকা কোনো বস্তু বা সামগ্ৰীৰ মূল্য বা সেৱাৰ মূল্য দহ লাখ টকাতকৈ বেছি হব নালাগিব। যি গ্ৰাহকে জিলা গোটৰ আদেশত সন্তুষ্ট নহয় সেই গ্ৰাহকেহে প্ৰাদেশিক আয়োগত আপত্তি কৰিব পাৰে। প্ৰাদেশিক আয়োগৰ কোনো আদেশৰ বিৰুদ্ধে পুনৰ আবেদন কৰিব পৰা যায়। ৰাষ্ট্ৰীয় আয়োগত কোনো আপত্তি দাখিল কৰিবলৈ হ'লে আপত্তি থকা কোনো বস্তুৰ মূল্য দহলাখ টকাতকৈ বেছি হ'ব লাগিব।



উল্লেখযোগ্য যে গ্ৰাহক সুৰক্ষা আইনত অভিযুক্ত পক্ষক শাস্তি বিধানৰ ব্যৱস্থাও কৰা হৈছে।

বয়বস্তুৰ চৰা দামৰ দিনত বৰ্ত্তমানে গ্ৰাহকবোৰ অৰ্থনৈতিক ভাৱে দুৰ্বল হৈ পৰিছে। বিশেষতঃ অসমৰ দৰে পিছপৰা ৰাজ্যৰ জনসাধাৰণে যাতে কোনো বস্তু বা সামগ্ৰী ক্ৰয় কৰোতে অসাধু ব্যৱসায়ীৰ পৰা ঠগ নাখায় আৰু ঠগ খালেও যাতে ইয়াৰ প্ৰতিকাৰ কৰিব পাৰে তাৰ প্ৰতি আমি সকলোৱে সজাগ হোৱা আৱশ্যক। এই আইনৰ সুবিধা সমূহ আমি গ্ৰহণ কৰা উচিত আৰু তেতিয়াহে গ্ৰাহক সুৰক্ষা আইনৰ ব্যৱস্থা সমূহ প্ৰকৃততাৰ্থত ফলৱতী হ'ব। ০ ০ ০

"যি মানুহ মহৎ — তেওঁ উদাৰ আৰু সৎ হওঁক। সৎ আৰু শুভ কাৰ্য্য সমাধা কৰিবলৈ তেওঁ এনে অক্লান্তভাৱে চেষ্টা কৰক — যাতে আমি কল্পনা কৰা দেৱতাসকলক আমি যেন মানুহৰ আৰ্হিতেই সৃষ্টি কৰিব পাৰো।"

—গ্যেটে

# বিছিন্ন সন্ধি

শ্ৰীসুমন্ত শৰ্ম্মা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

"বুজিছা বোপা, তোমালোক সৌ সিদিনাৰ ল'ৰাহে। এতিয়া যে দেখিছা আজি অমুকত, কালি তমুকত বিহু ফাংচনবোৰ হৈছে, এইবোৰ আমাৰ দিনত নাছিল। বিহু হৈছিল আহতৰ তলত পথাৰৰ তিনিকোণীয়া ৰাটত। এতিয়াৰ দৰে ৰজক্‌ৰা কাপোৰ পিন্ধি চাংঘৰৰ ওপৰত বিহুনাচ নচা নাছিল। বাৰু বোপা, তুমিয়েই কোৱাছোন, ঢচাৰি মানে কি? বোলো বোপা ........।"

প্ৰাঞ্জল কিবা এটা ভাৱত তন্ময় হৈ আছিল। ঠিক তাৰ সন্মুখৰে ষ্টেপত লেপেটা কাঢ়ি বহি লোৱা বুঢ়াজনে হঠাৎতে কৰা প্ৰশ্নত সি থত-মত খালে। দেখি থাকিলেও সি বুঢ়াজনক বৰ এটা মনকৰা নাছিল। প্ৰাঞ্জলে এইবাৰ বুঢ়াজনক ভালদৰে চাবলৈ ধৰিলে। বুঢ়াজনেও তেওঁৰ প্ৰশ্নৰ উত্তৰ বিচাৰি তাৰ মুখলৈ চাই আছে। বঢ়াজনৰ চকুহাল কোটৰৰ গহ্বৰত লুপ্তপ্ৰায় হৈ গৈছে। সম্পূৰ্ণ কৈ পকি যোৱা চুলিবোৰ তেল, ফনিৰ পৰশৰ অভাৱতে হয়তো বিদ্ৰোহী হৈ যেনি তেনি নিজৰ স্থান লৈছে। তেওঁৰ সমগ্ৰ মুখমণ্ডলত বয়সৰ নিষ্ঠুৰ আক্ৰমণৰ আচোঁৰ। সহস্ৰটা দাগেৰে পৰিপূৰ্ণ ধুতিখনৰো দুই-এঠাইত ফিচিকিছে। মলিন ফুটা এলোৱা গেঞ্জিটোৰো অস্থিচৰ্মসাৰ শৰীৰটোক ঢাকি ৰখাৰ বিফল প্ৰয়াস। চেণ্ডেল নথকাত ভৰিৰ পতাতো চিৰালফাঁট দিছে।

"বোপায়ে বা কি ভাবিছিলা!' মোৰ কথাটো নকলা দেখুন!"— বুঢ়াজনৰ মাতত পুনৰোপি তাৰ ধ্যান ভাগিল। ইমানদেৰি একো উত্তৰ দিব নোৱৰাত তাৰ বৰ লাজ লাগিল। পিছে কি বুলিনো উত্তৰ দিয়ে এতিয়া। সি বৰ দোমোজাত পৰিল।

"প্ৰাঞ্জল চাহ দিছোঁ, ভিতৰলৈকে আহা।"

এনেতে জীতুৰ মাকে ভিতৰৰ পৰা মতাতহে সি তত্ পালে। সি বুঢ়াজনলৈ এবাৰ চাই একো নোকোৱাকৈয়ে কোবাকোবিকৈ ভিতৰলৈ উঠি গ'ল। এনেবোৰ পৰিস্থিতিৰ সন্মুখীন হৈ থকাত বুঢ়াজনে বিশেষ একো নাভাবিলে। এইবাৰ তেওঁ নিজৰ বাট ধৰিলে।

সচাঁকৈয়ে বুঢ়াজনে মানুহক বৰ আমনি দিব পাৰে। য'তমানে লাগ-বান্ধ নোহোৱা ফাঁকি কথা কৰ। তেওঁ কোনোদিন সৰু নহয়; নাওঁ বুৰি টিং পালেগৈও কেতিয়াও ওপৰৰ পৰা নানামে। এতিয়াও ........। প্ৰাঞ্জল আহিছিল জীতুৰ ওচৰলৈ। অহা সপ্তাহত হব লগা বিহু সন্মিলনৰ বিষয়ে কিবা এটা আলোচনা কৰিবলৈ। চহৰখনত সি নতুন যদিও ৰাইজে সন্মিলনখনৰ সম্পাদকৰ গুৰুভাৰ তাৰ ওপৰতে দিছে। জিতুৰ লগত বাৰাণ্ডাতে কথাপাতি থাকোতেই জিতুৰ বাপেকেও সিহঁতৰ আলোচনাত ভাগ লৈছিলহি। জিতুৰ দেউতাক বৃন্দাৱন চৌধুৰী ৪২ ৰ গণ বিপ্লৱৰ বিপ্লৱী। চহৰখনৰে এজন ধনী, নামজ্বলা ব্যক্তি। গতিকে তেখেতেও আহি সিহঁতৰ আলোচনাত ভাগ লোৱাত প্ৰাঞ্জলে মনতে ভালেই পাইছিল। এনেতে সেই বুঢ়াজন আহি সিহঁতক যিমান পাৰে আমনি কৰিছেহি। তেওঁৰ কি কথা— বিহুৰ পৰা ৰাজনীতি, ৰাজনীতিৰ পৰা আকৌ একেবাৰে সমাজনীতি, ধৰ্মনীতি, সকলো বিষয়তে বুঢ়াজনৰ সৰ্বজান্তা মন্তব্য। বুঢ়াজনৰ কথাশুনি সিহঁতৰ আলোচনাৰ সিমানতে ইতি পৰিল। বুঢ়াজনৰ আমনিদায়ক লেক্‌চাৰৰ মাজত কেতিয়ানো জিতু, বৃন্দাৱন চৌধুৰী উঠি গল, কেতিয়ানো সি বিহু সন্মিলনৰ চিন্তাত বুৰ গল গমকে নাপালে। বুঢ়াজনৰ হঠাৎ প্ৰশ্নতহে সি আত্মপ্ৰকৃতিস্থ হ'ল।

প্ৰাঞ্জলে ভিতৰলৈ সোমাই দেখে ডাইনিং টেবুলৰ একাষতে চাহৰ সৰঞ্জাম আগত লৈ বৃন্দাৱন চৌধুৰী বহি

আছে। "আহা প্ৰাঞ্জল ; মোৰ লগতে চাহ একাপ খোৱা। তুমি বোধকৰোঁ প্ৰহ্লাদৰ কথা শুনি শুনি আমনি পালা।" — প্ৰাঞ্জলক উদ্দেশ্যি বৰ সহানুভূতিৰে ক'লে চৌধুৰীয়ে।

"প্ৰহ্লাদ! কোন প্ৰহ্লাদ, খুৰা?"

"এইযে, এতিয়া অহা বুঢ়াটো। বৰ আচৰিত মানুহ বুজিছা। সি কয়, সি বোলে দ্বিতীয় মহাসমৰৰ সময়ত সুভাষ বসুৰ, কি বোলেনে আজাদ নে ফাজাদ হিন্দ নামৰ দলত আছিল। সি অলপ দেৰী বহিবলৈ পোৱা হ'লে কত কত বম দিছিল, কাৰ কাৰ লগত দেখা কৰিছিল সকলো বকিলেহেঁতেন। তাৰ এইবোৰ কথা শুনি শুনি কাণ ঘোলা হৈ গৈছে। সেয়েহে আজি কালি তাক দেখিলে দূৰতে পলাওঁ। তোমালোকে তাৰপৰা সাৱধানে থাকিবা।" "কিন্তু খুৰা ; তেওঁ সুভাষ বসুৰ লগত থকাটো সঁচানে?" "কতনো সঁচাহে! চোৰাচোন ; তোমাৰ দেউতাৰা আৰু মই ৪২ ৰ আন্দোলনত কম লাগিলোনে? কিমান বাৰ বগা পুলিচৰ মাৰ খালোঁ, কিমান বাৰ গান্ধীৰ লগত জেল খাটিলোঁ তাৰ হিচাপ নাই। হেৰা, মই নিজে নকলেও তাৰ প্ৰমাণ তামৰ ফলি খনেই দিয়ে নহয়।"

"এৰা খুৰা, মাজে মাজে দেউতাইও সেই সময়ৰ কথাবোৰ কয়।"

"কেতিয়াবা প্ৰহ্লাদ বুঢ়াই মানুহৰ আগত কয় আমি হেনো তামৰ ফলি, মুক্তি যুঁজাৰুৰ পেঞ্চন, এইবোৰ এনেয়েই পালোঁ। সেয়েহে আমি বোলে সমাজত মূৰ তুলি কথা কব নোৱাৰোঁ। এইবোৰেই আৰু ........ । আচলতে সি এটা পাগল বুইছা।"

"এৰা, মোৰো তেনেকুৱা যেনেই লাগিল। বাৰু খুৰা, এইবাৰ বিহু সন্মিলনত আপোনালোকৰ দৰে ৪২ ৰ আন্দোলনত জড়িত চহৰৰ আটাইকেইজনকে সম্বৰ্দ্ধনা জনাম বুলি ভাবিছোঁ। আপুনি কিন্তু যেনে তেনে যাবই লাগিব। বোধকৰোঁ সভাপতিও হব লাগিব। পাছত চিঠিৰে মাতিম।"

"এস্! এইবোৰলৈ মোক কিয় টানাহে? এটা সময়ত দেশ ৰাখিবলৈ সেইবোৰ কৰিছিলোঁ আৰু ........ । এতিয়া তাকে লৈ .... । বাৰু হ'ব। কিবা এটা কৰিম। ৰাইজে বিচাৰিলেতো যাবই লাগিব।"

কথাৰ মাজতে চাহ খাই শেষ হ'ল। এইবাৰ চৌধুৰী, তেওঁৰ পৰিবাৰক মাত লগাই জিতুক লৈ প্ৰাঞ্জল বাহিৰলৈ ওলাই আহিল। পি, ডব্লিউ, ডি, অফিচৰ পৰা টিৰপাল, টিন আদি যোগাৰ কৰিব লাগে। গতিকেই দুয়োটাই ৰিক্সা এখন ধৰি একেবাৰে অফিচ পালেগৈ। নাই, সিহঁতৰ কাম নহলগৈ। ইঞ্জিনিয়াৰ নাই। দুঘণ্টা মানৰ পাছত আহিব বোলে। জীতুৰ মুখৰ পৰা বেয়া মাত এষাৰ ওলাই আহিছিলেই আৰু। দুয়োটা অফিচৰ পৰা ওলাই আহিল।

"ঐ! কি কৰ এতিয়া

"কি কৰিবি আৰু! দুঘণ্টা নালাগে তিনিঘণ্টা বৈ হ'লেও ইঞ্জিনিয়াৰটোক লগ ধৰিহে যাম।"

"বহুত দেৰী হ'ব লাগিব নহয়?"

"উপায় নাই, কি কৰিবি! ব'ল এই দুঘণ্টা পাৰ্কতে বহি কটাই দিওঁ।"

"ব'ল তেতিয়াহ'লে।"

জিতু, প্ৰাঞ্জল ওচৰতে থকা পাৰ্কখনলৈ সোমাই গ'ল। পাৰ্কনো আৰু কি, দুজোপামান জোপোহা গছ, ফুলগছৰ নামত জবাফুলৰ গছ তিনিজোপামান, প্ৰায় পচা সৰু চাৰিখনমান বেঞ্চ, 'অমৰাৱতী পাৰ্ক' বুলি লিখা পুৰণি মামৰে খোৱা চাইনবৰ্ডখন, এইবোৰৰে সংমিশ্ৰণ আৰু। দুয়োটাৰে বেঞ্চ নামৰ কাঠৰ চাং এচটাত বহি ল'লে। দুই এটা অলাগতীয়াল কথাৰ বাহিৰে বেছিভাগ সময় দুয়োটাই মনে মনে থাকিল। ইতিমধ্যে পাৰ্কৰ গহীন পৰিবেশৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে সিহঁতে কেইবাটাও চিগাৰেটৰ শ্ৰাদ্ধ পাতিছে। সিহঁতে বাৰেপতি ঘড়ীকিটালৈ চাবলৈ ধৰিছে। সিহঁতৰ বাবে সময়বোৰ যেন বৰ লাহে লাহে আগবাঢ়িছে।

এনেতে পাৰ্কৰ সিপাৰৰ ৰাস্তাটোত কিবা হুলস্থূল হোৱাত দুয়োটাই কি হৈছে একো ধৰিব নোৱাৰি ঘূৰি চালে। ৰাস্তাৰ কাষৰ মানুহৰ ডাঙৰ জুমটোৰ পৰা মাজে



কাৰোবাৰ উচ্চস্বৰৰ গালি ভাঁহি আহিছে। সিহঁত দুয়োটা পাৰ্কৰ পৰা ৰাস্তালৈ বুলি ল'ৰ ধৰিলে। ভিৰৰ মাজত সোমাই দেখে প্ৰহ্লাদ বুঢ়াই দাদা দাদা যেন লগা ল'ৰা এটাক উদ্দেশ্যি গালি পাৰি আছে। ল'ৰাটো প্ৰহ্লাদ বুঢ়াৰ ওচৰতে তললৈ মূৰ কৰি বৈ আছে। দেখিলেই ধৰিব পাৰি যে ভদ্ৰলোকৰ ওপৰত ইমান সময়ে ভাল ধুলাই এটা হৈ গৈছে। জুমটোৰ মাজতে ছোৱালী এজনীয়ে চকুপানী টুকি আছে। সিহঁতে ভালদৰে চাই দেখে ছোৱালীগৰাকী আন কোনো নহয়, চহৰৰে হেম দত্তৰ জীয়েক কলি দত্ত। প্ৰাঞ্জলে ঘটনাৰ গুৰুত্ব বিচাৰি ওচৰৰে এজনক সুধি জানিব পাৰিলে, ভদ্ৰলোকে ৰাস্তাইদি গৈ থকা কলি দত্তক উদ্দেশ্যি কিবা অশ্লীল মন্তব্য দিছিল। তাতে তাই ওলোতাই কিবা কোৱাত দাদাজনৰ চেন্টিমেন্টত ধৰাত বোলে অলপ বৰমতাৰ পৰিচয় দিবলৈ ওলাইছিল। ইমানবোৰ দেখিশুনিও ওচৰতে বৈ থকা অ'ত মানুহে একো কোৱা নাছিল। ল'ৰাটোৰ চৰিত্ৰ বৰ এটা ভাল নহয়। কৰবাত অথন্তৰ ঘটাব পাৰে। তাতে এনে নলগা জেংবোৰত লাগি নিজৰ বিপদ চপাবলৈও মানুহে ভয় কৰা হৈছে। কিন্তু কৰবাৰ পৰা সেই প্ৰহ্লাদ নামৰ বুঢ়াজন আহি "তোৰ ঘৰত বাই—ভনী নাই নেকি?" বুলি ল'ৰাটোক চৰিয়াবলৈ ধৰিলে। তাকে দেখি ওচৰতে বৈ থকা সাহ থকা দুই এজনে বুঢ়াৰ সাহসতে ল'ৰাজনক অলপ লপা-থপা দিলে।

কথা শুনি প্ৰাঞ্জল থৰ লাগিল। তেতিয়াও প্ৰহ্লাদ বুঢ়াই উচ্চস্বৰত কৈ আছে আৰু কাষতে ল'ৰাটোৰে কাণত ধৰি উঠা-বহা কৰি আছে। প্ৰাঞ্জলে এইবাৰ বেলেগ দৃষ্টিৰে প্ৰহ্লাদ বুঢ়াক চাবলৈ ধৰিলে। কিন্তু অৰুনি জিতুহঁতৰ বাৰাণ্ডাত বহি থকা বুঢ়াজনেই এতিয়াৰ প্ৰহ্লাদ বুঢ়া বুলি বিশ্বাস কৰিবলৈ টান পালে। সি প্ৰহ্লাদ বুঢ়াৰ সৎসাহস দেখি তাজ্জব মানিলে।

নিতৌ এনেকুৱা সহস্ৰটা ঘটনা বৰ্ত্তমান সমাজত ঘটি আছে। প্ৰাঞ্জলে নিজেও দেখিছে, চিটিবাছত, চিনেমা হ'লত, বজাৰত, ৰাস্তাই পদুলিয়ে সকলোতে ভদ্ৰঘৰৰ শিক্ষিতৰ মুখাপিন্ধা এচাম উশৃংখল যুৱকে মাতৃসম নাৰী জাতিৰ প্ৰতি কৰা অন্যায় আচৰণ। এইবোৰ সকলোৱে দেখিছে। কিন্তু একো নকয়, কেৱলমাত্ৰ অপমানিত হোৱাৰ ভয়তে। সি নিজেও একো কৰিব নোৱাৰে। কাৰোবাৰ গেলা ঘাঁৰ বাবে নিজৰ গাত চেঙা তেল দিয়াৰ পক্ষপাতি সি নহয়। অৱশ্যে আগতে এনেকুৱা দুৰ্নীতি দেখিলেই তাৰ খং উঠিছিল ; দুৰ্নীতিৰ বিৰুদ্ধে ঠিয় দিছিল। কিন্তু তাৰ দেউতাকে তাক বাধা দিলে। কলে, "এনেবোৰ নলগা জেঙত লগাৰ কোনো দৰকাৰ নাই। আমাকটো একো কৰা নাই।" সেই তেতিয়াৰ পৰা তাৰ মন গলেও এইবোৰৰ পৰা বিৰত আছে। কিন্তু আজি বহুতে চিনি নোপোৱা, পৰিচয়বিহীন, শিক্ষিত সমাজে পাগলৰ চাব মৰা প্ৰহ্লাদ নামৰ শীৰ্ণকায় অঘৰী বুঢ়াজনে তাৰ সন্মুখতে তাৰ দৰে হাজাৰটা প্ৰাঞ্জলৰ তথাকথিত প্ৰগতিশীল যুৱকৰ সৎসাহসক (?) ভৰিৰে মোহাৰি অন্যায়ৰ বিপক্ষে অকলশৰীয়াকৈ ঠিয় দিছে। সিহঁতৰ নিজৰ, দেউতাকহঁতৰ দৰে ভদ্ৰ সমাজৰ খুজিলোৱা সন্মানবোৰ যেন প্ৰহ্লাদ নামৰ বুঢ়াজনৰ মলিন উৰলি যোৱা সাজযোৰতকৈ বহু তলত, তাৰ এনে লাগিল। তাৰ ভাৱ হ'ল, ক'ৰবাত যেন এটা ভুল হৈ গৈছে। ........... ঠিক, সি বিহু সন্মিলনত সম্বৰ্দ্ধনা জনাবলৈ তৈয়াৰ কৰা সেই তালিকাখনত। এৰা, তালিকাখন প্ৰস্তুত কৰোতে ভুলতে নাম এটা ভৰাবলৈ থাকি গ'ল। মাৰাত্মক ভুল। কিন্তু ভুলটোটো শুধৰাবই লাগিব। হাতত যে সময় বৰ কম। অহা সপ্তাহত যে সন্মিলনখন পালেহিয়েই। তালিকাখনত প্ৰহ্লাদ বুঢ়াৰ নামটো ভৰাবলৈ জিতুক লগতলৈ সি ঘটনাস্থলীৰ পৰা পাৰ্কখনলৈ গুচি আহিল। নাই, প্ৰহ্লাদ বুঢ়াক এতিয়া লগ ধৰি যাব নোৱাৰি। তেওঁ যে এতিয়াও উচ্চস্বৰে গালি পাৰিয়েই আছে।

০ ০ ০

# পঞ্চতন্ত্ৰৰ পৰা সংগ্ৰহ

— শ্ৰীগনেশ গগৈ
উচ্চতৰ প্ৰথম বাৰ্ষিক
( বিজ্ঞান শাখা )

১] অশেষ যত্নৰেহে পৰ্ব্বতৰ টিঙত শিল তুলিব পাৰি, কিন্তু তাৰ পৰা অনায়াসে তললৈ শিল বগৰাই পেলাব পৰা যায়। সেইদৰে গুণে আত্মাক লাহে লাহে ওপৰলৈ তোলে আৰু দোষে খন্তেকতে তললৈ পেলায়।

২] কাউৰী, কাপুৰুষ আৰু হৰিণা এই তিনিবিধে স্থান ত্যাগ নকৰে। সিংহ, সৎপুৰুষ আৰু হাতীয়ে অপমান পালেই গুছি যায়।

৩] অপকাৰীবিলাকৰ অন্যায় চিন্তা নকৰিলেও নৈৰ পাৰত গজা গছৰদৰে সেইবোৰৰ আপোনা-আপুনি পতন হয়।

৪] ডেকা কালত যি শান্ত, তেওঁহে প্ৰকৃত শান্ত। বল-শক্তি ক্ষয় হ'লে কাৰনো জ্ঞানেন্দ্ৰিয়ৰ সংযম নোপজে ?

৫] কিছুমান ধূৰ্তলোক কাৰ্য্যসিদ্ধিৰ বাবে শত্ৰুৰূপী মিত্ৰ আৰু মিত্ৰৰূপী শত্ৰু হয়। অধাৰ্ম্মিক, চঞ্চল, মূৰ্খ, পাপী মিত্ৰৰ লগত বাস কৰাতকৈ সাপৰ লগত বাস কৰা বেছি ভাল।

৬] ভয়ৰ কাৰণ উপস্থিত নোহোৱালৈকে ভয় কৰি থাকিব লাগে। ভয়ৰ কাৰণ উপস্থিত হোৱাৰ পাচত নিশঙ্ক হৈ প্ৰহাৰ কৰাহে উচিত।

৭] যিলোকে শত্ৰু বা ৰোগ জন্মা মাত্ৰে দমন নকৰে, ক্ৰমে বৃদ্ধি পাই ৰোগ আৰু শত্ৰুৱে শক্তিমানৰো প্ৰাণ লয়। সেইদৰে যি লোকে নিজৰ শক্তি বুজি লৈ আত্মবিশ্বাস আৰু উৎসাহেৰে আগবাঢ়ে, পৰশুৰামে ক্ষত্ৰিয়সকলক বধ কৰাৰ দৰে তেওঁ অকলশৰীয়া হৈয়ো সমূহ শত্ৰুক বধ কৰিব পাৰে।

৮] দুৰ্জ্জনে কিবা বস্তু পাইছে বুলিয়েই খং নকৰাকৈ নেথাকে। সাধুলোক উপকাৰৰদ্বাৰাহে যে সন্তুষ্ট হয় এনে নহয়। কুঁহিয়াৰ আৰু নিমগছৰ ৰস স্বভাৱতে যেনেকুৱা, এওঁলোকো তেনেকুৱা।

৯] অস্থি হ'লেও বিষ্ণুৰ হাতত থকা শঙ্খ পৱিত্ৰ; মহানুভৱজনৰ সঙ্গইনো কাৰ উপকাৰ নকৰে ?

১০] নিজক চিনাটো দুৰূহ কাম। যোগ্যজনেও এইযাৰ কথা বুজি নাপায়। যাৰ এই জ্ঞান আছে সেইজনে বিপদৰ সময়তো কষ্টৰ হাত সাৰে !

১১] সমবেত হৈ দুৰ্ব্বল বিলাকেও জয়লাভ কৰিব পাৰে। ঘাঁহেৰে গুণ পকাই ৰচি কৰা হয়,— তাৰে হাতীকো বান্ধিব পাৰি।

১২] হিতাকাঙ্ক্ষী, সুবিবেচক, শাস্ত্ৰজ্ঞ, বুদ্ধিমান আৰু বিদ্বানসকলে চিন্তা কৰা কৌশলবোৰ কেতিয়াও ব্যৰ্থ নহয়।

১৩] নীচ জনে আনৰ কাম নাশ কৰিব জানে; কিন্তু সাধন কৰিব নাজানে। নিগনিৰ দুনিগছ কুটি পেলোৱা শক্তি আছে; কিন্তু দাঙি তোলাৰ শক্তি নাই।

১৪] পাৰ বাগৰি পৰিলেও মহাসাগৰ কলুষিত নোহোৱাৰ দৰে মহাপুৰুষে পৰিত্যক্ত হৈয়ো ধৈৰ্য্য নেহেৰুৱায়। অলপ বতাহত কুশবন লৰাৰ দৰে সামান্য কাৰণতে নীচমনৰ লোকৰ বিকৃতি ঘটে।

১৫] কঠিনৰ মাজত হিত বিচাৰি চাব লাগে,— যদি নাথাকে তেনেহলে সেয়া বিষ। মধুৰৰ মাজত শঠতা বিচাৰি চাব লাগে,— যদি নাথাকে তেনেহলে সি অমৃত।

১৬] শেষ অৱস্থাত উপনীত হ'লেও জ্ঞানীলোকৰ শুদ্ধ জাতিৰ বাবে গুণ লোপ নহয়। জুয়ে পুৰিলেও শঙ্খৰ শুক্লতা নাইকিয়া নহয়।



১৭] আত্ম-সন্মান ৰক্ষা কৰোতে পদে পদে বিপদ ঘটাও ভাল। অপমানৰ দ্বাৰা কলুষিত হোৱা বিস্তৰ সম্পত্তিয়ে কি কাম দিব ?

১৮] জ্ঞানহে চকু, দৃষ্টিশক্তি চকু নহয়। চৰিত্ৰতে সুকুলীনতা, সজ বংশত জন্মগ্ৰহণ কৰাটোত নহয়। সন্তোষেই সমৃদ্ধি আৰু কু-কাৰ্য্যৰ পৰা বিৰতিয়েই পাণ্ডিত্য।

১৯] অধ্যৱসায় কৰিবলৈ ভয় কৰা লোকৰ শিল্প-জ্ঞান বা শাস্ত্ৰৰ জ্ঞানে একো উপকাৰ সাধন নকৰে। চাকিগছ হাতত থাকিলেও সি জানো অন্ধৰ কিবা উপকাৰ সাধন কৰে ?

২০] সোণৰ মালা পিন্ধালেও কুকুৰে কেতিয়াও সিংহৰ স্বাভাৱিক গুণৰাশিৰ পৰা ওপজা বিপুল কান্তি লাভ কৰিব নোৱাৰে।

২১] পৰিলেও সাধুলোক ঢোপটো পৰাদি এবাৰহে পৰে; পৰি আকৌ উঠে, ভীৰু হলে মাটিৰ চপৰা পৰাদি একেবাৰে পৰি যায়।

২২] উদ্যমৰ দ্বাৰাহে কাৰ্য্যসিদ্ধি, মনোৰথৰ দ্বাৰা নহয়। শুই থকা সিংহৰ মুখত হৰিণা প্ৰৱেশ নকৰেগৈ।

২৩] অৱসাদৰ অভাৱেই হৈছে সৌভাগ্যৰ মুল।

ভাৰতৰ সকলো জাতিয়েই নিজৰ বাটে উধাওক। ব্ৰহ্মপুত্ৰ ব্ৰহ্মপুত্ৰৰ ভাগে, গঙ্গা গঙ্গাৰ ভাগে, যমুনা যমুনাৰ ভাগে, কাবেৰী কাবেৰীৰ ভাগে, সিন্ধু সিন্ধুৰ ভাগে আগবাঢ়ক আৰু বৈ যাওক। কাকো কাৰো লগত লগ লগাবলৈ যেন যত্ন কৰা নহয়। অটাইবিলাক গৈ শেষত ভাৰত মহাসাগৰত পৰিবগৈ আৰু সেয়ে ভাৰতীয় মহাজাতি। ভাৰতীয় মহাজাতি সৃষ্টি কৰিবলৈ আন উপায়েৰে কাৰবাৰ কৰিলে লেঠা বাঢ়ি যাব আৰু ভাৰতীয় মহাজাতি পানীৰ ঔ টেঙা হ'ব।

—বেনুধৰ ৰাজখোৱা

# আলোচনী সম্পাদকৰ একাষাৰ

একবিংশ শতিকাৰ দুৱাৰদলিত ভৰি দিবলৈ ওলোৱা এচাম মানুহৰ বৰ্বৰোচিত কাৰ্য্যকলাপে, আন সকলো বাদ দি দুখনকৈ মহাসমৰৰ নৰমেধ যজ্ঞই— আমাক ভাবিবলৈ বাধ্য কৰাইছে— জীৱশ্ৰেষ্ঠ (?) মানুহো কিমান বৰ্বৰ, অবিবেচক, হৃদয়হীন হ'ব পাৰে।

আজি সৰ্বত্ৰ পৃথিৱীতে মহামানৱৰ জীৱনাদৰ্শই দেখুৱাই যোৱা সত্য, অহিংসা, ন্যায়, প্ৰেমৰ আদৰ্শৰ অপমৃত্যু ঘটিছে। যুদ্ধৰ, হিংসাৰ কৰাল বিষময় বিভীষিকাৰ কলীয়া ডাৱৰে পৃথিৱীৰ প্ৰতি প্ৰান্তক আৱৰি ৰাখিছে। কি এচিয়া, কি ইউৰোপ, কি আফ্ৰিকা — আমেৰিকা সমগ্ৰ মহাদেশৰ ক্ষুদ্ৰ বৃহৎ ৰাষ্ট্ৰসমূহত গোষ্ঠীগত কন্দল, ধ্বংসকামী ধৰ্মান্ধতা, সংকীৰ্ণ ভাৱাবেগৰ প্ৰভূত্ব স্থাপন হৈছে। তাৰপৰা জন্ম হৈছে হিংসাৰ, স্বাৰ্থপৰতাৰ, গোষ্ঠীগত অহমিকতাৰ আৰু বহু ধ্বংসকামী শক্তিৰ। এই অশুভ শক্তি হিৰচিমা, নাগাচাকিত নিক্ষেপ কৰা লিটলবয়, ফেটমেনতকৈও বহু বেছি কাৰ্যদক্ষ আৰু ক্ষয়ঙ্কৰী শক্তিৰ অধিকাৰী, অপ্ৰতিৰোধ্য। ইয়াৰ আধাৰতেই আজি বিশ্বজুৰি সন্ত্ৰাসবাদে শক্তি আহৰণ কৰিছে, সামাজিক আদৰ্শবাদৰ ভিত্তিত নতুন পৃথিৱী ৰচাৰ স্বপ্ন পৰিত্যক্ত হৈছে।

বেছি দূৰলৈ নগৈ অসমৰ বৰ্তমান অৱস্থাক লক্ষ্য কৰিলেই আমি হতাশাত ভুগিবলগীয়াত পৰোঁ। আৰ্থ সামাজিক সকলো দিশতে অসমৰ আজি মৃতপ্ৰায় অৱস্থান। বিচ্ছিন্নতাবাদী সমস্যা, বড়ো, আহোম, মিচিং, কাৰ্বি, ৰাভা, সোণোৱাল আদি সমূহ জনগোষ্ঠীৰ জাতিগত প্ৰতিষ্ঠাৰ সমস্যা, ভাষা সমস্যা, বিদেশীৰ পৰা উদ্ভৱ হোৱা সমস্যা, উশৃঙ্খল যুৱ মানসিকতা আদি এশ-এবুৰি সমস্যাৰে অসম আজি জৰ্জৰিত। এফালেদি অসমত আজি বিবিধ উদ্যোগৰ প্ৰতিষ্ঠা হ'ব লাগিছে; বৈজ্ঞানিক চিন্তাধাৰা, যন্ত্ৰৰ সমাবেশে অসমলৈ নতুনত্ব কঢ়িয়াই আনিছে. বৌদ্ধিক জগতত নতুন চিন্তাৰ আগমণীয়ে সাহিত্যক বৰ্ণাঢ্য ৰূপ দিছে। আনফালে আধুনিকতাৰ অন্ধ অনুকৰণৰ ফলত আমাৰ সমাজৰ পূৰ্বৰ সুষ্ঠ গাঁথনিত ফাঁট মেলিছে। এখন সমাজৰ পূৰ্ণ চালিকা শক্তি ছাত্ৰ সমাজৰো অধিকাংশই সততালৈ পিঠি দিছে, নৈতিকতাৰ সংজ্ঞাক বুজিও নুবুজা হৈছে। আনকি নিজৰ প্ৰকৃত কৰ্তব্য পালনতো হেমাহি কৰিছে। বিপৰীতে বহু কিবাকিবি অকৰ্ম কৰিবলৈ কুণ্ঠিত হোৱা নাই। আজিকালিৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ স্থূল ৰুচিবোধ দেখিলে সন্মানীয় ব্যক্তি মাত্ৰৰে দৃষ্টি সংকোচিত হয়, অনুভূতি আহত হয়। এইবোৰ সমস্যা আজি অসমৰে নহয়, এই সমস্যা সৰ্বত্ৰ ভাৰতৰ। হয়তো পৃথিৱীৰ বৃহদাংশত। সমস্যাসমূহৰ সমাধানকল্পে অৱশ্যেই সংগ্ৰাম চলিছে, নানা পথেৰে, নানা পন্থাৰে। কিন্তু সেই সংগ্ৰাম আত্মমুখী হোৱাত সফল কাম হোৱা নাই। আত্মমুখী সংগ্ৰাম ছদ্মবেশী মৰণ মাত্ৰ।

অসমৰ ক্ষেত্ৰত এই সংগ্ৰামৰ ৰূপটো দেখা গৈছে দেশসেৱাৰ নামত, ন্যায্য প্ৰাপ্যৰ বাবে আজি আমাৰ বহু ছাত্ৰ ছাত্ৰী আন্দোলনৰ কাৰ্য্যসূচীলৈ ৰাজপথলৈ ওলাই আহিছে। কিন্তু সেইয়া ভাষণসৰ্বস্ব হোৱাত; ডেকা-গাভৰুৰ বিপ্লৱী মনবোৰৰ (?) ওপৰত কোনেও আস্থা ৰাখিব পৰা নাই। গতিকেই এই সংগ্ৰামবোৰো সফল হোৱাগৈ নাই। বৰঞ্চ কিবা এটা লাভ কৰাৰ আগেয়েই আমি বহু হেৰুৱাবলৈ সক্ষম হৈছোঁ।

এনে মূহুৰ্ত্তত আমাৰ অতিকৈ প্ৰয়োজন আছিল অসমীয়া জাতিটোক নেতৃত্ব দি প্ৰগতিৰ পথেৰে এখোজো আগবাঢ়িবলৈ সমৰ্থবান এটা কৰ্মত বিশ্বাসী, নৈতিক শক্তিৰে বলীয়ান শক্তিশালী সংঘবদ্ধ ছাত্ৰশক্তিৰ। কাৰণ মানুহৰ মাজত অন্য কোনো শ্ৰেণী ছাত্ৰ-সমাজতকৈ বেছি সংঘবদ্ধ হ'ব নোৱাৰে; শক্তিশালী হ'ব নোৱাৰে। কিন্তু আমাৰ অধিকাংশ ছাত্ৰশক্তিয়ে পথভ্ৰষ্ট, পুৰণিক ভাঙি



নতুনক গঢ়াৰ সাহসকণো আজি তেওঁলোকে হেৰুৱাই পেলাইছে। আমি যিদৰে ঐতিৰ্য্যমণ্ডিত কুটীৰ শিল্পক ধ্বংস কৰিলোঁ সেইদৰে বেলেগকৈ কোনো কামৰে উপযুক্ততা আৰ্জন কৰিব নোৱাৰিলোঁ। মুঠতে আজি সকলো দিশতে শুনো ধ্বংসৰ, অন্ধকাৰ সুস্পষ্ট পদধ্বনি।

আজিৰ এনে হতাশাজনক পৰিবেশ আমাৰ সৰ্বকালৰ কাম্য নহয়। গতিকেই ইয়াৰ বিপক্ষে সাহসেৰে, আত্মপ্ৰত্যয়েৰে ঠিয় দিয়া প্ৰয়োজন। আমি জনা উচিত, আজি যিদৰে পৃথিৱীজুৰি মানুহৰ বিৰুদ্ধে চক্ৰান্ত, নৃশংসতা, পদদলিত কৰি স্বাৰ্থসিদ্ধিৰ যি অমানৱীয় প্ৰচেষ্টা চলিছে; তেনেদৰে তাৰ বিৰুদ্ধে চিঞৰা মানুহৰ কণ্ঠ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ আহিছে প্ৰতিদিনে, পলে অনুপলে।

আজি অসমীয়াই আত্মসমালোচনা কৰি নিজৰ ভুলসমূহ সংশোধন কৰা আৱশ্যক। প্ৰতিজনে শিহৰণক সংকল্পলৈ পৰিবৰ্তিত কৰক। সংকল্পক উপলব্ধিৰ গভীৰত থিতাপি দিয়ক। কিন্তু উত্তেজনাৰ উত্তাপত উপলব্ধিখিনি পুৰিগ'লে পুণৰোপি অসমীয়া দিশভ্ৰষ্ট হ'ব লাগিব, ই ধ্ৰুৱ।

আলোচনীখনৰ সম্পৰ্কে —

স্বতন্ত্ৰভাৱে সোণালীক প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণে আক্ষেপ এটা থাকি গল। মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশৰ বাবে যি পৰিমানৰ পুঁজিৰ আৱশ্যক, প্ৰধানতঃ তাৰ অভাৱৰ কাৰণেই আমাৰ এই বিফলতা। প্ৰয়োজনীয় সংখ্যক পুঁজিৰ অভাৱতেই আমাৰ কাৰ্য্যকালৰ আগৰ দুটা বছৰৰ কাৰ্য্যনিৰ্বাহকেও মহাবিদ্যালয়খনিৰ আলোচনী সংযুক্ত কৰি উলিয়াবলৈ বাধ্য হৈছিল।

'সোণালী'ক প্ৰকাশ কৰিবলৈ ওলাই আহি ছাত্ৰ-ছাত্ৰীৰ পৰা লিখনি বিচাৰি হাৰাশাস্তি খাবলগীয়া হোৱাটো মোৰ বাবে অভাৱনীয় বাস্তৱ আছিল। বহুকেইখন জাননী দিয়াৰ পাছতো লিখনি বিচাৰি বিভিন্নজনক ব্যক্তিগত ভাৱে বহুবাৰ লগ ধৰিছিলোঁ যদিও আশানুৰূপ সহাৰি নাপালোঁ। মাননীয় ছাত্ৰ-ছাত্ৰী তথা প্ৰৱক্তা মণ্ডলীৰ যি দুই চাৰিজনৰ পৰা লিখনি পালোঁ, তাকে সৰ্তকতাৰে বহুক্ষেত্ৰত সংশোধনী কৰি যথাসম্ভৱ সুন্দৰভাৱে 'সোণালী'ক আপোনালৈ আগবঢ়ালোঁ। সময়ৰ অভাৱত, বহুক্ষেত্ৰত মোৰ অভিজ্ঞতাৰ অভাৱতো বহু ভুল ত্ৰুটী ৰৈ গল। এই ভুল নিতান্তই অনিচ্ছাকৃত। পৰিশেষত, সকলোৱে মৰমৰ চকুৰে চাই সোণালীক আদৰি লব বুলি আশা কৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ** — ১৯৯০-'৯১ চনৰ সোণাৰি মহাৱিদ্যালয়ৰ ছাত্ৰএকতা সভালৈ মোক 'আলোচনী বিভাগৰ সম্পাদক' ৰূপে নিৰ্বাচিত কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। কাৰ্য্যকালৰ এই সুদীৰ্ঘ দিনকেইটাত মোক বিভিন্ন ধৰণে দিহাপৰামৰ্শ, সহায়-সহযোগ আগবঢ়োৱা সন্মানীয় অধ্যক্ষ ডাঙৰীয়া প্ৰমূখ্যে সমূহ প্ৰৱক্তা, ছাত্ৰ একতাসভাৰ বিষয়ববীয়াসকল, অন্যান্য মোৰ অগ্ৰজ, অনুজ, বন্ধু সকলোকে মোৰ কৃতজ্ঞতা জনালোঁ।

আলোচনীখনৰ বাবে বিবিধ লিখনিসমূহ চাই, লিখি-মেলি সহায় কৰি দিয়াত মহাবিদ্যালয়খনিৰে প্ৰৱক্তা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউৰ ওচৰত কৃতজ্ঞ থাকিলোঁ।

আলোচনীখন প্ৰকাশত ঠানুদা, মণিদীপদা, ৰজদা, তপনদা, বন্ধু নিত্যা, হৰিনাথ, নিৰ্মল, জয়, দিলিপ, যুগলহঁতৰ সচেষ্ট সহযোগৰ কথা কোনো কালেই পাহৰিব নোৱাৰিম।

শেষত, সোণাৰি মহাবিদ্যালয়খনিৰ, 'সোণালী'ৰ উজ্বল ভৱিষ্যতৰ কামনাৰে সামৰিলোঁ।

ইতি,

শ্ৰীদিব্যজ্যোতি কোঁৱৰ
সম্পাদক, আলোচনী বিভাগ
১৯৯০-৯১ চন

# ॥ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ॥

জয়জয়তে ১৯৯০-৯১ চনৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মোক 'সাধাৰণ সম্পাদক' ৰূপে নিৰ্বাচিত কৰাত মহাবিদ্যালয়খনিৰ সমূহটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। মোৰ এই কাৰ্য্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঙৰীয়া প্ৰমুখ্যে যিসকল শিক্ষাগুৰুৱে বিভিন্ন দিহাপৰামৰ্শেৰে সহায় কৰিলে তেখেতসকললৈ গভীৰ শ্ৰদ্ধা নিবেদিছোঁ। অন্য সকলো ধৰণেৰে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা-সভাৰ বিষয়ববীয়া সকল, অগ্ৰজ, অনুজ, বন্ধু সকলোটিলৈ সুবিধাতে ধন্যবাদ জনালোঁ।

১৯৯০-৯১ চনৰ কালছোৱা অসমৰ বাবে এক দুৰ্যোগপূৰ্ণ সময়। বানপানী আদি প্ৰাকৃতিক দুৰ্য্যোগৰ উপৰিও অসমত চলি থকা অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বহুলোকেই ইতিমধ্যে প্ৰাণ হেৰুৱাব লগাত পৰে। ইতিমধ্যেই সংঘটিত হিংসাত্মক ঘটনাসমূহৰ বাবে সকলো দিশতে অসমৰ বিস্তৰ ক্ষতি হৈছে। হিংসাত্মক ঘটনা সমূহক আমি সদায় গৰিহণা দি আহিছোঁ আৰু প্ৰকৃত দোষী সকলক কঠোৰ শাস্তি দিবলৈ দাবী জনাইছোঁ।

অসমৰ বৰ্তমান সমস্যাৰাজিয়ে আমাৰ শিক্ষা জগতত বহু পৰিমাণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। যাৰ ফলত আমাৰ শিক্ষা জগতত শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। গতিকে আমাৰ ছাত্ৰ সমাজে সদা সতৰ্কতাৰে প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰতি দৃষ্টি দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে।

**শ্ৰদ্ধাৰে সোঁৱৰণ —**

এই মহাবিদ্যালয়ৰে স্নাতক মহলাৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী বিভা বৰাৰ যোৱা ইং ২৪ মাৰ্চ '৯০ তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ অকাল মৃত্যু হোৱাত আমি মৰ্মাহত হৈছোঁ আৰু মৃতকৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদি শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

**কাৰ্য্যকালৰ চমু খতিয়ান —**

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব কান্ধ পাতি মই কি কৰিব পাৰিলোঁ সেয়া আপোনালোকে বিচাৰ কৰিব। বিগত বছৰটোলৈ উভটি চাই ইয়াকে কব পাৰোঁ যে, শিক্ষানুষ্ঠানখনৰ সামগ্ৰীক দিশৰ সৰ্বাত্মক উন্নয়নৰ বাবে আমি যথাসাধ্য চেষ্টা চলাইছিলোঁ।

গতানুগতিক ভাৱে সোণাৰি মহাবিদ্যালয়ৰ বিংশতিতম বাৰ্ষিক ক্ৰীড়া সমাৰোহ ১৯৯০ চনৰ ১২ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈকে সপ্তাহজোৰা কাৰ্য্য-সূচীৰে উলহ-মালহেৰে পালন কৰা হয়। এইবাৰৰ ক্ৰীড়া সমাৰোহৰ লক্ষ্যণীয় কথা আছিল যে, আগৰ কেইবাৰৰ তুলনাত এইবাৰ প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি বাৰ্ষিক ক্ৰীড়া সমাৰোহ সফল তথা উচ্চ মানদণ্ডৰ কৰি তোলে। ইয়াৰোপৰি যথা সময়ত নৱাগত আদৰণি সভা, বিদায় সভা, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, শংকৰদেৱ তিথি আদি পৰম্পৰাগত ভাৱে উদ্‌যাপন কৰা হয়। তাৰোপৰি মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগসমূহ পূৰণ কৰিবৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাই কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হৈছে।

বৰ্ত্তমান মহাবিদ্যালয়খনিৰ বিবিধ অভাৱ-অভিযোগ সমূহ প্ৰতিষ্ঠা লাভৰ ২০ বছৰৰ পাছতো আমাৰ মহাবিদ্যালয় খনে বিভিন্ন কাৰণত পূৰ্ণতা লাভ কৰা নাই। মহাবিদ্যা-লয়খনৰ শিক্ষাৰ্থী সকলে প্ৰায় প্ৰতি ক্ষেত্ৰতে বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। অৱশ্যে আমাৰ ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰী সকলৰ সমূহ অভাৱ-অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত আলোচনা কৰি প্ৰায় সমূহ অভাৱ নিৰাময় কৰিবলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰচেষ্টা হাতত লৈ আহিছে। আমাৰ কাৰ্য্যকালত যোৱা ইং ২৯-৮-৯০ তাৰিখে ছাত্ৰ একতা সভাৰ

সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন